## তৃতীয় খণ্ড

প্ৰথম বিভাগ ঃ আধুনিক অসমীয়া কবিতা
দ্বিতীয় বিভাগ ঃ কবি হেম বৰুৱাৰ কবিতা 'পোহৰতকৈ এন্ধাৰ ভাল'
তৃতীয় বিভাগ ঃ কবি নৱকান্ত বৰুৱাৰ কবিতা 'সম্ৰাটৰ পৰা'
চতুৰ্থ বিভাগ ঃ কবি অজিৎ বৰুৱাৰ কবিতা 'দুখৰ কবিতা'
পঞ্চম বিভাগ ঃ কবি নীলমনি ফুকনৰ কবিতা 'ওলমি থকা গোলাপী জামুৰ লগ্ন'

# প্ৰথম বিভাগ
# আধুনিক অসমীয়া কবিতা

**বিভাগৰ গঠনঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ আধুনিক অসমীয়া কবিতাৰ পৃষ্ঠভূমি
১.৪ আধুনিক অসমীয়া কবিতাৰ বিকাশত 'জয়ন্তী'ৰ অৱদান
১.৫ আধুনিক অসমীয়া কবিতাৰ প্ৰধান কবি সকল
  ১.৫.১ হেম বৰুৱাৰ কবিতা
  ১.৫.২ নৱকান্ত বৰুৱাৰ কবিতা
  ১.৫.৩ অজিৎ বৰুৱাৰ কবিতা
  ১.৫.৪ হীৰেন ভট্টাচাৰ্যৰ কবিতা
  ১.৫.৫ নীলমণি ফুকনৰ কবিতা
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

১৯৪৬ চনত প্ৰকাশিত আধুনিক অসমীয়া কবিতাৰ প্ৰথমখন সংকলন 'আধুনিক অসমীয়া কবিতা'ত সংকলক সম্পাদক যতি নাৰায়ন শৰ্মাই লিখিছিল—"এই নতুন ভাবৰ কবিতাবিলাকক আমি অকল প্ৰগতিমূলক কবিতাই নুবুলি আধুনিক অসমীয়া কবিতা বুলিব পাৰো কিয়নো ইবিলাক হৈছে আধুনিক অসমীয়া জাতিৰ পৰিবৰ্তিত জীৱনৰ ভাৱধাৰাৰ লগত সম্বন্ধ থকা কবিতা"। এই কথাষাৰিয়ে আমাক এটা কথা উপলব্ধি কৰাই যে সমাজ জীৱন আৰু মননলৈ আধুনিক চেতনাৰ সমৃদ্ধি নাহিলে আধুনিক সৃষ্টি সম্ভৱ নহয়। কবিতাও তাৰ উৰ্দ্ধত নহয়। এই আধুনিক চেতনাৰ আগমন কিদৰে ঘটিছিল বুলিলে উদ্যোগ বিপ্লৱৰ পৰৱৰ্তীকালত মানুহৰ দাৰ্শনিক, ৰাজনৈতিক, বৈজ্ঞানিক আৰু আদৰ্শগত চিন্তালৈ যি পৰ্বান্তৰ ঘটিছিল তাৰেই ফলশ্ৰুতি বুলি ক'ব পাৰি। আভিধানিক অৰ্থত যি এতিয়াৰ (অধুনাৰ) সিয়েই আধুনিক বুলি ক'ব বিচৰা হয় যদিও আধুনিক হোৱাৰ সম্পূৰ্ণতা সময়গত বৈশিষ্ট্যই নিৰ্ধাৰণ নকৰে, ভাবগত আৰু বিষয়গত নতুনত্ব আৰু বাস্তৱসন্মত, যুক্তিসংগত মানসিকতাইহে নিৰ্ধাৰণ কৰে। আধুনিক হোৱা নোহোৱাত উন্নত সংস্কৃতি আৰু দৰ্শনৰ প্ৰভাৱৰ লগতে পৰিবেশগত, স্থানগত আৰু কালগত চেতনাৰ নতুনত্ব প্ৰয়াসী আৰু উত্তৰণমুখী হাবিয়াসৰ ভূমিকা থাকে। এই আধুনিক (modern) শব্দটোৰ সৈতে আধুনিকতা (modernity) আৰু আধুনিকতাবাদ (modernism) ওচৰ

সম্পৰ্কৰ আৰু মন কৰিবলগীয়া পাৰ্থক্য আছে। ড° হীৰেন গোঁহায়ে তেওঁৰ 'সমালোচনাত আধুনিকতা' নামৰ এটা প্ৰবন্ধত আধুনিকতা আৰু আধুনিকতাবাদৰ সংজ্ঞা এইদৰে নিৰূপন কৰিছিল—"আধুনিকতা ঘাইকৈ ইউৰোপীয় নৱযুগৰ পৰৱৰ্তী কালছোৱাত গঢ় লৈ উঠা এক সভ্যতাৰ নামান্তৰ—যি সভ্যতাই মানুহৰ সীমাবদ্ধতা আৰু দুৰ্বলতাৰ ধৰ্মীয় ধাৰণাৰ পৰা মুক্ত হৈ অপ্লাবিত বৈষয়িক আৰু সাংস্কৃতিক উপাদানেৰে বিশ্বত মানুহৰ সাৰ্বভৌমত্ব সাব্যস্ত কৰিব খোজে। ধৰ্মনিৰপেক্ষ, যুক্তিবাদী, বিজ্ঞাননিৰ্ভৰ এই সভ্যতাই সকলো ক্ষেত্ৰতে ঐতিহ্যক প্ৰত্যাহ্বান জনাই মানুহৰ আত্মনিয়ন্ত্ৰণ সম্পূৰ্ণ কৰিব খোজে। আনহাতে modernism বা আধুনিকতাবাদ হৈছে ফৰাচী কবি বডলায়াৰৰ দ্বাৰা ব্যৱহৃত এটা শব্দ। আধুনিক পৌৰ জীৱনৰ অভিজ্ঞতা সৰোগত কৰি ৰোমাণ্টিক যুগৰ পৰৱৰ্তী এক নতুন সাহিত্যৰীতি তথা সাহিত্য আৰু শিল্পকলা সৃষ্টি কৰাৰ বাবে এক আন্তৰ্জাতিক আন্দোলন"।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- আধুনিক অসমীয়া কবিতাৰ পৃষ্ঠভূমি সম্পৰ্কে পৰিচয় লাভ কৰিব পাৰিব
- আধুনিক অসমীয়া কবিতাৰ লক্ষণ সম্পৰ্কে জানিব পাৰিব
- আধুনিক অসমীয়া কবিতাৰ গতি-প্ৰকৃতি, কবিসকলৰ অৱদান, তেওঁলোকৰ কবিতাৰ বিশেষত্ব আৰু কেইজনমান প্ৰধান অসমীয়া কবিৰ কবিতাৰ পৰ্যালোচনাৰ জৰিয়তে আধুনিক কবিতাৰ সমালোচনা কিদৰে কৰিব পাৰি সেই বিষয়ে স্পষ্ট আভাস পাব।

## ১.৩ আধুনিক অসমীয়া কবিতাৰ পৃষ্ঠভূমি

আধুনিক কবিতা বুলিলে যদিও মূলতঃ কুৰি শতিকাৰে আৰম্ভণিৰে পৰা যুদ্ধৰ ভয়াবহতা, বুৰ্জোৱা সভ্যতাৰ প্ৰসাৰ, আন্তৰ্জাতিক চেতনাৰ লগতে চিত্ৰকল্পবাদ, প্ৰতীকবাদ, আভিব্যক্তিবাদ, অধিবাস্তৱবাদ আদি শিল্প আৰু সাহিত্য বিষয়ক আন্দোলনৰ প্ৰভাৱে সৃষ্টি কৰা নতুন কাব্যবোধ আৰু কাব্যভংগীক বুজোৱা যায় ইতিহাস নিৰপেক্ষ ভাবে আধুনিক বুলিব পৰা কাব্যগুণ প্ৰতিটো যুগৰ কবিতাতেই যে থাকিব পাৰে তাক অস্বীকাৰ কৰিব নোৱাৰি। ব্যক্তি স্বতন্ত্ৰবোধ, নিৰীশ্বৰবাদী মনোভাৱ, মুক্ত জ্ঞানৰ প্ৰতি আগ্ৰহ, পৰম্পৰাৰ প্ৰতি সন্দিগ্ধ দৃষ্টিকোণ, জীৱনৰ অনিশ্চয়তাবোধক গুৰুত্ব, মানৱীয়তাৰ প্ৰতি আগ্ৰহৰ দৰে কথাবোৰে প্ৰতিটো যুগতেই এচাম কবিক সময়তকৈ আগবঢ়া কৰি ৰাখিছিল। আধুনিকতাৰ লক্ষণো এইবোৰেই। কিন্তু সেইবোৰ কবিতাক আমি আধুনিক আখ্যা দিব পৰা নাছিলো কাৰণ বস্তুজগতত আধুনিকতাৰ আৰম্ভ নহ'লে শিল্প সাহিত্যৰ জগতত আধুনিকতা সম্ভৱ হ'ব নোৱাৰে, ব্যক্তিগত পৰ্যায়ৰ উৎকৰ্ষসমূহেও ব্যাপ্তি লাভ

কৰিব নোৱাৰে। কবীন ফুকনে ‘কবিতাত আধুনিকতা’ নামৰ প্ৰবন্ধটিত লিখিছিল— “বস্তুজগতৰ আধুনিকতাই মানুহৰ, সৰ্বসাধাৰণ মানুহৰ মনোজাগতিক আধুনিকতাৰ বিস্তাৰণ আৰু প্ৰগাঢ়কৰণ ঘটায়। প্ৰকৃততে এটা সময়ত বস্তুজাগতিক আৰু মনোজাগতিক আধুনিকতা হাতত ধৰাধৰিকৈ আগবাঢ়ে”। অসমৰ ক্ষেত্ৰতো সেই জাগতিক আধুনিকতাৰ আৰম্ভণি হৈছিল অসমত বিদেশীশাসক আৰু বেপ্তিষ্ট মিছনেৰীৰ পঢ়াশালি স্থাপন আৰু পাঠ্যপুথি প্ৰনয়ণৰ যোগেদি, অৰুনোদইৰ দৰে আলোচনী প্ৰকাশেৰে। ইয়াৰ সৈতে এচাম আধুনিক চেতনাৰ প্ৰতি আগ্ৰহী শিক্ষিত অসমীয়াৰ সংযোগে অসমীয়া সাহিত্যলৈ ইউৰোপীয় আধুনিকতাৰ প্ৰভাৱী আগমন সহজ কৰি তুলিছিল। অসমীয়া সমাজখনে পশ্চিমীয়া আধুনিকতাৰ উমান পাইছিল ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা মূলতঃ অসমীয়া ভাষা প্ৰতিষ্ঠাৰ সংগ্ৰামৰ সৈতে জড়িত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাৰ দৰে কেইজনমান ক্ষণজন্মা জাতীয় নায়কৰ জৰিয়তে। পৰৱৰ্তী সময়ত কলিকতালৈ পঢ়িবলৈ যোৱা লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামীৰ দৰে আন কেইজনমান উজ্বল নক্ষত্ৰই আমাৰ সাহিত্যত প্ৰতিষ্ঠা হ’ব পৰাকৈ ‘জোনাকী কাকত’ৰ জৰিয়তে আধুনিক চেতনাৰ পথ মুকলি কৰিছিল। এই কথা মন কৰিবলগীয়া যে জোনাকী যুগৰ ৰমন্যাসবাদী চেতনাৰ মাজতো বেজবৰুৱা-চন্দ্ৰকুমাৰ আৰু হেমচন্দ্ৰ গোস্বামীৰ কবিতাত আধুনিকতাবাদী চেতনাৰ প্ৰকাশ দেখা যায় যাক ৰমন্যাসিক চেতনাৰ আধুনিকতা আখ্যা দিব পাৰি। এই ৰমন্যাসিক চেতনাৰ আৰম্ভণি যদিহে চন্দ্ৰকুমাৰ আগৰৱালা, শেষৰজন হ’ব দেৱকান্ত বৰুৱা। ৰোমাণ্টিকতাৰ পৰা আধুনিকতালৈ অসমীয়া কবিতাৰ এই যাত্ৰাক আধুনিকতামুখী চিন্তাৰ বুৰবুৰণিৰে সমৃদ্ধ কৰিছিল লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰি ৰায়চৌধুৰী, প্ৰসন্নলাল চৌধুৰী, ডিম্বেশ্বৰ নেওগ, ৰত্নকান্ত বৰকাকতি, পাৰ্বতীপ্ৰসাদ বৰুৱা আদি বহুজনে। এইসকল কবি ৰমন্যাসিক কবি, কিন্তু কবিতাত মুকলি মন পশ্চিমীয়া শিক্ষা-সংস্কৃতিৰ প্ৰতি আগ্ৰহ, স্বদেশ-প্ৰীতি আৰু মানুহৰ জয়গান গোৱাৰ উদাৰ মানৱতামুখী দৃষ্টিকোণৰ বাবে এওঁলোকৰ কবিতাই আধুনিকতাৰ কাষ চাপিবলৈ পৰৱৰ্তী প্ৰজন্মৰ কবিসকলক প্ৰেৰণা যোগাইছিল। এইসকল কবিৰ সামাজিক দায়বদ্ধতা লক্ষ্য কৰি অসমীয়া কবিতাৰ কাহিনীত ভবানন্দ দত্তই লিখিছিল—“জোনাকী যুগত ইংৰাজী উদাৰ নৈতিক আৰু মানৱতাবাদী ভাবধাৰাই আমাৰ জাতিৰ ন-শিক্ষিত মধ্যবিত্ত যুবকসকলৰ প্ৰাণত চাঞ্চল্য আনি দিছিল, এক নৱজাগৰণৰ সম্ভাৱণা দেখা দিছিল। ....গোটেই অসমীয়া সমাজখনক তেওঁলোকে পুৰণি নানা কু-সংস্কাৰৰ পৰা মুক্ত কৰি উদাৰনৈতিক মানৱতাৰ ভেটিত গঢ়ি তুলিবলৈ বিচাৰিছিল”। সেই লক্ষ্য আৰু দৃষ্টিকোণৰ বাবেই দেৱকান্ত বৰুৱাৰ দৰে ৰমন্যাসিক কবিয়ে লিখি উলিয়াইছিল ‘আমি দুৱাৰ মুকলি কৰো’ৰ দৰে কবিতা, যাক আধুনিক অসমীয়া কবিতাৰ আৰম্ভণিৰ স্বৰ আখ্যা দিব পাৰি। এটা কথা মন কৰিবলগীয়া যে অসমীয়া আধুনিক মন আৰু অসমীয়া আধুনিক কবিতাৰ সৃষ্টিৰ আঁৰত অসমীয়া ভাষা সাহিত্যৰ অস্তিত্ব প্ৰতিষ্ঠাৰ দৰে সামাজিক কাৰণৰ ভূমিকা আছিল। অসমীয়া ৰমন্যাসিক কবিতাও তেনে এক সামাজিক প্ৰভাৱৰ বাবে বৰ বেছি ব্যক্তিমুখী

চৰিত্ৰৰ নাছিল। সেয়েহে দেৱকান্ত বৰুৱা, ৰত্নকান্ত বৰকাকতি, অম্বিকাগিৰি ৰায়চৌধুৰী আদি ৰমন্যাসিক কবিৰ কবিতাৰ মাজতো আধুনিকমুখী এক চৰিত্ৰ লক্ষ্য কৰা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

অসমীয়া কবিতাত আধুনিকতাৰ আগমণত কি কাৰকে প্ৰধানভাৱে ক্ৰিয়া কৰিছিল?

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ১.৪ আধুনিক অসমীয়া কবিতাৰ বিকাশত 'জয়ন্তী'ৰ অৱদান

আধুনিক অসমীয়া কবিতাৰ আৰম্ভণি সম্ভৱ হৈছিল সমাজবাদী বাস্তৱবোধ আৰু সাম্যবাদী প্ৰতিবাদী চিন্তাৰ প্ৰভাৱত। ভাৰতৰ স্বাধীনতা আন্দোলন আৰু দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱে অসমৰ সমাজ জীৱনকো বাস্তৱ জীৱন আৰু জগত সম্পৰ্কে সচেতন কৰি তুলিছিল। কবিতাক এক বাস্তৱমুখী দিশ দিবলৈ সামাজিক আৰু ৰাজনৈতিকভাৱে সচেতন লেখকসকল সংঘবদ্ধ হ'বলৈ আৰম্ভ কৰিছিল। ১৯৩৫ চনত ধীৰেন্দ্ৰনাথ দত্তৰ (১৯১০) 'অভিযান' নামৰ এখন কাব্যসংকলন প্ৰকাশ পাইছিল যিখন সংকলনৰ কবিতাসমূহে ৰোমাণ্টিক ভাববাদী চেতনাক সচেতনভাৱে বৰ্জন কৰিছিল। কঠোৰ বাস্তৱচেতনা, গদ্যছন্দৰ প্ৰয়োগ, প্ৰতিবাদী কণ্ঠৰে নতুন সময়ৰ সপোন দেখা এইজন কবিয়ে অসমীয়া আধুনিক কবিতাৰ দুৱাৰডলিত গুৰুত্বপূৰ্ণ কবি হিচাপে স্বীকৃতি পাইছে। তেওঁৰ কবিতাত তেতিয়াই শ্ৰেণী সংঘাতৰ চিত্ৰ, নাৰীমুক্তিৰ আশা আৰু নিষ্পেষিত শ্ৰমিকৰ অধিকাৰ সাব্যস্তৰ ৰাজনৈতিক সচেতনতা প্ৰকাশ পাইছিল। তেওঁৰ 'কাঠমিস্ত্ৰীৰ ঘৰ' আধুনিক অসমীয়া কবিতাৰ এটা গুৰুত্বপূৰ্ণ কবিতা বুলি চিহ্নিত হৈছে। কাব্যভাবনাৰ আধুনিক দৃষ্টিকোণ আৰু সামাজিক ভিত্তি যে এইজন কবিয়েই পোনপ্ৰথমে শক্তিশালী ৰূপত আহৰণ কৰিছিল তাত সন্দেহ নাই। ধীৰেন্দ্ৰ নাথ দত্ত আছিল 'জয়ন্তী'ৰ আগতেই কবিতা লিখিবলৈ লোৱা জয়ন্তী যুগৰ এজন বাটকটীয়া কবি। অসমীয়া আধুনিক কবিতাৰ ধাৰাটো এনে অনুপ্ৰেৰণাৰে সম্পূৰ্ণ অৰ্থত আৰম্ভ হৈছিল ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত ১৯৪৩ চনত জয়ন্তী আলোচনী প্ৰকাশ হোৱাৰ লগে লগে। (পযেকীয়া জয়ন্তীৰ প্ৰথম সংখ্যা প্ৰকাশ পাইছিল ১৯৩৮ চনত ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত)। জয়ন্তীৰ উদ্দেশ্য প্ৰথম সম্পাদকীয়তে 'ন্যায় সত্যৰ আদৰ্শ লৈ প্ৰগতিৰ বাৰ্তাবাহিকা' হোৱাৰ লক্ষ্য বুলি ঘোষণা কৰা হৈছিল। জয়ন্তীয়ে কবিতাৰ ক্ষেত্ৰত প্ৰগতিশীল দৃষ্টিভংগীৰ কবিতাক আগস্থান দি ভবানন্দ দত্তই লিখাৰ দৰে—"সপোন দেখা নিজানৰ কবিক তীব্ৰভাৱে আক্ৰমন কৰিলে।

ফলত উদীয়মান কবিসকলৰ মনত এটা উখল-মাখলৰ সৃষ্টি হ'ল। সেই সময়ৰ পৰা কবিতাত এটা বাস্তৱমুখী গতি আৰু পৰীক্ষা আৰম্ভ হ'ল" (অসমীয়া কবিতাৰ কাহিনী)। জয়ন্তীৰ ঔৰষত অসমীয়া আধুনিক কবিতাৰ আৰম্ভণি তেতিয়াই হৈছিল। জয়ন্তী যুগৰ গুৰুত্বপূৰ্ণ কবিসকল আছিল হেম বৰুৱা (১৯১৫-১৯৭৭), চক্ৰেশ্বৰ ভট্টাচাৰ্য (১৯১৬-১৯৬৯), ভবানন্দ দত্ত (১৯১৮-১৯৫৯), অমূল্য বৰুৱা (১৯২৪-১৯৪৬), বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য (১৯২৪- ), অজিৎ বৰুৱা (১৯২৬ - ), নৱকান্ত বৰুৱা (১৯২৬-২০০২), কেশৱ মহন্ত (১৯২৬-২০০৬), ৰাম গগৈ (১৯০২-১৯৯৪) আদি। জয়ন্তী যুগৰ কবিসকলৰ ভিতৰত আটাইতকৈ বলিষ্ঠ কণ্ঠ আৰু স্পষ্ট দৃষ্টিবোধৰ কবি আছিল অমূল্য বৰুৱা। অকালতে প্ৰাণ হেৰুওৱা অমূল্য বৰুৱাৰ কুকুৰ, বেশ্যা, বিপ্লৱী, কয়লাৰ দৰে মানৱতাবাদী প্ৰগতিশীল চিন্তাই অসমীয়া কবিতাৰ জগতলৈ নতুন চেতনাৰ আগমন ঘটালে। অমূল্য বৰুৱাৰ কবিতাই পোনপটীয়াকৈ সমাজ জীৱনৰ ওপৰত অৰ্থনীতিৰ প্ৰভাৱ আৰু মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱেৰে মধ্যবিত্তীয় অসমীয়া পটুৱৈক জোকাৰি যাব পৰাকৈ নিজৰ অভিজ্ঞতা আৰু কল্পনাৰ সংযোগেৰে নতুন ধাৰাৰ সূচনা হোৱাৰ সম্ভাৱনা দেখুৱাইছিল। জয়ন্তী যুগৰ আন এজন গুৰুত্বপূৰ্ণ কবি হ'ল ভবানন্দ দত্ত। ভবানন্দ দত্তই 'নাচিকেতা' ছদ্মনামেৰে কবিতা লিখিছিল। দৰ্শনৰ ছাত্ৰ আৰু মাৰ্ক্সীয় আদৰ্শৰ অনুৰাগী এইজন কবিয়ে কবিতাৰ চৰ্চাৰ সমান্তৰালভাবে কাব্য দৰ্শনৰো চৰ্চা কৰিছিল। তেওঁৰ কবিতাই অমূল্য বৰুৱাৰ দৰে গদ্যছন্দৰ পথ গ্ৰহণ কৰি অসমীয়া প্ৰগতিশীল কবিতাক 'ৰাজপথ', 'পাউদাৰ'ৰ দৰে কবিতাৰে সমৃদ্ধ কৰিছিল। ভবানন্দ দত্তৰ কবিতাৰ বাস্তৱবাদী চেতনাৰ আঁৰত দাৰ্শনিক বোধ আছিল। জয়ন্তী যুগৰ দুজন গুৰুত্বপূৰ্ণ কবি আছিল চৈয়দ আব্দুল মালিক আৰু মহেশ্বৰ নেওগ, দুয়োজনেই পৰৱৰ্তীকালত অন্য সাহিত্যৰ কথাশিল্পৰ পৰিচয়েৰেহে অধিক চৰ্চিত হৈছিল। ১৯৪১ চনত প্ৰকাশ পোৱা মহেশ্বৰ নেওগৰ 'অন্তজ্যা'ত মুক্তক ছন্দৰ প্ৰথম গুৰুত্বপূৰ্ণ অনুশীলন লক্ষ্য কৰিব পাৰি। নীলমনি ফুকনে 'কুৰি শতিকাৰ অসমীয়া কবিতা'ৰ আগকথাত লিখিছিল—"মুক্তক ছন্দৰ এনে অনুশীলনৰ যোগেদিয়েই আধুনিক অসমীয়া কবিতাৰ সূত্ৰপাত"। ঐতিহাসিক আৰু কলাত্মক কাৰণত মহেশ্বৰ নেওগৰ যিদৰে গুৰুত্বপূৰ্ণ ভূমিকা আছিল সেই একেই ভূমিকা এটা পৰ্যায়ত সমাজ সচেতনতাৰ স্পৰ্শ, গদ্য ছন্দৰ প্ৰভাৱ আৰু প্ৰগতিশীল দৰ্শনেৰে চৈয়দ আব্দুল মালিকৰ 'বেদুইন' (১৯৪৮)ৰ দৰে কাব্য গ্ৰন্থত উপলব্ধি কৰিব পাৰি। আধুনিক অসমীয়া কবিতাৰ ভেটি স্থাপন কৰাত এইসকল কবিৰ অগ্ৰণী ভূমিকা আছিল। জয়ন্তী যুগৰ এইসকল কবিৰ কবিতাত আদৰ্শকেন্দ্ৰিক চেতনাৰ প্ৰভাৱ আছিল বেছি যি চেতনাই ব্যক্তিমনৰ পৰিধিক সমাজলৈ বিস্তাৰ ঘটাইছিল।

### ১.৫ আধুনিক অসমীয়া কবিতাৰ প্ৰধান কবিসকল

জয়ন্তীৰ পাততেই কাব্যযাত্ৰা আৰম্ভ কৰা দুজন কবি হেম বৰুৱা আৰু নৱকান্ত বৰুৱাই পিছে জয়ন্তীৰ যুগ সচেতনতাতেই আবদ্ধ নাথাকি বিশ্ব সাহিত্যৰ প্ৰভাৱ আৰু

নতুন প্ৰসংগৰ উন্মোচনমুখী দৃষ্টিৰে অসমীয়া কবিতাক আধুনিকতাৰ বহল অৰ্থত সমৃদ্ধ কৰিলে। আধুনিক অসমীয়া কবিতাৰ বিস্তাৰৰ ক্ষেত্ৰত এইসকল কবিৰ অৱদান আৰু প্ৰভাৱৰ কথা অনুভৱ কৰি তেওঁলোকৰ বিষয়ে অলপ বিস্তাৰিত ভাবে তলত আলোচনা কৰা হ'ল।

### ১.৫.১ হেম বৰুৱাৰ কবিতা

অসমীয়া আধুনিক কবিতাৰ দুৱাৰ মুকলি আকাংক্ষা আৰম্ভ হৈছিল 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটোৰে। এই নামৰ কবিতাটোৰ প্ৰথমজন কবি আছিল দেৱকান্ত বৰুৱা—

'ভ্ৰমিলো বহুতো বাট
কিন্তু দুৱাৰ মুকলি ক'ত?
বন্ধ দেখো সকলো দুৱাৰ।
দুৱাৰ মুকলি মাথোঁ অচল ছবিৰ
কিতাপৰ দ'মত থকা নিকোলাচ ৰ'ৰিকৰ
এখনি ছবিৰ।
*(আমি দুৱাৰ মুকলি কৰোঁ)*

যৌৱনদীপ্ত বাক্য পঢ়ি আধুনিক অসমীয়া কবিতাৰ দুৱাৰ মুকলি দেৱকান্ত বৰুৱাৰ এই কবিতাটোতেই যেন লাগিছিল। ইয়াৰ বিপৰীতে হেম বৰুৱাৰ দুৱাৰ মুকলি কৰাৰ কবিতা আছিল তেওঁৰ আন বহুতো কবিতাৰ দৰে সমাজবাদী দৰ্শনেৰে প্ৰভাৱিত, বৈচিত্ৰ্যপ্ৰিয় স্বভাৱৰ বাবে অনেক ভাবৰ অনুৰণনৰে যুক্ত আৰু এলিয়টী ভংগীৰ নাটকীয়তা আৰু বক্ৰোক্তিৰে ৰোমাণ্টিক কবিতাৰ গতানুগতিকতাৰপৰা মুক্ত।

'আমি দুৱাৰ মুকলি কৰোঁ'— দুৱাৰ মুকলি ক'ত?
দুৱাৰ মুকলি কৰে কোনে?
যৌৱনৰ বিয়লি বেলিকা কৃত-যোদ্ধা অৰ্জুনেও কান্দিছিল
ইনাই-বিনাই
দুচকু উপচি তাৰ বৰষাৰ ধল।
এচিয়াৰ আকাশত শগুণৰ দল
বুৰঞ্জীৰ বালিভেটা ভাঙি বাজে
পদধ্বনি। কাৰ পদধ্বনি?
পৃথিৱীৰ ছোঁঘৰত কত যদুকুল
জীয়ে মৰে। মৰে জীয়ে।
আৰু ফছিল হৈ যায়।
দুৱাৰ মুকলি ক'ত? দুৱাৰ মুকলি কৰে কোনে?

যুগৰ মামৰে খোৱা দুৱাৰ-ডলিত।'
*(আমি দুৱাৰ মুকলি কৰোঁ)*

যিবোৰ লক্ষণৰ বাবে হেম বৰুৱাৰ কবিতাই অসমীয়া কবিতাক ৰোমাণ্টিকতাৰ সীমাবদ্ধতাৰপৰা মোকলাই আনিছিল, সেই একেবোৰ লক্ষণেই কবি হেম বৰুৱাৰ সীমাবদ্ধতাৰ কাৰণ হৈ পৰিছিল বুলি বহুতে ক'ব খোজে। এই অভিযোগ তেনেই উলাই কৰিব পৰা নহয়। ইয়াৰ লগতে লগ লাগিছিল কবিৰ সজ্ঞান সচেতনতা যাক তেওঁ নিজেও স্বীকাৰ কৰিছিল এই বুলি 'সমালোচক মোৰ মনটোৱে প্ৰায়েই সৃষ্টিযুগৰ মনটোক ভেটা দিয়ে।' কবিয়ে উপলব্ধি কৰিছিল কবিতাৰ জীৱনস্পন্দন সমাজৰ বুকুত জীপ লোৱা বস্তু। এই উপলব্ধিৰে হেম বৰুৱাই কবিতা লিখিবলৈ লোৱাৰ সময়ত অসমীয়া কবিতাৰ জগতখনৰ প্ৰতি থকা তেওঁৰ দৃষ্টিভঙ্গীত নতুনত্বৰ বাৰ্তাবাহী কাব্য জিজ্ঞাসা আৰু পৰিৱৰ্তনকামী মানসিকতাৰ উন্মেষৰ কাৰণ বিচাৰি পাব পাৰি....

> "আমাৰ বৰ্তমান কবিতাৰ পূৰ্বৱৰ্তী কালছোৱাৰ কথা চিন্তা কৰিহে কবিতা লেখিবলৈ ওলাইছোঁ। এই চিন্তা ইংৰাজী লগতে ইংৰাজীতে ওলোৱা ৰুচ, ফৰাচী আৰু জাৰ্মান কবিতা অধ্যয়নে প্ৰখৰ কৰি তুলিছিল। আমাৰ আগৰ কালছোৱা ৰঘু চৌধুৰী, যতীন দুৱৰা, গণেশ গগৈ আদিৰ কাব্য প্ৰতিভাই বিশেষকৈ আচ্ছন্ন কৰি থৈছিল। সঁচা কথা— এই যুগৰ প্ৰতিজন কবি, শিল্পীৰে আমাৰ কাব্য বুৰঞ্জীলৈ একোটা শকত বৰঙণি আছে। তথাপি পৰৱৰ্তী কালছোৱাত এইসকলৰ মন আমনি লগা প্ৰতিধ্বনিৰ বাহিৰে নতুনত্বৰ কোনো স্বাক্ষৰ নাই বুলিব পাৰি। ভাবধাৰাৰো নাই। প্ৰকাশ ধাৰাৰো নাই।........ কাব্য জীৱন ক্ৰমাৎ স্থবিৰ হৈ আহিছিল। জীৱনৰ গতিশীল ৰূপ হেৰাই গৈছিল। এই কালছোৱাতেই আনহাতে বিশ্বৰ কাব্য বুৰঞ্জীত নতুন এক হিল্লোলৰ শিহৰণ উঠিছিল।"

এই উপলব্ধিৰে হেম বৰুৱাৰ বহুতো পংক্তি আজিৰ সময়ত আধুনিকতাবাদৰ আকাংখ্যাৰে বিদেশী কবিতাৰ নিষ্ফল অনুসৰণ যেন লাগিব পাৰে ঃ

"ঘোলা কণীৰে সেকা
অমলেটৰ দৰে
ৰ'দে পোৱা নগ্ন এই পৃথিৱী"
*(জীৱনৰ ৰং)*

"এদিন
অকস্মাতে সাৰ পাই উঠি
আকাশত দেখিছিলোঁ সেন্দূৰ ফোঁটৰ দৰে

কদাকাৰ এটা জোন”
*(প্ৰতিধ্বনি)*

কিন্তু সেই সময়ৰ অসমীয়া কবিতাক চলিত নিস্তেজ-নিস্তব্ধ ধাৰাটোৰপৰা উলিয়াই আনিবলৈ হেম বৰুৱা কিমান তীব্ৰভাৱে আগ্ৰহী আছিল, তাৰ উদাহৰণো জানো এনে পংক্তিবোৰেই হ'ব নোৱাৰে? হেম বৰুৱাৰ তেনে এক সামাজিক হিতবাদী মানসিকতা নথকা হ'লে কবি হিচাপে হেম বৰুৱাৰ আৰু হয়তো উত্তৰণ ঘটিলেহেঁতেন কিন্তু আধুনিক অসমীয়া কবিতাৰ দুৱাৰ মুকলি পৰ্ব পিছুৱাই গ'লহেঁতেন।

কিছু সীমাবদ্ধতা সত্বেও নতুন দৃষ্টিকোণ আৰু উপলব্ধিৰে বিশালতাক আয়ত্ত কৰাত হেম বৰুৱা আগ্ৰহী আছিল। অমূল্য বৰুৱা আৰু ভবানন্দ দত্তৰ অৱদানক স্বীকাৰ কৰিও ক'ব লাগিব অসমীয়া কবিতাত নাগৰিক চেতনাৰ আগমন হেম বৰুৱাৰ কবিতাৰ জৰিয়তেহে ঘটিছিল। নাগৰিক মানসিকতা আৰু আধুনিক দৃষ্টিৰ সংলগ্নতাইৰ হেম বৰুৱাৰ কবিতাত যিদৰে ‘ঘোলা কণীৰে সেকা অমলেটৰ দৰে ৰ'দ পোৱা নগ্ন এই পৃথিৱীৰ গোন্ধ’ জাতীয় বাক্য আছে একেটা কবিতাতেই ‘জীৱন উৰলি যায় মৃত আকাশৰ ছাঁ আৰু পোহৰৰ মোহনা মুখত'ৰ দৰে নিৰ্ভেজাল কবিতাৰ শাৰীও আছে। নাগৰিক জীৱন চেতনাৰ ব্যক্তিকেন্দ্ৰিকতাক অস্বীকাৰ কৰা হেম বৰুৱাৰ কবিতাৰ প্ৰেৰণা জীৱনৰ মূল্যবোধ হোৱা হেতুকে হেম বৰুৱাৰ কবিতা দূৰান্তৰৰ অনুসন্ধান নাছিল। আপাত দৃষ্টিত গদ্যমূলক ভাষাৰ কবি হেম বৰুৱাই সেই বাবে আত্মাৰ স্বৰক কবিতাত ধৰি ৰাখিব পাৰিছিল। নঞৰ্থক দৃষ্টিকোণ আৰু সমালোচনাত্মক ভংগীত আৰম্ভ হোৱা কবিতাবোৰ সেয়েহে শেষ হৈছিল তীব্ৰ আশাবাদত। হেম বৰুৱাৰ কবিতাত মানুহৰ সৃষ্টিধৰ্মী শক্তিৰ বন্দনা লক্ষ্য কৰা যায়। হেম বৰুৱাৰ কবিতাত এলিয়টৰ যি প্ৰভাৱৰ কথা কোৱা যায় সেয়া সম্পূৰ্ণ rhetorical বুলি অনুভৱ কৰোঁ। এলিয়টৰ প্ৰুফকীয়া ক্ষয়িষ্ণুতা তেওঁৰ কবিতাত নাই। তেওঁৰ কবিতা আছিল সামাজিক চেতনাবোধৰ, বৌদ্ধিক জিজ্ঞাসাৰ আৰু জাগতিক মানসিকতাৰ কবিতা।

### **১.৫.২ নৱকান্ত বৰুৱাৰ কবিতা**

আধুনিকতাৰ অনুগামী প্ৰথমচাম অসমীয়া কবিসকলৰ ভিতৰত নৱকান্ত বৰুৱা অন্যতম। এইখিনিতেই তেওঁৰ পূৰ্বসুৰী আৰু সমসাময়িক আন কেইজনমান কবিৰ প্ৰসঙ্গও আহে, তেওঁলোক হ'ল— ভবানন্দ দত্ত, অমূল্য বৰুৱা, হেম বৰুৱা আৰু অজিৎ বৰুৱা। নৱকান্ত বৰুৱাক লৈ এই আটাইকেইজন প্ৰতিভাৱানৰ উমৈহতীয়া বুলিব পৰা বৈশিষ্ট্যটো আছিল— এই আটাইকেইজনে কলিকতাত একো একোটা পৰ্যায়ত শিক্ষা লাভ কৰিছিল। সময় আছিল দ্বিতীয় মহাযুদ্ধৰ পিছৰ কালছোৱা। আধুনিক অসমীয়া কবিতাৰ পৃষ্ঠভূমি আৰু বৌদ্ধিক উৎসৰ প্ৰসংগ আহিলে আমি কোনোটো কাৰণতে কলিকতা চহৰখনক এৰিব নোৱাৰোঁ। কিন্তু এই কলিকতা লক্ষ্মীনাথ-চন্দ্ৰকুমাৰ-হেমচন্দ্ৰৰ

কলিকতা নগৰখন নাছিল। কলিকতাৰ সেই সময়ৰ সামাজিক অৱস্থাটোৱে ক্ষয়িযুঞ নগৰকেন্দ্রিক জীৱন-চেতনাকহে প্রতিফলিত কৰিবলৈ লৈছিল। আমাৰ বিশ্বাস, অসমীয়া কবিতা আধুনিকতালৈ গতি কৰিবৰ কাৰণে বেজবৰুৱা-চন্দ্রকুমাৰৰ 'জোনাকী সংস্কৃতি'ৰ ভাবধাৰাৰ পৰিৱৰ্তন হোৱাটো দৰকাৰী আছিল আৰু সেইবাবেই কলিকতাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰিৱৰ্তন হোৱাটো অসমীয়াৰ কবিতাৰ উত্তৰণৰ ক্ষেত্ৰত সদৰ্থক হৈ পৰিছিল।

কলিকতাৰ জীৱনৰ সামাজিক আৰু বৌদ্ধিক প্ৰভাৱ আন তিনিজন বৰুৱাৰ দৰে নৱকান্ত বৰুৱাৰ ওপৰতো পৰিছিল। কিন্তু কলিকতালৈ যাত্ৰা কৰোঁতেই নৱকান্ত বৰুৱাই তিনিটা বস্তু লগত লৈ গৈছিল, যি তিনিটাৰ গুৰুত্বৰ আধিক্যৰ বাবে কলিকতাৰ জীৱনটোৱে নৱ বৰুৱাৰ সন্মুখত বেলেগ ৰূপত ধৰা দিছিল। সেই তিনিটা বস্তু আছিল— কৈশোৰৰ নগাঁৱৰ পৰিৱেশ আৰু বংশ ঐতিহ্য, দেৱকান্ত বৰুৱাৰ সান্নিধ্যৰ প্ৰভাৱ আৰু ৰত্নকান্ত বৰকাকতিৰ জৰিয়তে দৰ্শনৰ প্ৰতি আগ্ৰহ আৰু ধাৰণা। এই তিনিটা কথাৰে সমৃদ্ধ হোৱাৰ পিছত শান্তি নিকেতনৰ পৰিৱেশে নৱকান্তৰ একাত্মতা আৰু নিজ সত্তাক হঠাতে জোকাৰিব নোৱৰাটোৱেই স্বাভাৱিক কথা আছিল।

যৌৱনৰ আৰম্ভণিতেই মুখামুখি হোৱা নৱকান্ত বৰুৱাৰ পৃথিৱীখন আছিল অৰণ্য আৰু মহানগৰৰ মাজৰ পৃথিৱীখন। ক্ৰমাগতভাৱে সেই অৰণ্য হেৰাবলৈ ধৰিছিল মহানগৰীৰ কংক্ৰীট দৈহিকতাত। এই বাহ্যিক পৰিৱেশ-পৰিক্ৰমাই নৱকান্তৰ মানসিকতাকো পৰিচালিত কৰিছিল— জন্ম দিছিল তেওঁৰ মানসিক দ্বন্দ্বৰ। ইতিমধ্যে নগৰীকৰণে আনি দিয়া পৰিৱৰ্তনৰ সেই প্ৰলেপটোৱেই অসমীয়া কবিতাৰ আধুনিকতাৰ এটা গ্ৰহণযোগ্য দিশ বিচাৰিবলৈ আৰম্ভ কৰিছিল। নৱকান্তৰ ক্ষেত্ৰত ইয়াৰ সৈতে লগ লাগিছিল তেখেতৰ জ্ঞানপিপাসু মনটো যাৰ বাবে অসমীয়া কবি এজনৰ ক্ষেত্ৰত সততে দেখিবলৈ নোপোৱা বৈচিত্ৰ্য আৰু বিদগ্ধতাৰ সমাহাৰ নৱকান্তৰ কবিতাত বিচাৰি পাওঁ। নৱকান্তৰ উত্তৰসূৰীসকলক পিছে কবি নৱকান্তৰ বিদগ্ধতাই পৰিচালিত কৰাতকৈ বৈচিত্ৰ্যইহে উৎসাহিত কৰিছিল। সেই সময়ত ইলিয়টৰ কবিতা পঢ়ি উল্লাসিত হৈ থকা কাব্যমোদী আৰু পৰৱৰ্তী সময়ৰ এক সংখ্যক কবিৰ বাবে জয়ন্তী যুগৰ প্ৰগতিবাদী চিন্তা বা অজিৎ বৰুৱাৰ 'মন কুঁৱলী সময়' আৰু 'দুখৰ কবিতা'ৰ দৰে সৃষ্টিতকৈ নৱকান্তৰ কবিতা অধিক বোধগম্য, আকৰ্ষণীয় আৰু সেই বাবেই অনুকৰণযোগ্য হোৱাটো স্বাভাৱিক আছিল। আজি অনুভৱ কৰিছোঁ অসমীয়া কবিতাৰ উৎকৰ্ষৰ বাবে ই প্ৰয়োজন আছিল।

শান্তি নিকেতনত তিনিটা বছৰ কটোৱাৰ বাবেই যদিও নৱকান্ত বৰুৱাৰ কবিতাৰ ওপৰত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ পৰিছে বুলি ভাবিবলৈ এটা সহজ সুযোগ পোৱা যায় তথাপি তেওঁৰ কাব্য-পৰিক্ৰমাত আনকি গীতসমূহতো ভৱানন্দ দত্ত বা পাৰ্বতিপ্ৰসাদৰ দৰে ৰবীন্দ্ৰ-চেতনাৰ প্ৰভাৱ চকুত পৰা বিধৰ নোহোৱাটো মন কৰিবলগীয়া। ৰবীন্দ্ৰনাথৰ লগত তেওঁৰ কবিতাৰ ওচৰ সম্পৰ্ক আছিল ভাষাগত ৰূপতহে, ভাবগত অৰ্থত নহয়। ৰবীন্দ্ৰনাথৰ প্ৰতি তেওঁ আকৰ্ষিত হৈছিল কলিকতালৈ যোৱাৰ আগতেই— অসমত থাকোঁতেই, ৰত্নকান্ত বৰকাকতিৰ কবিতা পঢ়ি। গতিকে ৰবীন্দ্ৰনাথতকৈ ৰত্নকান্ত

বৰকাকতিৰ কবিতা ঐহিক দিশটোৱে নৰকান্তৰ কিশোৰ মনত অধিক ৰেখাপাত কৰিছিল বুলি ভাব হয়। যিকোনো বিষয়ৰ প্ৰতি আত্মিক অনুসন্ধান নৰকান্ত বৰুৱাৰ আৰম্ভণিৰ পৰা আছিল। তেওঁৰ আৱিষ্কাৰধৰ্মী প্ৰসাৰমুখী উঁহ নগাঁৱত থাকোঁতে লিখা এনেবোৰ কবিতাত বিচাৰি পাব পাৰি—

মোক লৈ যোৱা সেই আদিম মানুহৰ মাজলৈ
য'ত আদম হাৰাই গিয়ান গছৰ
গুটি খোৱা নাই তেতিয়াও
গানৰ সুৰৰ নাম হোৱা নাই সৃষ্টি
যদিও আকাশ বতাহ আছিল
সুৰৰ সুৰাৰে উপচি পৰা।
মোক লৈ যোৱা য'ত কোনেও কবিতা লেখা নাই
মন থাকিলেও নাই য'ত
চাইকল'জিৰ বিকাৰ (১৯৪৫)

কবিৰ বাবে স্বাভাৱিক কবিতা লিখাৰ মানসিক সন্তুষ্টি নৰকান্ত বৰুৱাৰ আৰম্ভণিৰে পৰাই নাছিল। পিছলৈ যেতিয়া নৰকান্তই কলিকতাৰ জীৱনটোত প্ৰৱেশ কৰিলে, তেতিয়াৰ পৰা অভিজ্ঞতা আৰু পাৰিপাৰ্শ্বিক পৰিৱৰ্তনৰ বাবে তেওঁৰ চেতনাৰ দোমোজাৰ পৰ্বটো আৰম্ভ হ'ল। এই দোমোজা দৰাচলতে অসমীয়া মধ্যবিত্তৰ শ্ৰেণী-চৰিত্ৰতেই দেখা পোৱা দোমোজা। এই মানসিক দোমোজাত বাস কৰা ননকান্তৰ কাব্য- দৰ্শনে সেই সময়ত নিজা খোপনিৰ সন্ধানত ৰবীন্দ্ৰনাথৰ দৰ্শনৰ কাষ চপাটো স্বাভাৱিক আছিল। কিন্তু ৰবীন্দ্ৰনাথক কেন্দ্ৰ কৰি চলি থকা কলিকতাৰ বৌদ্ধিক মূল্যবোধেৰে পৰিচালিত পৰিৱেশ আৰু দ্বিতীয় বিশ্বযুদ্ধই আনি দিয়া চহৰখনৰ দ্ৰুত পৰিৱৰ্তনশীল ক্ষয়িযুও বাহ্যিক অৱস্থাৰ মাজত আকাশ-পাতাল পাৰ্থক্য থকা সময়টোহে নৰকান্তৰ আৰম্ভণিৰ আধুনিক কবিতাবোৰৰ প্ৰকাশভংগীৰ পৃষ্ঠভূমি আছিল। আৰু তাৰ লগত লাগিছিলহি তেওঁৰ এই দৃষ্টিকোণ ঃ 'মোৰ elemental loneliness এটা আছে। গতিকে মই বস্তুবোৰ detouched হৈ চাব পাৰিছিলোঁ। সন্দেহ নাই, এই দূৰত্বই নৰকান্তক প্ৰদান কৰিছিল পৰীক্ষক আৰু বিশ্লেষকসুলভ দৃষ্টি। এই পৰীক্ষক আৰু বিশ্লেষকসুলভ দৃষ্টিকোণে নৰকান্তক জাগতিক জীৱনটোৰ দৃশ্যময় আৰু ৰহস্যময় স্বৰূপটোৰ অধিক কাষ চপাইছিল। শান্তি নিকেতনত থাকোঁতে তেওঁৰ দুটামান কবিতা আছিল সেয়েহে এনে ধৰণৰ—

এদিন আমি নাৱৰে গৈছিলোঁ
গংগাৰ বুকুৰে
চিৰাজৰ কবৰৰ ওপৰেদি ওলাইছিল
জাৰকালিৰ হালধীয়া জোনটো
মনত আছে আমি কথা পাতিবৰ চেষ্টা কৰিছিলোঁ
বতাহে আমনি কৰা নাছিল যদিও

কোনেও কাৰো কথা শুনা নাছিলোঁ
আকাশখন কেনেকুৱা আছিল মনত নাই
আকাশ এখন হ'লে আছিল (১৯৪৫-৪৬)

মই কেতিয়া ভাল পাম
কবিতা লেখিম কেতিয়া
অনুভা
ঈশ্বৰ এটা দিয়া
ভাবিবলৈ মোক ঈশ্বৰ এটা দিয়া
পলাবলৈ এটা ঈশ্বৰ (১৯৪৫)

এই নিজস্বতাই নৰকান্তক যিদৰে বিশাল ৰবীন্দ্ৰ- প্ৰতিভাত জাহ যোৱাৰ সম্ভাৱনাৰ পৰা ৰক্ষা কৰিছিল, সেইদৰে সেই একেটা কথায়েই কবি নৰকান্তৰ কবিতাক জীৱনৰ বাস্তৱ সত্যতা তথা সৎ সমজুৱা উপলব্ধিৰ স্পষ্ট প্ৰতিফলন কৰি নৰখাত নৰকান্তৰ কবিতা সম্পৰ্কত বহুতৰে অভিযোগ উঠিছিল। সেই সচেতনতা নৰকান্তৰো আছিল বাবে তেওঁ লিখিছিল— 'আপোনাসকলে সম্ভৱতঃ কোৱা শুনিছে, ময়ো শুনিছোঁ, সাহিত্য আদি শিল্পকৰ্ম হেনো সমাজৰ দাপোণ। কিন্তু দাপোণৰ নিৰ্বিকাৰ প্ৰতিফলনেই জানো যথেষ্ট?' ১৯৮৩ চনত প্ৰগতিশীল লেখক-শিল্পী সমাজৰ ৰাজ্যিক অধিৱেশনৰ সভাপতিৰ ভাষণত নৰকান্ত বৰুৱাই লিখা এই কথাকেইটা কবিক বুজিবৰ বাবেই মন কৰিবলগীয়া— "আকৌ শুনিছোঁ সাহিত্য আদি কলাকৃতি সমাজ সচেতন হ'ব লাগে। এখন সমাজৰ সভ্য হিচাপে শিল্পীয়ে সমাজৰ এটা বিশেষ চাহিদা পূৰাব, উৎপাদন, বিতৰণৰ এই সূত্ৰটো কলাকৃতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি নে নোৱাৰি সন্দেহ। পণ্য সামগ্ৰীৰ দৰে কলাকৃতিৰ ক্ষেত্ৰত উৎপাদন প্ৰয়োজনৰ ভাৰসাম্য নথকাটোৱেই স্বাভাৱিক, কাৰণ শিল্পীৰ তেনেক্ষেত্ৰত ব্যক্তি- স্বাধীনতাৰ অভাৱ ঘটিব আৰু বজাৰনিয়ন্ত্ৰক গোষ্ঠীয়ে (বণিজেই হওক বা প্ৰত্যক্ষ বা পৰোক্ষ শাসকেই হওক) সৃষ্টি কৰিব কৃত্ৰিম বজাৰ তাৰ বাবে 'শিল্পীমন্য' এচাম কলাকাৰৰ। তেনেকুৱা সময়তে শিল্পীক ৰঙীণ চছমা পিন্ধোৱা হয়, তৎকালিন ক্ষুদ্ৰ সমস্যাকে চকুৰ নিচেই কাষত দাঙি ধৰি দৃষ্টিক বাধা দি বৃহত্তৰ মানৱীয় পৰিপ্ৰেক্ষিতত নষ্ট কৰি পেলাবৰ চেষ্টা কৰা হয়। শ্লোগানেই তেতিয়া গান হয়, পষ্টাৰেই হয় চিত্ৰকলা। মাৰণ উচাটনৰ মন্ত্ৰৰ পৰ্যায়ত উপনীত হয় কবিতা। বাস্তৱ জীৱনত কদৰ্যতাখিনি সযতনে ৰক্ষা কৰা হয় তাহানি ধৰ্মই দেখুওৱা স্বৰ্গৰাজ্যৰ সপোনকে নতুন সাজত সজাই দেখুৱাবৰ বাবে— উপন্যাসত, মঞ্চত, পৰ্দাত।" নৰকান্ত বৰুৱাই বিশ্বাস কৰিছিল সামাজিক প্ৰাণী হিচাপে শিল্পী সমাজৰ অন্তৰ্ভুক্ত, কিন্তু শিল্পৰ পৃথিৱীখনৰ তেওঁলোকেই নিৰ্মাতা। লেখক-শিল্পীৰ স্বাধীনতা স্বীকাৰ কৰি নল'লে লেখক-শিল্পীক গোট বা গোষ্ঠীৰ শ্ৰুতলিপি লেখকৰ পৰ্যায়লৈ লৈ অহা হ'ব। কিন্তু নৰকান্তই বুজিছিল— অৱশ্যে এই কথা ক'ব নোৱাৰি যে শৃংখল ছিঙিলেও শিল্পীয়ে বন্ধন নামানে। দুটা বন্ধনতেই দৰাচলতে শিল্পৰ স্ফুৰণ— 'নিজস্ব মাধ্যমৰ স্বধৰ্মৰ প্ৰতি আনুগত্য আৰু সামূহিক মানৱীয় প্ৰমূল্যৰ প্ৰতি

দায়িত্ব।' স্বধৰ্মৰ প্ৰতি আনুগত্য নন্দনতাত্ত্বিক আৰু মানৱীয় প্ৰমূল্যৰ প্ৰতি দায়িত্ব ঐতিহাসিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। নৰকান্তই স্পষ্টকৈ কৈছিল— 'এই ঐতিহাসিক পৰিপ্ৰেক্ষিততেই আমি আমাৰ সমসাময়িক জীৱন চাবলৈ শিকিব লাগিব।' উপলব্ধিৰ এনে স্বাধীন বিস্তৃতি আদৰ্শগত হোৱাতকৈ দৰ্শনগত আছিল, সেয়েহে নৰকান্তৰ কবিতাই আমাক জনোৱাতকৈ ভাবিবলৈ আৰু প্ৰশ্ন কৰিবলৈ বাধ্য কৰাব পাৰিছিল। নৰকান্তৰ প্ৰায় প্ৰতিটো কবিতাতেই আছিল প্ৰশ্নবোধক চিন, এয়া কবিৰ বাবে প্ৰশ্ন নহয়, অৰ্থৰ নিৰ্দিষ্টতাক অতিক্ৰমি যাত্ৰা কৰাৰ হেঁপাহহে। অনিৰ্দিষ্টতাৰ প্ৰতি এই আগ্ৰহ অনিৰ্ণেয়তাৰ হতাশা নহয়। নৰকান্তৰ মহত্ত্ব আৰু নিজস্বতা তাতেই। ড° হীৰেন গোহাঁয়ে লিখিছিল— 'অৰ্থ আৰু অনৰ্থ নামে ১৯৫৮ কি ১৯৫৯ চনত প্ৰকাশিত এটা সমালোচনামূলক প্ৰবন্ধত মই সমসাময়িক সকলো আধুনিক অসমীয়া কবিৰ ভিতৰত নৰকান্ত বৰুৱাকে সকলোতকৈ তাৎপৰ্যপূৰ্ণ বুলি দ্বিধাহীন মন্তব্য কৰিছিলোঁ। ...ভাবিলে ভাল লাগে, যোৱা অৰ্ধশতিকাৰ অন্যতম শ্ৰেষ্ঠ কবিৰ বাবে কাব্যচৰ্চা সামাজিকতাৰ পৰা পৃথক নাছিল।'

তেওঁৰ কবিতাবোৰ সময় অনুযায়ী মনত পেলালে (চল্লিশৰ দশকৰ 'এন্ধাৰ ৰাতিৰ ইলিজী', 'চাৰ্বাক', 'ক্ৰমশ', 'বুদ্ধ পূৰ্ণিমা'; পঞ্চাশৰ দশকৰ 'হে অৰণ্য হে মহানগৰ', 'সৰ্বংপ্ৰাণ এজতি', 'পলস', 'মহাকাব্যৰ পাণ্ডুলিপি', 'বোধিদ্ৰুমৰ খৰি', 'নৰকত ডনজুৱান', 'মনত পৰেনে অৰুন্ধতী'; ষাঠিৰ দশকৰ 'ৰাৱণ', 'সম্ৰাট', 'খিৰিকী কাষৰ ছবি', 'ইয়াত নদী আছিল'...) তেওঁৰ মহত্ত্ব বুজি পোৱা যায় তেওঁৰ কবিতাৰ সাম্প্ৰতিক অৰ্থবহতাত। নৰকান্তই বুজিছিল কবিতা সমতলৰ মাধ্যম নহয়। সেয়েহে তেওঁ লিখিছিল— 'যি মানসিক বাতাৱৰণত এইবোৰৰ জন্ম— তাৰ প্ৰত্যেকটো মুহূৰ্তই যেন মোৰ মানত সংকটৰ মুহূৰ্ত আছিল।' এই সংকট মানৱ আৰু মানৱীয়তাৰ সংকট, এই সংকট সীমাবদ্ধতাৰ যন্ত্ৰণাৰ সংকট, যাক গ্যটে আৰু হুইটমেন অনুৱাদ কৰা নৰকান্তইহে কঢ়িয়াব পাৰে।এনে মুহূৰ্তত ৰূপান্তৰ আৰু পুনৰনিৰ্মাণত বিশ্বাসী হোৱা বাবে কবিৰ ভাবালুপতা বাস্তৱ হৈছে, বাস্তৱৰ দাপোণ হোৱা নাই। নৰকান্তই নিজেই এবাৰ লিখিছিল— 'মোৰ দুৰ্বলতা—ভবাৰ আগতেই মই কথা কৈ দিওঁ।' সেইবাবেই হয়তো আমি ভবাৰ সীমাবদ্ধতাৰে নৰকান্তক বিচাৰ কৰি একেজন কবিৰ কবিতাত কেনেকৈ বিজ্ঞান আৰু ঈশ্বৰ বিশ্বাস একে সময়তে থাকে আমি ভাবি আচৰিত হওঁ। মানুহৰ অস্তিত্ব আৰু বোধজনিত বহুতো প্ৰশ্ন সুধি চাবলৈকে স্থূল প্ৰাত্যহিকতা আৰু সমস্যাৰ বিষয়ে শেষ কথা কোৱা সকলক পুতৌ কৰা নৰকান্তই কবিতাক সংযোগৰ পৰিৱৰ্তে বিসংযোগৰ মাধ্যম কৰি কবিতাক ভাবৰ খেল নকৰি কথাৰ খেল কৰি তুলিছিল। *মোৰ আৰু পৃথিৱীৰ* আগকথাত নৰকান্তই লিখিছিল— 'কবিতা যেন সমতলৰ মাধ্যম নহয়। সেইবাবে মাজে মাজে মোৰ মন যায় কোনো এটা সমতলৰ মাধ্যম বিচাৰি ল'বলৈ। সমতলত সংযোগ সহজ। মোৰ উপন্যাস দুখনে মোক সেই আশ্বাস দিব খুজিছে।'

সেইবাবেই হয়তো নৰকান্ত বৰুৱাৰ উপন্যাস কাব্যিক, কিন্তু কবিতা সদায় আধুনিক। তেওঁৰ উপন্যাসবোৰ বিৱৰণীৰ, কবিতাবোৰ কিন্তু লিৰিকেল নহয়। আগবয়সত মৃত্যুক ওচৰৰ পৰা দেখা নৰকান্তৰ বুদ্ধ চেতনা ভৱেন বৰুৱাই লেখাৰ দৰে মৃত্যু-চেতনাৰ

ৰূপান্তৰ আছিল। কিন্তু মৃত্যু চেতনাই বুদ্ধ চেতনাৰ আৰম্ভণিহে ঘটাইছিল। পৰৱৰ্তী সমৃদ্ধি আৰু বিস্তৃতি ঘটিছিল জীৱন-উৎকণ্ঠা আৰু প্ৰজ্ঞাসন্ধানী মনটোৰ বাবেহে। জীৱনৰ নিৰংকুশ সমগ্ৰতাক স্বীকাৰ কৰা কবিৰ কবিতা প্ৰত্যাশাৰ সন্দেহ আৰু সংশয়ৰে আধুনিক, নিজক দূৰবীণৰ ওলোটা ফালেৰে চাব পৰাকৈ মুক্ত, দলং আৰু সাঁকোৰে নিজক অতিক্ৰমি যোৱাৰ হেঁপাহেৰে বিশাল।

হেম বৰুৱা আৰু নৱকান্ত বৰুৱাৰ পিছতেই অজিৎ বৰুৱা, বীৰেশ্বৰ বৰুৱা, নীলমণি ফুকন, হীৰেন ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ, হীৰেন্দ্ৰনাথ দত্ত, ভবেন বৰুৱা, হৰেকৃষ্ণ ডেকা আদি কেইবাজনো কবিয়ে অসমীয়া কবিতাৰ আধুনিক চৰিত্ৰটোৰ নতুন চিন্তা-চেতনাৰে উন্মোচন কৰি আহিছে। এই সকলৰ ভিতৰত অজিৎ বৰুৱা, নীলমণি ফুকন আৰু হীৰেন ভট্টাচাৰ্যই বিশেষ গুৰুত্ব দাবী কৰে। আধুনিক অসমীয়া কবিতাৰ সৃষ্টি আৰু উত্তৰণত এইসকল কবিৰ ভূমিকা অপৰিসীম। তেওঁলোকৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল।

**১.৫.৩ অজিৎ বৰুৱাৰ কবিতা**

সাহিত্য অকাদেমি বঁটা গ্ৰহণ কৰি দিয়া ভাষণত অজিৎ বৰুৱাই কৈছিল— 'মোৰ এনে কোনো মত প্ৰচাৰৰ উদ্দেশ্য অৰ্থাৎ মিশ্যন নাই যাক মই মোৰ লেখাৰ মাজেদি সাধন কৰিব খোজোঁ। আৰু জীৱনৰ কোনো বাণীও নাই যাক মই ৰাইজৰ আগত স্থাপন কৰিব বিচাৰোঁ। সেই কাৰণে স্বাভাৱিকভাৱে সাহিত্য ৰচনা কৰি লোকচান ভৰিবলৈ মই অনিচ্ছুক।' অজিৎ বৰুৱা একমাত্ৰ অসমীয়া কবি যি কিয় কবিতা লিখে সেই প্ৰশ্নৰে নিজকে নিজে বহুবাৰ জবাবদিহি কৰিছে। নিজৰ কবিতাৰ মাত্ৰা সম্পৰ্কত তেওঁৰ সন্দেহ নাছিল, কিন্তু কোনো কথাকেই দ্বিৰুক্তি-পুনৰুক্তি নকৰাৰ সচেতনতা থকাৰ বাবে কবিতাক লৈ অসন্তুষ্টি আছিল। তেওঁৰ কবিতাৰ তীক্ষ্ণ সংবেদী আত্মঅৱলোকন আৰু আত্মিক জগতখন সম্পৰ্কেও পাঠকৰ সঁহাৰি কিমান দূৰ অৰ্থপূৰ্ণ হ'ব সেই সম্পৰ্কে কুণ্ঠিত আছিল। কবি হিচাপে আত্মাৰ সন্মানক আত্মসন্মান বুলি ভবা, উপমাই কাব্যৰ আত্মা বুলি বিশ্বাস কৰা অজিৎ বৰুৱাই বাণীক বান্দৰী সজাই ৰাজহুৱাভাৱে নচুৱাই নুফুৰি সুদীৰ্ঘ কাব্যজীৱনত মাত্ৰ কেইটামান কবিতাৰে অসমীয়া কবিতাক পোহৰাই থৈ গ'ল।

শব্দতে হওক, বিষয়তে হওক, অনুভূতিতে হওক লেখা প্ৰক্ৰিয়াটো এটা বিৰামহীন নিৰ্বাচন। অজিৎ বৰুৱাই বিচাৰিছিল কবিতাৰ এখন স্বতন্ত্ৰ স্বসম্পূৰ্ণ ধাম তৈয়াৰ কৰিবলৈ— য'ত ৰঙবিলাক দেখা ৰঙৰ ভিতৰত নহয়, গোন্ধবিলাক পোৱা গোন্ধৰ ভিতৰত নহয়— শব্দৰ দ্বাৰা সেইবিলাক সৃষ্টি কৰিবলৈ। ১৯৭২ চনত লিখা 'যিহেতু দৃশ্যমান জগতৰ' নামৰ এটা কবিতাত তেওঁ লিখিছিল—

সেইদিনা সপোনত এনে এটা শব্দ দেখিছিলোঁ যাৰ অৰ্থ দিঠকত নাই

কিছুমান আখৰ যিবিলাক বৰ্ণমালাত নাই
সেইবিলাক বৰ্ণৰ অপেক্ষাত এতিয়া আছোঁ
যি পৃথিৱীত নাই।

কিন্তু অজিৎ বৰুৱা সপোনৰ জগতৰ কবি নাছিল। শব্দৰ ব্যৱহাৰেই যদি কবিতাৰ সকলো হয়, অনুভূতিসম্পন্ন কবিৰ বাবে জীৱনৰ আশ্চৰ্য বিশালতাৰ উলব্ধিৰ আনন্দক ধৰি ৰাখিবলৈ শব্দৰ অন্বেষণ, উপমান অন্বেষণ বৰ হতাশাত শেষ হয় বুলি কবিয়ে অনুভৱ কৰিছিল। তাৰ পিছতো অজিৎ বৰুৱাৰ বাবে কবিতা আছিল তেওঁ লিখাৰ দৰে— 'হতাশা আৰু প্ৰতিবাদে কেতিয়াবা ভূমুকি মাৰে, কিন্তু বেছিভাগ সময়তে কাব্য আমাৰ এই চুটি জীৱনৰ যিকণ আনন্দ এতিয়াও বাকী আছে তাৰ প্ৰশংসাত ৰচিত।' অজিৎ বৰুৱাৰ কবিতা আছিল প্ৰশংসাক উপমাৰে কৰা নিৰ্মাণ। উদাহৰণ ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্যত সংকলিত ফেঁটী-কপৌ নামৰ কবিতাটো। এই কবিতাটো এটা শ্ৰেষ্ঠ অসমীয়া প্ৰেমৰ কবিতা। ফেঁটী-কপৌ নামটোত যি বৈপৰীত্য লুকাই আছে সেই বৈপৰীত্যই মানুহৰ পৰস্পৰ বিপৰীতমুখী সৌন্দৰ্যৰ আঁৰৰ ছবি এখন দাঙি ধৰিছে। হয়তো কবিৰ প্ৰেয়সীৰ ফেঁটী সাপৰ দৰে তীব্ৰতা আছিল, ক্ষণস্থায়ী আদৰৰ বশ্যতাত যি নম্ৰ হৈ কপৌৰ ৰূপ পাইছিল। কবিতাটোৰ অৰ্থ লুকাই আছে এই শাৰীটোত ঃ

তেওঁ যে গুচি গ'ল নাকৰ পাহিৰ আলোড়নত

নাকৰ পাহিৰ আলোড়ন হয় অভিমানত, কান্দোনত, বেদনাজড়িত খণ্ডত যিটো চৰিত্ৰ ফেঁটীসাপৰো নহয়, কপৌৰো নহয়। এই চৰিত্ৰ সম্পূৰ্ণ মানৱীয়। কবিতাটোত থকা বনজুইৰ প্ৰসংগই প্ৰেমৰ আত্ম অহংকাৰ পথেদি আগবঢ়া মনজুইকে বুজাইছে, অভিমানৰ দূৰত্বই য'ত সম্পৰ্কৰ কুকুহা উৰাইছে। সকলো কথা যদিও 'হীন-দৃষ্টি নক্ষত্ৰৰ মৃত্যু-থৰ চকুৰ তৰাত' বোলোতে সৃষ্টি হৈছে তথাপিতো ফেঁটী-কপৌ নামটোৱে কঢ়িওৱা প্ৰেমৰ জৈৱিক ৰূপটোৰ উপমাই জীৱনৰ-মনৰ অভিজ্ঞতাৰ উচ্চতাক মূৰ্ত ৰূপ দিছে।

অজিৎ বৰুৱাৰ কবিতা হৈছে মননশীল আত্মপ্ৰেমৰ নিৰ্মাণ য'ত জাগতিক আৰু ইন্দ্ৰিয়জ ৰূপটোৰ জৰিয়তে তেওঁৰ 'বৰ্তমান সত্তা আৰু তাৰ গোপন স্থায়িত্বৰ মাজৰ সাঁকোখন উজলি উঠে।' সম্ভাৱনীয়তা আৰু সম্ভাৱনাহীনতাৰ বিৰোধাভাষ বা দোমোজাৰ শিহৰণ তেওঁ তেওঁৰ কবিতা শীৰ্যবিন্দুলৈ ধৰি ৰাখিবলৈ চেষ্টা কৰে—

লাহে লাহে, দুখ-পাই-দুখ নাপাই কৈ
আজিয়েই কিজানি আকৌ ঘটে সি ঘটনা
যি কোনোদিনেই ঘটিবৰ সম্ভাৱনা নাছিল।

(এযোৰ তাম অৰ্ঘা)

নাৱৰ টিঙত শুই তৰা আৰু বোকা একেলগে দেখি!
বাঘৰ গোঁজৰ ম'হৰ ঘণ্টা জলকুঁৱৰী গীত
একেলগে বাজে বেসুৰা সুৰীয়া কৈ!!

(জেংৰাই ১৯৬৩)

ব্যক্তিগত স্মৃতি কেৱল ব্যক্তিগত স্মৃতিয়েই নহয়, ই সামগ্ৰিক বোধ আৰু জাগতিক অভিজ্ঞতাৰো অংশ। এই জাগতিকতাৰ সমূহীয়া ৰাজহুৱা অৰ্থ বিচাৰিবলৈ গ'লে কবিতাৰ

মূল্য হানি হয়। অজিৎ বৰুৱাৰ সচেতনাত এলিয়টৰ সচেতনতা নাছিল, গতিকে তেওঁৰ কবিতাত বুদ্ধিজাত অত্যুক্তিৰ বিপৰীতে জীৱনক পৰম মৰ্যাদা দিয়া সংবেদন আৰু অনুভূতিৰ দিশটো প্ৰভাৱী ৰূপত সক্ৰিয় হৈ ৰৈছিল। গতিকে তেওঁ লিখিব পাৰিছিল এনে কিছুমান বাক্য য'ত বিৰোধাভাৱে বিমূৰ্ততাৰ সৃষ্টি নকৰে, বৰঞ্চ অস্থিৰ, অনিৰ্দিষ্ট, অনিৰ্ণয়তাৰ আঁৰৰ জীৱনৰ প্ৰাণচঞ্চল ৰূপটোক সতেজ জৈৱিক ৰূপত ধৰি ৰাখে—

ৰাজকন্যাৰ তামোলৰ দাগ লগা দাঁত
তাৰ ওখোৰা-মোখোৰাত
শামুকৰ দৰে খোজ কাঢ়ি মোৰ হৃদয় সন্ধ্যাত...
নহয় তাত সন্ধ্যা নাই
তাত কোনো সন্ধ্যা নাই
তাত কোনো পুৱা নাই
আছে আলোকভেদ্য অস্বচ্ছতা
তাত কোনো সময় নাই— তাক সময়ৰ বাহিৰত
থোৱা হৈছে
তাত আছে প্ৰেম
অথবা,
প্ৰেমৰ নানান নানান ৰকমৰ ভ্ৰম
প্ৰৱঞ্চনা, অৱসাদ
আৰু কাৰ্যকৰণ কাৰণ— কাৰ্য
দ্বন্দ্ব।

(অৱন্তী নগৰ)

অজিৎ বৰুৱাৰ কবিতাৰ ক্ষেত্ৰত এই সত্য খাপ খাই পৰে যে দ্বন্দ্বত যাৰ বিশ্বাস আছে তেওঁৰো এটা বিশ্বাস থাকে। এলিয়টৰ দৰে কবিৰ কবিতাৰ দ্বন্দ্বই যেতিয়া আমাৰ মনলৈ অৱসাদ আৰু সন্দেহৰ ভাব কঢ়িয়ায়, অজিৎ বৰুৱাৰ কবিতাই আমাৰ মনলৈ আনে বিশ্বাসৰ ভাব। সেইবাবেই অজিৎ বৰুৱাক আমাৰ ভাষাৰ 'আধুনিক-ৰোমাণ্টিক' কবিজন যেন লাগে। অজিৎ বৰুৱাই যেতিয়া লিখে—

সকলো কথাই মনে সজা
সকলো কথাই মনে সজা
সকলো কথাই মনে সজা?

(ৰমণীয় বসন্ত কালত)

আমাৰ ভাব ইয়াৰ তৃতীয় প্ৰশ্নবোধক বাক্যটো কেৱল কবিৰ মনত উদয় হোৱা নহয়। ইন্দ্ৰিয়ানুভূতিৰ পৰিকল্পিত বিশৃংখলতাক কৌশল হিচাপে প্ৰয়োগ কৰি অজিৎ বৰুৱাই পাঠকক অপ্ৰত্যয়জনক পৰিস্থিতিৰ বিৰুদ্ধে প্ৰশ্ন কৰাৰ স্বাধীনতা দিয়ে। মূৰ্ত

কল্পচিত্ৰ আৰু পৰোক্ষ সূচনা (allusion)ৰ কবিয়ে পাঠকৰ নিৰ্জ্ঞাত (unconscious)হৈ ৰোৱা মানসিক প্ৰৱাহক জাগ্ৰত কৰি তোলে। এলিয়টে কৈছিল কল্পনাৰ ন্যায় শৃঙ্খল (Logic of imagination) যুক্তিৰ ন্যায় শৃঙ্খল (Logic of the reasoning) তকৈ বেলেগ। অজিৎ বৰুৱাৰ কবিতা আছিল প্ৰথমবিধৰ কবিতা।

### ১.৫.৪ হীৰেন ভট্টাচাৰ্যৰ কবিতা

হীৰেন ভট্টাচাৰ্যৰ কবিতাত আমি অনুভৱ কৰোঁ তেওঁৰ সমসাময়িক আনসকল কবিৰ বিপৰীতে সম্ভৱ হৈ ৰোৱা ক'লৰিজে ৱৰ্ডছ্‌ৱৰ্থৰ কবিতাৰ প্ৰসংগত কোৱাৰ দৰে এক ধৰণৰ innocent nakedness যি তেওঁৰ কবিতাৰ বিষয়-বস্তুকেই নহয় কবিতাৰ ফৰ্মৰো নিজস্ব পৰিচয় নিৰ্ণয় কৰিছিল। তেওঁ যেতিয়া লিখিছিল 'মই কবি সীমিত মোৰ সামৰ্থ্য', 'কবি মই নাছিলো কোনোকালে', 'তোমাৰো যে কথা, ৰুমালৰে বান্ধি নিবা আবেলিৰ কবিতা'— জীৱনৰ বিশালায়তনক শব্দেৰে ধৰি ৰাখিব নোৱৰাৰ বেদনা ফুটি উঠিছিল। কিন্তু ৰেটৰিকৰ এই যন্ত্ৰণাদগ্ধ সীমাবদ্ধতা অতিক্ৰম কৰাৰ হাবিয়াস যেতিয়াই তেওঁ আয়ত্ত কৰিছিল ('মোক অভয় দিয়া পৰিচিত শব্দবোৰৰ নিৰ্লিপ্ততা ভাঙি ছিঙি হাতুৰীৰে চূৰমাৰ কৰাৰ') তেতিয়াই তেওঁৰ কবিতাই এক পুৰুষাকাৰক শক্তি অৰ্জন কৰি লিখিব পাৰিছিল—

'মই কবি কৃতিত্বৰে পাৰ হৈ আহিছোঁ বুৰঞ্জীৰ বহু ভয়ংকৰ দিন।
শব্দই মোক দিছে প্ৰতিৰোধৰ অসমান্য ক্ষমতা, অৰ্থৰ শৃংখলা, নিৰ্ভুল হোৱাৰ ইচ্ছা,
সেয়ে প্ৰয়োজনত পুনৰ প্ৰতিষ্ঠা কৰিছোঁ বিপৰ্য্যস্ত শব্দৰ নিৰ্বাচিত অৰ্থ।'
'মোৰ আন কোনো সত্তা নাই, শব্দৰ সতে মোৰ অভিন্ন সংসাৰ।

যাৰে খণ্ড খণ্ড কৰি তুলি ধৰো ৰক্তাক্ত স্বদেশ-স্বকাল।

দুখৰ কথা গান আৰু গোলাপৰ অজস্ৰ উদ্ধৃতিৰে—

হীৰেন ভট্টাচাৰ্যৰ প্ৰথম পৰ্বৰ কবিতাসমূহ আমাৰ বাবে অধিক আৱেগসঞ্চাৰী হোৱাত হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ প্ৰকৃত গুৰুত্বৰ আলোচনা নহ'ল। সেয়েহে কেতিয়াবা কবিয়ে লিখা দুটা শাৰী কবিৰ নিজৰ ক্ষেত্ৰতেই প্ৰযোজ্য যেন লাগে—

'নেৰুদা, মই তোমাৰ কুৰিটা কবিতা পঢ়িছো আৰু জানো প্ৰেমৰ কবিতাৰে ৰচা এটা হতাশাৰ গানত মূৰ্ত ভাঙনৰ হাতুৰী কিমান গধুৰ!'

তাৰ বাবে দায়ী হীৰেন ভট্টাচাৰ্যনে? তেওঁ নিজেই লিখি গৈছিল—

'চাওতাল মৰদৰ ধনুৰ কাড় যেন লক্ষ্যভেদী একো একোটা শব্দ মোৰ ৰক্ত-মাংস-ইচ্ছাত তীব্ৰ হৈ উঠে,

সিহঁতৰ কোনোটো পৰ্বতৰ দৰে উদ্ধত, কোনোটো নদীৰ দৰে নত, আৰু কোনোটো হ্ৰদৰ দৰে গম্ভীৰ, কাৰো কথাত উঠা বহা নকৰে।

নদ-নদী-পৰ্বত চিত্ৰিত বিপুল মহাদেশৰ মই কবি, পৃথিৱী মোৰ কবিতা।

অথবা—

'মই শব্দবোৰ জিভাত দি চাওঁ, কাৰ কি সোৱাদ, হাতৰ তলুৱাত লৈ চাওঁ, কিমান তপত, মই জানো শব্দ মানুহৰ মহৎ সৃষ্টিৰে তেজঃদীপ্ত সন্তান, মই সাধাৰণ কবি, কান্ধ সলনি কৰি বৈ অনা মোৰ এই শব্দবোৰত মানুহৰ নিদাৰুণ অভিজ্ঞতা, বুৰঞ্জীৰ নিঠুৰ আঁচোৰ।'

কবিতাৰে হীৰেন ভট্টাচাৰ্যই উপস্থাপন কৰা এনে দায়িত্ববোধৰ প্ৰসংগক আমি যথোচিত গুৰুত্ব দিব পৰাহ'লে তেওঁৰ কবিতাৰ আঁৰৰ বাস্তৱৰ গুৰুত্ব উপলব্ধি কৰিব পাৰি এনেবোৰ কবিতাক ৰোমাণ্টিক বিপ্লৱৰ কবিতা বুলি আখ্যা দিয়াৰ ভুল নকৰিলোঁহেঁতেন—

'কমৰেড, বুকুখন নিবিবা, লাগিলে তৰ্জনী আঙুলিটো মোৰ ট্ৰিগাৰতে থোৱা,

বন্দুকৰ নলেৰে জ্বলক অবিৰাম বিজুলী। ৰাতিটো পাৰ হৈ গ'লে আমাৰ আৰু ভয় কি?

নলেগলে লগলাগি পামগৈ ফৰকাল বেলতলাৰ পথাৰ।'

২০০৮ চনত প্ৰকাশিত *কবিতাৰ ডালপাত* নামৰ সংকলনখনৰ আগকথাত কবি হীৰেন ভট্টাচাৰ্যই এই বুলি লিখিছিল— 'একো একোটা ভাষাৰে গঢ়ি উঠে মানুহৰ জীৱন। অসমীয়া ভাষাৰেই মোৰ জীৱন যাপন। এই ভাষাৰ প্ৰাণ প্ৰতিভাই স্পৰ্শ কৰক মোৰ কবিতা, মোৰ জীৱন।' প্ৰাৰম্ভৰেপৰা তেওঁৰ কবিতাসমূহ অসমীয়া সংস্কৃতিৰ ঐতিহ্যৰ লগত সম্পৰ্ক থকা মনটোৰ কবিতা। এটা ভাষাৰ সাংস্কৃতিক তাৎপৰ্য সেই অঞ্চলৰ পৰিৱেশ প্ৰকৃতিয়ে নিৰ্ধাৰণ কৰে। যিবোৰ কবিতাৰ বাবে হীৰেন ভট্টাচাৰ্য বহুচৰ্চিত সেই বহু জনপ্ৰিয় কবিতাবোৰৰ পোনপটীয়া আৱেদন আৰু শ্লোগান সুলভ চৰিত্ৰৰ বাবে এটা সময়ত সেই কবিতাবোৰ উকা উকা যেন নলগা নহয়। প্ৰথম পাঠত তেনেবোৰ কবিতাই বিদ্যুৎ শিখাৰ দৰে পাঠক মনক জোকাৰ মাৰি যায়। বহুদিনলৈ তেনেবোৰ কবিতা কঢ়িয়াই ফুৰা যায়— ভোগালী বা জোনাকী মনৰ কবিতাসমূহ আমাৰ দৃষ্টিত সেই পৰ্যায়ৰ কবিতা। হীৰেন ভট্টাচাৰ্যই নিজেও জানিছিল সেই কবিতাসমূহ জোনাকী মনৰেই কবিতা। লিৰিকেল সেই কবিতাবোৰত থকা দৰ্শনীয় visible ৰূপ এটাই কবিতাবোৰক আত্মাৰ গান কৰি তুলিছিল। এখন নিবিড় তীক্ষ্ণ তন্ময়তাৰে সেই কবিতাসমূহ সমৃদ্ধ। কিন্তু আধুনিক মন এটাৰ বিৰোধাভাষ, শ্লেষ, তীৰ্যকতা তথা সমালোচনাত্মক দৃষ্টিকোণ এই কবিতাবোৰত অনুপস্থিত। কবিৰ জোনাকী মনৰ আপ্লুত দৃষ্টিকোণৰ বাবেই এই কবিতাবোৰ এক সজীৱ আৱেগৰ দ্বাৰা সংগীতায়িত। কিন্তু নাগৰিক জীৱনৰ বহল প্ৰেক্ষাপট ইয়াত উপলব্ধ নহয়। সেয়েহে আমাৰ দৃষ্টিত 'লখিমী' কবিতটোৰে যি এক বহুমাত্ৰিক চেতনাৰ আভাস দিব পাৰে 'ভোগালী' কবিতোটোৰে নোৱাৰে। 'ভোগালী' তীব্ৰ অনুভূতিশীল তথা সংবেদনশীল মনৰ কবিতা, 'লখিমী' বাস্তৱ আৰু অনুভূতিৰ সংযুক্তিৰে জন্ম দিয়া সাংস্কৃতিক চেতনাৰ কবিতা।

কিন্তু হীৰেন ভট্টাচাৰ্যক সদায় আমি ভোগালী আৰু জোনাকী মনতে আবদ্ধ কৰি ৰাখিলোঁ। কবিতাৰ জনপ্ৰিয়তাৰ বিপদ এইখিনিতেই। তেওঁৰ কবিতাৰ পোহৰৰ স্বৰ্ণস্পৰ্শই আমাৰ হৃদয় উজ্জ্বল কৰিলে, উদ্দাম কৰিলে নিস্তেজ মন, মনৰ স্তৰে স্তৰে জন্ম দিলে চেতনাৰ বিদ্যুৎ বিস্ময় কিন্তু তেওঁৰ কবিতা ৰ ভৱিষ্যৎমুখী দৃষ্টিৰ প্ৰতি আমি সজাগ নোহোৱাত সেইজন হীৰেন ভট্টাচাৰ্যৰ প্ৰতি আমি ন্যায় কৰিব নোৱাৰিলোঁ যিজনে লিখিছিল—

কলঘৰৰ ক'লা ধোঁৱাই
এদিন আকাশত বিজুলী জ্বলাব
ৰাস্তাৰ কাষৰ এইজাক ল'ৰাই
জীৱনৰ বাটে বাটে ফুল ফুলাব
ব্যাধিগ্ৰস্ত এই নগৰে এদিন
আকাশলৈ মূৰ তুলি চাব ঃ আকাশ ইমান বহল
দকৈ উশাহ লৈ ক'ব— বতাহ ইমান কোমল।

জনসংস্কৃতিয়েই হীৰেন ভট্টাচাৰ্যৰ ভাল কবিতাবোৰৰ প্ৰাণৰাগিণী শক্তি।

সদায় ৰোমাণ্টিক বুলি ভাবি থকা হীৰেন ভট্টাচাৰ্যৰ আধুনিকতা যাঠিৰ দশকতে আমাৰ বাবে উন্মোচিত হৈছিল কবিৰ ব্যক্তিৰপৰা সমাজলৈ পৰিব্যাপ্ত চৰিত্ৰৰ বাবে। কবিৰ *মোৰ দেশ প্ৰেমৰ কবিতা* (১৯৭২) সংকলনখনতো তেনে কেইটিমান কবিতা আছিল— 'যন্ত্ৰণা' (নাচিম হিকমতৰ সোঁৱৰণীত), 'শৰ সন্ধান' (স্বাধীনতা আৰু শান্তিৰ নামত), 'জ্যোতি', 'সেই জ্যোতি', (জ্যোতিপ্ৰসাদ আগৰৱালাৰ সোঁৱৰণিত), 'প্ৰতীক্ষা' (বিষ্ণু ৰাভাৰ অসুখৰ সময়ত), 'পতাকা' (ভিয়েটনামৰ উদ্দেশ্যে), 'আই' (গৰ্কী শতবাৰ্ষিকী উপলক্ষে), 'চিকাৰী' (হেনা গংগোপধ্যায়ৰ মৃত্যুত), 'প্ৰতিবাদ' (শংকৰ দে' পুৰকায়স্থৰ স্মৃতিত) আদি। হীৰেন ভট্টাচাৰ্যৰ মৃত্যুৰ পিছত কেইবাজনো অসমীয়া কবিয়ে শ্ৰদ্ধালু স্মৃতিলেখাত এই কথা স্বীকাৰ কৰিছিল যে তেওঁলোকে সচেতনভাৱে হীৰনে ভট্টাচাৰ্যৰ দ্বাৰা প্ৰভাৱিত নহ'বলৈ চেষ্টা কৰিছিল। নতুন বাটেৰে বাট বুলিবলৈ যোৱাটো সদায় আদৰণীয় নহয় যদিহে এই সচেতনতাই সমাজক অস্বীকাৰ কৰা এটা অচেতন মনেৰে গতি কৰে। স্বীকাৰ কৰোঁ, হীৰেন ভট্টাচাৰ্যৰ অসংকোচ ৰোমাণ্টিকতাৰ বাবে এটা বয়সত তেওঁৰ ভাল লগা কবিতাৰ শাৰীবোৰ এটা সময়ত কৈশোৰৰ স্মৃতি হৈ পৰিছিল, কিন্তু আধুনিক আত্মকেন্দ্ৰিক চেতনাৰ বিপৰীতে এক গীতিধৰ্মী আন্তৰিকতাৰে আমাৰ সাংস্কৃতিক ঐতিহ্যৰ এটা চিকুণ ভাষাৰ মাজেৰে প্ৰতিফলন ঘটা তেওঁৰ কবিতা সমাজ নিৰ্ভৰ হোৱাৰ বাবেই আমাৰ চিৰকলীয়া সম্পদ হৈ ৰোৱাৰ নিশ্চয়তাও অৰ্জন কৰিছিল। সমাজৰপৰা সাহিত্যলৈ হীৰেন ভট্টাচাৰ্যক টানি অনাৰ কাৰণ হ'ল কাব্যচৰ্চাৰ ক্ষেত্ৰত দুই ধৰণৰ খেলুৱৈৰ প্ৰসংগ উত্থাপন কৰটো। এক শ্ৰেণীৰ কবিয়ে নিজৰ প্ৰস্তৰীভূত প্ৰতিভাৰে শব্দৰ সৈতে খেলে, আন শ্ৰেণীৰ কবিয়ে সমসাময়িক প্ৰতিভাময় প্ৰেৰণাক আধাৰ কৰি শব্দক লৈ খেলে। কবিৰ মাজৰ এই পাৰ্থক্যটোৰ সৃষ্টি হয় প্ৰতিক্ৰিয়া প্ৰকাশৰ পাৰ্থক্যৰ

ওপৰত। ইয়াৰে প্ৰথম শ্ৰেণীৰ কবিৰ ক্ষেত্ৰত ব্যক্তিগত প্ৰতিভা সহজে ধৰা পৰে, দ্বিতীয় শ্ৰেণীৰ ক্ষেত্ৰত কবিতা সামাজিক অনুষংগসমূহৰ সৈতে থকা সহাৱস্থানৰ পৰা সৃষ্টি হোৱা চেতনাৰ বাবে জনপ্ৰিয়তা তাৎক্ষণিক নহয়। ইয়াৰে হীৰেন ভট্টাচাৰ্য প্ৰথম পৰ্বৰ কবি।

### ১.৫.৫ নীলমণি ফুকনৰ কবিতা

নীলমণি ফুকনৰ কবিতাৰ ভাষা আৰু বোধৰ সংযুক্তি ইমান বেছি স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক যে কবিৰ ভাষা কবিতাৰ ভাষা নহৈ জীৱন সত্য উন্মোচনৰ চেতনা হৈ দেখা দিয়ে আৰু কবিৰ ভাষাই অসমীয়া ভাষাটোক নতুনকৈ উন্মোচন কৰে। এসময়ত ভাবিছিলোঁ অসমীয়া ভাষাটোক ভাল পাওঁ বাবেই নীলমণি ফুকনৰ কবিতাকো ভাল পাওঁ। আজি বুজিছোঁ নীলমণি ফুকনৰ কবিতাও অসমীয়া ভাষাটোক ভাল পাই থকাৰ অন্যতম কাৰণ হৈ ৰ'ব পাৰে। আমি নীলমণি ফুকনৰ সেই ভাষাটোৰ কথা কৈছোঁ, যিটো ভাষা *সূৰ্য্য হেনো নামি আহে এই নদীয়েদি* (১৯৬৩)ৰ পৰা গোলাপী জামুৰ লগ্ন (১৯৭৭)ৰ কবিতাসমূহলৈ প্ৰতীকবাদী অন্বেষণৰ, কবিতা (১৯৮১) আৰু নৃত্যৰতা পৃথিৱী (১৯৮৫)ত বাস্তৱবাদী চেতনাৰ আৰু অলপ আগতে আমি কি কথা পাতি আছিলোঁ (২০০৩)ৰ কবিতাত মুগ্ধতা, অনুশাসন আৰু সংযমৰ পৰা আঁতৰি আহি জীয়া সত্যৰ প্ৰতি আগ্ৰহী উপলব্ধি আৰু দায়িত্বৰ। নীলমণি ফুকনৰ আগবয়সৰ কবিতাই (যিবোৰ কবিতাৰ সৰহসংখ্যকেই আছিল কোলাহলতকৈ নিৰ্জনতাৰ অথচ নিঃসংগতাৰ নহয়, জীৱনতকৈ মৃত্যুৰ অথচ সমাপ্তি বা অৰ্থহীনতাৰ নহয়) আমাক শিকালে শূণ্যতা বুলিলে একো নোহোৱা নুবুজায়, মাজ বয়সৰ কবিতাই আমাক বুজালে 'সমাজবোধ আৰু ইতিহাসবোধৰ পৰাই উৎসাৰিত হ'ব কবিতাৰ ভাষা' আৰু শেষৰ কবিতাসমূহে সামগ্ৰিকভাৱে যেন জনালে 'শেষত ভাষাৰো বন্ধন ছিঙি কবিতাই বিচাৰে অন্তহীন ব্যক্তি—মানুহৰ তেজত, মঙহত, বতাহত, আকাশত'। অসমত নবীন-প্ৰাচীন বহুতো কবিয়ে আধা কেচেলুৱা বুদ্ধিৰে কবিতালৈ বৌদ্ধ দৰ্শন আৰু প্ৰজ্ঞাৰ আমদানি কৰাৰ হাস্যস্পদ চেষ্টা কৰা দেখা যায়। সেইসকলে নীলমণি ফুকনৰ কবিতাৰ পৰা শিকিব পাৰে যে অসমীয়া ভাষা আৰু অসমৰ সমাজ ইতিহাসতেই অসমীয়া কবিতাৰ বুদ্ধত্ব লুকাই আছে।

কবি হিচাপে নৱকান্ত বৰুৱা আছিল এনচাইক্লʼপেডিক মননশীলতা, অজিৎ বৰুৱাৰ আছিল অসমীয়া শিপাৰ পৰা উন্মোচনৰ সম্ভাৱনা থকা আধুনিকতাবাদী পৰ্যবেক্ষণ, হীৰেণ ভট্টাচাৰ্যৰ আছিল অসমীয়া ভাষাৰ সুৱদি ৰূপটোৰ ওপৰত আশ্চৰ্যকৰ দখল আৰু নীলমণি ফুকনৰ আছিল শৃংখলাবোধ আৰু নান্দনিক চেতনাৰে এই প্ৰতিটো বিষয়ৰ প্ৰতি আগ্ৰহৰ সমান্তৰালভাৱে ৰহস্য আৰু ড° হীৰেন গোঁহায়ে তেওঁৰ কবিতাৰ পৰা নিৰ্বাচন আৰু সুদীৰ্ঘ পাতনিয়ে নিশ্চয় তেওঁকো সমৃদ্ধ কৰিছে। প্ৰথম পৰ্যায়ত *গোলাপী জামুৰ লগ্ন*ৰ পাতনি প্ৰকাশ পোৱাৰ পিছত তেওঁৰ কবিতাৰ সংহতি (compactness) দৃঢ়

হৈছিল। সেই সংহতিয়ে বহুমুখী ব্যঞ্জনাৰ তেওঁৰ কবিতাক প্রতীকবাদৰ নির্দিষ্টতাৰ পৰা সামাজিক বিস্তৃৰ্ণতাৰ দিশটোলৈ আগুৱাই নিছিল বুলি পাঠক হিচাপে অনুভৱ কৰোঁ। হৰেকৃষ্ণ ডেকাৰ এই বাক্যকেইটা মন কৰিবলগীয়া ঃ 'ফুকনৰ প্রথম কবিতা আছিল অন্তৰ্মুখী। গাঢ়, তীব্ৰ, গভীৰ আন্তৰোপলব্ধিৰ প্রকাশ বিচাৰি কবিয়ে প্রতীক ৰূপকৰ সন্ধান কৰিছিল বহিঃ প্রকৃতিত। কিন্তু পিছৰফালে তেখেতৰ দৃষ্টি সমাজ জীৱনৰ ঘটনাৱলীৰ মুখামুখি হৈছে। তেতিয়া তেখেতে প্রতীক, ৰূপকৰ অনুসন্ধান কৰিছে সমাজ জীৱনত। সেয়েই পিছৰ কালৰ কবিতাত আধুনিকতা (modernity) বেছি আলোড়িত। ফুকনৰ কবিতাত আধুনিকতাবাদী প্ৰক্ষেপনতকৈ আধুনিকতাৰ বিক্ষেপন বেছিকৈ ৰূপান্তৰিত হৈছে।' এই আধুনিকতা লোকসংস্কৃতি আৰু লোকজীৱনত আৰম্ভ হৈ নাগৰিক জীৱনৰ নানাৰ্থকতাৰ সৈতে মুখামুখি হোৱাৰ ফলত সৃষ্টি হোৱা আধুনিকতা। তেওঁৰ কবিতাত লোক আংগিক আৰু আধুনিক শৈলীৰ সহাৱস্থানৰ ক্ষেত্ৰত লোকজীৱন, সমাজ-ইতিহাস, চীনা-জাপানী কবিতা, মহাদেশীয় কবিতা, চিত্ৰকলা, ভাস্কর্য আদি বিভিন্ন বিষয়ৰ প্রতি কবিৰ অন্তহীন আগ্রহৰ ভূমিকা আছে আৰু তেওঁৰ সেই আগ্রহেই কবিতাৰ ৰূপ/পৰ্বান্তৰ নির্ধাৰণ কৰি আহিছে।

সম্পূর্ণ নিজস্বতাৰে নীলমণি ফুকনে যে ভবেন বৰুৱাই বেয়া পোৱা কবিতাৰ গণমুখী চৰিত্ৰটোৰ সম্ভাৱনা *কঁাইট গোলাপ আৰু কঁাইট* (১৯৭৫) সংকলনতেই আহৰণ কৰিছিল তাৰ উমান নির্বাচিত কবিতাৰ সংকলন *গোলাপী জামুৰ লগ্ন*ত সংকলিত 'ৰজস্বলা পথাৰখন পাৰ হৈ', 'গছপাতবোৰ মোহাৰিলেই তেজ ওলায়', 'আকাশ অতসী', 'ধনশিৰি পাৰ হ'লেই পথাৰ', 'উস আস' উচুপনি কেঁকনি ভৰা', 'আঘাত হানা আঘাত হানা', 'পাৰ হৈ আহি সেই বিথনা প্রান্তৰ', 'তুমি সৈনিক, তোমাৰেই উন্মোচনৰ ক্ষমতা' আদি কবিতাত বিচাৰি পাব পাৰি যিবোৰ কবিতা ড° হীৰেন গোঁহাই সম্পাদিত *সাগৰ তলিৰ শংখ*তো সংকলিত হোৱা নাই। নীলমণি ফুকনৰ দ্বিতীয় পর্যায়ৰ শ্রেষ্ঠ কবিতাৰ সমপর্যায়ৰ কবিতা *গোলাপী জামুৰ লগ্ন* সংকলিত হৈ থকাৰ উদাহৰণ আছে—

উস-আস উচুপনি কেঁকনি ভৰা ডেই যোৱা
দিনৰ চকুলো বোৱা
প্রতিটো ৰাতিয়েই যেন নাঙঠ কোনো মৃত গাভৰুৰ দেহ
মুখত
শিয়ালে শুঙা
কোনে কাক মাতে কোনে কাক ঘূৰি চায় কোনে টোপনিতে
দাঁত কৰচে দুপৰ নিশা
গোবৰ খঁটিৰ জুইকুৰা মাজে মাজে বতাহত
ৰঙা হৈ কক্ বক্
সকৰুণ, নুমায়
উস আস উচুপনি কেঁকনি ভৰা জ্বলি যোৱা

দিনৰ চকুলো বোৱা
ঘৃণা উকুলিয়া
ইস্পাত হোৱা
আৰু ৰাতি নৌ পুৱাওঁতেই এজোলোকা উৰুলি দিয়া
('কাঁইট, গোলাপ আৰু কাঁইট')

এনে কবিতা পঢ়ি ভাব হয়— তেতিয়াও ফুকনৰ কবিতা নিস্তেজ যন্ত্ৰণাৰ নাছিল, অনুকাৰী আধুনিকতাৰো নাছিল। কবিতাৰ অনুপ্ৰেৰণা জীৱনেই আছিল। *কাঁইট, গোলাপ কাঁইট* (১৯৭৫) সংকলনৰ ৫নং কবিতাটোৰ (শুকুৰবাৰ নে দেওবাৰ আছিল) সৈতে *অলপ আগতে আমি কি কথা পাতি আছিলোঁ* (২০০৩)ৰ ১০নং কবিতাটোৰ ('সেইদিনা আছিল দেওবাৰ') সামঞ্জস্য আৰু চিন্তাৰ উত্তৰণ লক্ষ্য কৰিব পাৰি। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কবিৰ মনত থাকি যোৱা সন্দেহে বিশ্বাস আৰু দৃঢ়তাৰ ৰূপ পাব পাৰিছিল জীৱন সংলগ্ন নিৰলস জিজ্ঞাসা, আন্তৰিকতা, আত্মবিশ্বাস আৰু আত্মবিশ্লেষণৰ বাবে।

অসমীয়া আধুনিক কবিতাৰ যাত্ৰাত এইসকল কবিৰ অভিভাৱকসুলভ গুৰুত্ব আছে। অসমীয়া আধুনিক কবিতাৰ ধাৰা বৰ্তাই নিয়াৰ ক্ষেত্ৰত এইসকলৰ অৱদান পৰৱৰ্তী প্ৰজন্মৰ কবিসকলৰ ওপৰত প্ৰভাৱৰ পৰাই অনুমান কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

অসমীয়া আধুনিক কবিতাৰ প্ৰধান কাণ্ডাৰীসকলৰ কবিতাৰ উমৈহতীয়া বৈশিষ্ট্যসমূহ কি কি? (৬০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ১.৬ সাৰাংশ (Summing Up)

সমাজ জীৱন আৰু মননলৈ আধুনিক চেতনাৰ সমৃদ্ধি নাহিলে আধুনিক সৃষ্টি সম্ভৱ নহয়। কবিতাৰ ক্ষেত্ৰতো এই কথা ক'ব পাৰি। কুৰি শতিকাৰ আৰম্ভণিৰপৰা আধুনিক অসমীয়া কবিতাই বিকশিত ৰূপ এটি লাভ কৰে। নতুন মানবীয় দৃষ্টিভংগী, মননশীলতা, প্ৰতীক, চিত্ৰকল্পৰ প্ৰয়োগ, ঈশ্বৰ সম্পৰ্কে থকা ধ্যান-ধাৰণাৰ পৰিবৰ্তন, সাম্যবাদী চিন্তা-চেতনাৰ প্ৰয়োগ, ব্যক্তিগত অভিজ্ঞতাৰ প্ৰকাশ, ফ্ৰয়েডৰ মনস্তত্বৰ প্ৰভাৱ, দেশী-বিদেশী কবিতাৰ অধ্যয়ন, ইতিহাস চেতনা, বৈজ্ঞানিকসকলৰ চিন্তা-চৰ্চাৰ প্ৰতিফলন আদিয়ে অসমীয়া কবিতাক এই সময়ছোৱাতে নতুন ৰূপ প্ৰদান কৰিলে। ধীৰেন্দ্ৰনাথ দত্ত, ভবানন্দ দত্ত, অমূল্য বৰুৱা, হেম বৰুৱা, নৱকান্ত বৰুৱা, অজিৎ বৰুৱা, হীৰেন ভট্টাচাৰ্য, নীলমণি

ফুকন আদি কবিসকলৰ কবিতাৰ মাজেৰে আধুনিক অসমীয়া কবিতা সমৃদ্ধিশালী কৰাত বিশেষ অৰিহণা যোগালে।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। আধুনিক অসমীয়া কবিতাৰ পৃষ্ঠভূমি সম্পৰ্কে পৰ্যালোচনা কৰক।

২। আধুনিক অসমীয়া কবিতাৰ লক্ষণ সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

৩। আধুনিক অসমীয়া কবিতাৰ বিকাশত আলোচনীৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখক।

৪। হেম বৰুৱাৰ কবিতাৰ বিষয়ে এটি সমালোচনা যুগুত কৰক।

৫। নৱকান্ত বৰুৱাৰ কবিতা শীৰ্ষক এটি প্ৰৱন্ধ যুগুত কৰক।

৬। যিকোনো এজন আধুনিক অসমীয়া কবিৰ কবিতাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰক।

৭। আধুনিক অসমীয়া কবিতাৰ জগতত নীলমণি ফুকনৰ কবিতাৰ স্থান নিৰূপণ কৰক

## ১.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

উল্লাহ, ইমদাদ, কবিতাৰ সবিশেষ, অসম সাহিত্য সভা, ১৯৮৩

দত্ত, হীৰেন্দ্ৰনাথ, মোৰ প্ৰৱন্ধ, অসম প্ৰকাশন পৰিষদ, ২০১৪

ডেকা, হৰেকৃষ্ণ, আধুনিক কবিতা, পেপিৰাছ, ২০১৩

নেওগ, মহেশ্বৰ (সম্পা.), 'সঞ্চয়ন', সাহিত্য অকাডেমী, ২০০৩

নেওগ, মহেশ্বৰ (সম্পা.), অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰপ্ৰকাশ, ২০০০

ফুকন, নীলমণি (সম্পা.), কুৰি শতিকাৰ অসমীয়া কবিতা, অসম প্ৰকাশন পৰিষদ, ২০১৮

বৰগোহাঞি, হোমেন (সম্পা.), অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড), এবিলেক, ১৯৯৩

বৰুৱা, প্ৰহ্লাদ কুমাৰ, কবিতাৰ সৌৰভ, বনলতা, ১৯৯৬

বৰুৱা, ভৱেন, অসমীয়া কবিতা, ৰূপান্তৰৰ পৰ্ব, গ্ৰন্থ, ২০০০

বৰুৱা, ভৱেন, পদ্যৰ পাছৰ কাব্য, ষ্টুডেণ্টছ ষ্ট'ৰছ, ১৯৯৪

শইকীয়া, নগেন, অসমীয়া কবিতা আৰু অন্যান্য বিষয়, চন্দ্ৰ প্ৰকাশ, ১৯৯৬

শৰ্মা, সত্যেন্দ্ৰনাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, ১৯৮১

*****

# দ্বিতীয় বিভাগ
# হেম বৰুৱাৰ ‘পোহৰতকৈ এন্ধাৰ ভাল’

**বিভাগৰ গঠনঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ হেম বৰুৱাৰ কবিতা
২.৪ হেম বৰুৱাৰ ‘পোহৰতকৈ এন্ধাৰ ভাল’
২.৫ সাৰাংশ (Summing Up)
২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত আধুনিক অসমীয়া কবিতাৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত হেম বৰুৱাৰ ‘পোহৰতকৈ এন্ধাৰ ভাল’ কবিতাটিৰ বিষয়ে পৰ্যালোচনা দাঙি ধৰা হ’ব।

ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ দৰে অসমতো ঔপনিৱেশিক শক্তিৰ আগমনে এক নতুন ৰাজনৈতিক বাতাবৰণৰ সৃষ্টি কৰিছিল। ইয়াৰ ছত্ৰছাঁয়াত ইংৰাজী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাৰ লগে লগে অসমীয়া কবিতালৈ প্ৰথমবাৰৰ বাবে পাশ্চাত্য ভাব-ভঙ্গীৰ আমদানি ঘটে। অৱশ্যে সেই সময়ৰ জাতীয় পৰিস্থিতিৰ অনুকূলে ইয়াৰ বিকাশ নঘটিল। আনহাতে, অসমক বেয়াকৈ জোকাৰি থৈ যোৱা দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯) পৰৱৰ্তী কালত ক্ষয়িষ্ণু সমাজৰ অনিশ্চিত ভৱিষ্যৎ আৰু অস্থিৰ ৰাজনৈতিক জীৱনৰ ধাম-খুমীয়াত পৰি অসমীয়া কবিতাৰ আগৰ ভাববস্তু, ৰূপ-ৰীতিৰ আমূল পৰিৱৰ্তন ঘটিল। কবিতাত প্ৰতিফলিত হ’ল যান্ত্ৰিক যুগৰ জটিলতা। জনতাৰ মুখৰ ভাষাৰে কবিতাই জনতাৰ বুকুৰ বতৰা দিবলৈ আৰম্ভ কৰিলে। বিশ্বযুদ্ধই কঢ়িয়াই অনা সংকটে সমাজ জীৱনৰ লগতে ব্যক্তিৰ মানসিক জগতকো বিশ্বাসহীন ৰুক্ষ মৰুভূমিত পৰিণত কৰিলে। বিশ্বাসহীনতাৰ এই কঠিন মাটিৰ বুকুৰ পৰাই অসমীয়া কবিতাত এক বিশেষ পৰিৱৰ্তনৰ সূচনা হ’ল। আধুনিক অসমীয়া কবিকুলে এক আন্তৰ্জাতিক দৃষ্টিভঙ্গীৰে সেই পৰিৱৰ্তনক আঁকোৱালি ল’লে।

এই সময়ছোৱাৰ অসমীয়া কাব্যজগতৰ এগৰাকী স্বনামধন্য কবি হ’ল হেম বৰুৱা। তেওঁৰ কবিতাৰ যোগেদিয়ে অসমীয়া কাব্যজগতলৈ আধুনিকতাৰ বা আহে। আধুনিক অসমীয়া কবিতাৰ অগ্ৰদূত হেম বৰুৱাৰ ‘পোহৰতকৈ এন্ধাৰ ভাল’ কবিতাটি আধুনিক অসমীয়া কবিতাৰ এটি উল্লেখযোগ্য কবিতা। এই বিভাগটিত কবিতাটিৰ বিশ্লেষণাত্মক সমীক্ষা দাঙি ধৰা হৈছে।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- কবি হেম বৰুৱাৰ পৰিচয় লাভ কৰিব পাৰিব,
- হেম বৰুৱাৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে ধাৰণা পাব,
- হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিৰ বিষয়বস্তু আৰু আংগিকৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ২.৩ হেম বৰুৱাৰ কবিতা

পশ্চিমীয়া সাহিত্যৰ প্ৰধান আধুনিক ধাৰাটোৰ সৈতে যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যক সংযুক্ত কৰাত প্ৰধান ভূমিকা লৈছিল হেম বৰুৱাই। হেম বৰুৱাৰ আধুনিক সাহিত্যৰ ধাৰণাটো নাগৰিক মানসিকতাৰ লগত জড়িত বুলি তেওঁ অভিমত আগবঢ়াইছে। টি. এছ. এলিয়ট নিৰ্দেশিত আধুনিক সাহিত্য-চিন্তাৰ পথটোৰে তেওঁ অনুগামী। আধুনিক কবিতাৰ বিশিষ্ট ভাষা-ৰীতি এটি তেওঁৰ হাততে গঢ় লৈ উঠিছিল। এই ভাষাৰীতিত একপ্ৰকাৰৰ কোমলতাৰো সমাবেশ ঘটিছিল।

হেম বৰুৱাৰ বৰ্ণনামুখী ভাষাত থকা একপ্ৰকাৰৰ সাৱলীলতা মন কৰিবলগীয়া। চল্লিশৰ দশকৰ 'জয়ন্তী' যুগৰ কবিতাতকৈ এই ভাষা বহু পৰিমাণে আধুনিক। অনুভূতিশীলতাৰ লগে লগে যে মননশীলতাৰো সংযোগ সাধন হ'ব লাগে সেই কথা হেম বৰুৱাই গভীৰভাৱে অনুধাৱন কৰিছিল ঃ "যি কবিতাই চিন্তাৰ উদ্ৰেক কৰিব পাৰে নাইবা অনুভূতি ছটিয়াই মগজুক জগাই তুলিব পাৰে তেনে কবিতাৰ সমাদৰ বৰ্তমান বাঢ়ি আহিছে।' (হেম বৰুৱা ঃ 'কৈফিয়ৎ', বালিচন্দা)।

বংগ দেশৰ কবি সমৰ সেনৰ অনুসৰণত হেম বৰুৱাই এবিধ ছন্দ-ৰীতিৰ প্ৰচলন কৰিছিল। এই ছন্দত এবিধ লয় আছিল। নগৰ অঞ্চলৰ একপ্ৰকাৰৰ ভাষা তেওঁ আদৰি আনিবলৈ যত্ন কৰিছিল। বাংলা কবি সমৰ সেনৰ দ্বাৰা তেওঁ প্ৰভাৱান্বিত হৈছিল। সমৰ সেন আকৌ আলোড়িত হৈছিল এলিয়টৰ ক্লান্তি আৰু আতংকবোধৰ দ্বাৰা।

ড° হীৰেন গোহাঁয়ে হেম বৰুৱাৰ কেতবোৰ সজীৱ কল্পচিত্ৰ দাঙি ধৰিছে ঃ

*প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে*
*থৰে থৰে পৃথিৱী কঁপিছে*
*উস্ ইমান জাৰ! (নতুন পোহৰ)*

*আমি দুয়ো তীখাৰ বুকুৰ অগ্নিকণা,*
*আমাৰ চকুত সেই পোহৰৰে*
*বিজুলী নাচ (লক্ষ্মী পূৰ্ণিমা ঃ ১৯৫৭)*

*আকাশখন আছিল ৰান্ধনী বেলিৰ*
*তাত আছিল হেঁচাঠেলা কৰা*

*কিছুমান উচ্ছৃঙ্খল ডাৱৰৰ গম্বুজ।*
*এই ডাৱৰবোৰকে উন্মাদ গছবোৰে*
*মূৰ দুপিয়াই মাতিছিল*
*'আহা, মাটিলৈ নামি আহাঁ।' (আকুতি)*

সৰল গাঁৱলীয়া জীৱনৰ লগত একাত্মতাই হেম বৰুৱাৰ কবিতাসমূহক সজীৱ আৰু স্পন্দনপূৰ্ণ কৰি ৰাখিছে। তেওঁৰ প্ৰথম কাব্য সংকলন 'বালিচন্দা'ত এই আবেগৰ প্ৰগলভতা অনুভৱ কৰিব পাৰি। এইবোৰত থকা উত্তাল আশা, স্বপ্নই পঢ়ুৱৈৰ মন টানি লৈ যায়। তেওঁৰ দ্বিতীয় সংকলন 'মন ময়ুৰী'ত এই আশাৰ বিপৰীতে আশাভঙ্গ আৰু হুমুনিয়াহহে মূৰ্ত হৈছে। অৱশ্যে এই কথা ঠিক যে 'বালিচন্দা'তকৈ 'মনময়ুৰী'ত আংগিকৰ ক্ষেত্ৰত অধিক সফলতা লক্ষণীয়। শব্দ সংযোজনাত সংযম এই কবিতাসমূহত দেখিবলৈ পোৱা যায়। 'বালিচন্দা'ত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে উত্তাল ধ্বনি শুনা যায়, 'মনময়ুৰী'ত দেশপ্ৰেমৰ বাণী উচ্চাৰিত হৈছে। প্ৰেৰণাময় অতীতৰ সোঁৱৰণ 'মনময়ুৰী'ত আছে আৰু ড° হীৰেন গোঁহায়ে জীৱন্ত প্ৰাণ প্ৰবাহৰ প্ৰতীক হিচাপেই যৌৱন বাৰে বাৰে ইয়াত বন্দিত হৈছে বুলি অভিমত আগবঢ়াইছে।

অসমৰ লোক-ভাষাৰ আলমত হেম বৰুৱাই প্ৰাণসঞ্চাৰী ভাষা-ৰীতি গঢ়ি তুলিছে—

*সোণপাহী,*
*তুমি আহিছা, আঁহা। তোমাৰ হাতৰ কাঁচিত*
*হেজাৰ যুগৰ মান। উজায়ে আহিছে চ'ৰা নাওখনি।*
*উজায়ে আহিছে টিঙ।*

হেম বৰুৱাৰ হাতত বিংশ শতিকাৰ চল্লিশৰ দশকত প্ৰকৃতাৰ্থত আধুনিক অসমীয়া কবিতাৰ সূচনা হৈছিল। অৱশ্যে এই কথা ঠিক যে আধুনিক কবিতাৰ লক্ষণসমূহৰ যথাযথ ৰূপায়ণ হেম বৰুৱাৰ কবিতাত হোৱা নাছিল, কিন্তু ইয়াৰ বাটটো বহুদূৰ পৰ্যন্ত তেৰেঁই চিকুনাই দিছিল। চিত্ৰকল্প প্ৰয়োগৰ ক্ষেত্ৰত হেম বৰুৱাই এজৰা পাউণ্ড (১৮৮৫-১৯৭২)ৰ ৰীতি তেওঁৰ কাব্যত অনুসৰণ কৰিবলৈ যত্নশীল হৈছিল। কবিতাৰ ভাষালৈ কথ্য ভাষাৰ সুৰ বোৱাই অনা, জীৱনৰ গভীৰ স্বৰৰ লগত চপল স্বৰৰ সমাবেশ ঘটোৱা (প্ৰসঙ্গক্ৰমে, সপ্তদশ শতিকাৰ ইংৰাজী মেটাফিজিকেল কবিসকলে এই ধাৰাৰ কাব্য ৰচনা কৰিছিল), কবিতাত মিশ্ৰভাব (counterpoint)ৰ সংস্থাপন এনেবোৰ ক্ষেত্ৰত হেম বৰুৱাই এলিয়ট (১৮৮৮-১৯৬৫)ক আৰ্হি হিচাপে লৈছিল। হেম বৰুৱাৰ দুখন কাব্য সংকলন 'মন ময়ূৰী' আৰু 'বালিচন্দা'। ইয়াৰ লগতে তেওঁৰ অন্যান্য কবিতাসমূহ একত্ৰিত কৰি 'হেম বৰুৱাৰ কবিতা' (১৯৮৬) হিচাপে প্ৰকাশিত হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

আধুনিক অসমীয়া কবিতা সৃষ্টিত হেম বৰুৱাৰ ভূমিকা কি আছিল? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

## ২.৪ হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল'

আন্ধাৰ চিৰন্তন প্ৰাকৃতিক অৱস্থা। আনহাতে পোহৰ হৈছে এক ৰাসায়নিক বিক্ৰিয়াৰ ফল। ই অস্থায়ী। কিন্তু পোহৰৰ যোগেদি মানুহকে ধৰি অনেক জীৱই জীৱনৰ বাটত আগবাঢ়ে। আন্ধাৰ নিৰাপত্তাৰ প্ৰতীক, সেয়ে সকলো জীৱই আন্ধাৰতে নিৰ্দ্বিধাই টোপনি যাব পাৰে।

কিন্তু আন্ধাৰৰ সুৰুঙা লৈয়ে কিছুমান অপশক্তিয়েও মূৰ দাঙি উঠে, সমাজ-জীৱনৰ পৰ্যুদস্ত কৰে। সেয়ে অন্ততঃ মানুহে পোহৰত শুভবৃত্তিৰ প্ৰতীকী বিশেষত্ব আৰোপ কৰি লৈছে। গতিকে মানুহৰ কাৰণে আন্ধাৰ ভাল হ'ব নোৱাৰে।

কিন্তু আন্ধাৰো পোহৰতকৈ ভাল হ'ব পাৰে। পোহৰতকৈ অন্ধকাৰ ভাল হ'ব পাৰে — ই দৃষ্টিভংগীনিৰ্ভৰ আৰু পৰিৱেশ-পৰিস্থিতিনিৰ্ভৰ সিদ্ধান্ত। এজন গৃহস্থৰ বাবে পোহৰ যিদৰে ভাল, সেইদৰে এজন চোৰৰ বাবে এন্ধাৰেই ভাল। কিন্তু আঁঠুকাঢ়ি জীয়াই থাকিবলগীয়া হোৱাতকৈ মৃত্যুবৰণ কৰাটোৰে শ্ৰেয়ঃ বুলি কোৱাৰ দৃষ্টিভংগীটোৰে "পোহৰতকৈ এন্ধাৰ ভাল" বুলি ক'লে কথাষাৰে এটা বিশেষ মাত্ৰা লাভ কৰিব, বাক্যটো হৈ পৰিব এটা মৰ্যাদাসম্পন্ন বাক্য। কবি হেম বৰুৱাৰ "পোহৰতকৈ এন্ধাৰ ভাল" কবিতাটোৰ বিশ্লেষণপৰা গম পোৱা যাব — শীৰ্ষক বাক্যাংশটোৰ ওজন কিমান।

কবিতাটোৰ আৰম্ভণিৰ চৰণটোৱেই কয় ই বৰ সহজ বা সাধাৰণ আবেগেৰে ৰচনা কৰা কবিতা নহয়। দ্বিতীয় চৰণ পঢ়াৰ লগে লগে কথাটো পৰিষ্কাৰ হৈ পৰে। কাৰণ সময় বালিত খোজৰ চিন থৈ যাব পৰা লোকসকল কিবা নহয় কিবা একোটা দিশত বিশেষ, — যিটো গুণ কবিয়ে তেওঁৰ নিজৰ মাজত থকা বুলি বিশ্বাস নকৰে। জগতৰ অলেখ নিৰ্বিশেষ মানুহৰ মাজৰ এজন — এয়ে তেওঁৰ পৰিচয়। পিছে জগতত নাম থৈ যাব খোজাটো "উন্মাদ বাসনা" বুলি কোৱাৰ লগে লগে পাঠক বিমোৰত পৰে। কবিয়ে সময়ৰ বালিত পদক্ষেপণৰ চিহ্ন ৰাখি যাব খোজাসকলক উন্মাদ বুলিছে নে নিজে তেনে কামনা কৰিলে তাকহে উন্মাদনাতুল্য বুলি কৈছে? তৃতীয় চৰণটো পাঠ কৰাৰ লগে লগে অৰ্থ ফটফটীয়াকৈ ওলাই পৰে যে কবিয়ে জগতৰ অগণন শোষিত-নিষ্পেষিত পীড়িত-প্ৰবঞ্চিত জনতাৰ এজন বুলি নিজৰ অস্তিত্ব অনুভৱ কৰিছে । আৰম্ভণিটো এনে—

সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই। আমি
বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল্।

‘ফছিল’ বুৰঞ্জী ৰচনাৰ অন্যতম এক নিৰ্ভৰযোগ্য উপাদান। পিছে বুৰঞ্জীত ফছিলৰ কোনো গুৰুত্ব নাই, — ফছিলে বহন কৰা তথ্যৰহে গুৰুত্ব আছে। ইতিহাসত গণ্য-মান্য ৰাজন্যবৰ্গকে ধৰি বৰলোকসকলৰ কথা-কৰ্মহে লিপিবদ্ধ হয়, সৰু মানুহবোৰ বুৰঞ্জীৰ কাহিনীত সদায়ে উপেক্ষিত। অথচ হাস্যকৰ কথা এয়ে যে বুৰঞ্জীয়ে যি বৰলোকৰ কথা নথিভুক্ত কৰে সেইসকল বৰলোক বৰলোক হ’ব পাৰে কেৱল ছোটলোকসকলৰ কাৰণেহে। যদি সকলো সমানেই হয় তেনেহ’লে বৰলোকৰ ধাৰণাটোৱেই অসাৰ হৈ পৰিব। সেয়েহে কবিৰ মত হৈছে যে সাধাৰণতে হিচাপত নপৰা পৃথিৱীৰ গৰিষ্ঠসংখ্যক লোকেই ইতিহাসৰ গুৰুত্বপূৰ্ণ সাক্ষ্য; কিন্তু পৰিহাস এয়ে যে এই লোকসকল মৰি মৰি জীয়াই থাকিবলগা হোৱা এদল যেন প্ৰেতাত্মাহে! সেয়ে কবিয়ে এইদল লোকক বুৰঞ্জীৰ শিলাখণ্ডত প্ৰাকৃতিক বা স্বাভাৱিকভাৱেই নথিভুক্ত হোৱা জীৱন্ত জীৱাশ্ম বুলি কৈছে। এনে লোকে জগতত নাম থৈ যোৱাৰ হাবিয়াস কেতিয়াও নকৰে।

ইয়াৰ পাছতে পুৰাকাহিনীৰ নিপীড়িত, অপমানিত চৰিত্ৰ শকুন্তলাক কবিয়ে পোনপটীয়াকৈ আহ্বান জনাইছে, শকুন্তলা যেন তেওঁৰ অপমান সম্পৰ্কে সচেতন হৈ থাকে। শেৱালি-পাহিৰ দৰে কোমল, পৱিত্ৰ গাভৰুৰ নিষ্কলংক চকুৰ চাৱনিত প্ৰলুব্ধ হোৱা দুষ্যন্তবোৰে বাসনা চৰিতাৰ্থ হোৱাৰ পাছতেই সেই গাভৰুক সৰা শেৱালি গচকি যোৱাৰ দৰেই গচকি গুচি যায়। এয়া ৰাজন্যৰ চৰিত্ৰ। এনে চৰিত্ৰ লৈয়ে তেওঁলোক বীৰ হ’ব পাৰে, মহামতি বুলি পুৰাণৰ পাততো ঠাই উলিয়াই ল’ব পাৰে। কাৰণ পুৰাণৰ লেখকবৰ্গও তেওঁলোকৰে পদলেহনকাৰী; ভদ্ৰ ভাষাত সভাকবি। সেইসকল কবিৰ দিন আৰু এতিয়া নাই। একেদৰেই এতিয়া ফুল-তৰা-মেঘৰ সৌন্দৰ্য দেখি নিজকে পাহৰি কল্পনাৰ গজদন্ত-মিনাৰত সময় কটোৱা কবিসকলৰ দিনো নাই। বাস্তৱৰ সমস্যা-সংকীৰ্ণ জীৱনে জুৰুলা কৰা মানুহৰ মূল্য যিসকল কবিৰ দৃষ্টিভংগী বা চিন্তাবৃত্তিত নাই, সেইসকল কবি-চিন্তাবিদক এই কবিতাটোৰ কবিয়ে পলাতক আখ্যা দিছে। তেনে কবিৰ উদাহৰণ হিচাপে উল্লেখ কৰা হৈছে কালিদাসৰ নাম— যাৰ কলমত অলকাপুৰীৰ পৰা নিৰ্বাসিত যক্ষই ৰামগিৰিত কটোৱা নিঃসংগ জীৱনত নৱপৰিণীতা পত্নীৰ বিচ্ছেদৰ দুখৰ খবৰেৰে আকাশৰ ডাৱৰক ডাকোৱাল বুলি কল্পনা কৰি আত্মস্থিতি-বিস্মৃত হৈছে। সেই কালিদাসৰ দৰে কবিয়ে বাস্তৱৰ কণ্টকাকীৰ্ণ জীৱন-পথৰ সমস্যা দেখা নাপায়। সাধাৰণ মানুহৰ ভাত-কাপোৰৰ দৰে সমস্যা কিম্বা চিন্তাক তেওঁলোকে তুচ্ছাতিতুচ্ছ জ্ঞান কৰে — ঈশ্বৰ-পূজাত উপেক্ষিত মদাৰ-ফুলৰ দৰে। কালিদাসৰ দৰে ভাৱবাদী কবিয়েও ভাৱবাদৰ মুখাৰে আচলতে ৰাজন্যবৰ্গৰ দৰে মহাশক্তিৰ সন্তুষ্টিৰ অৰ্থেহে নিজৰ কাব্য-বেদীখন উৎসৰ্গা কৰে। সাধাৰণ মানুহৰ সাধাৰণ সমস্যাই বিলাস-ব্যসনত

আচ্ছন্ন ৰাজন্যবৰ্গক আমোদৰ খোৰাক দিব নোৱাৰে। গুৰু-গোসাঁইত নলগা মদাৰ ফুল হৈ সাধাৰণ খাটিখোৱা মানুহখিনি সদায়ে ক্ষমতান্ধসকলৰ পদপিষ্ট হৈ জীয়াই থাকে আৰু সেই ক্ষমতান্ধসকলৰ যুঁজত বিৰিণাৰ দৰে আওমৰণে মৰে। এইখিনিতে কবিয়ে ৰাজশক্তিৰ অঁৰিয়াঅঁৰিত দ্বিখণ্ডিত হোৱা কোৰিয়াৰ উল্লেখ কৰিছে। মন কৰিবলগীয়া, কোৰিয়া নামৰ দক্ষিণ-পূব এছিয়াৰ দেশখন ১৯৪৫ চনত দ্বিতীয় মহাযুদ্ধৰ বিভিন্ন ঘটনাচক্ৰৰ ফলত ক্ৰমে উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়া নামেৰে দ্বিখণ্ডিত হয়। কোৰিয়াক দুভাগত ভঙা দ্বিতীয় মহাযুদ্ধৰ ঘটনাৱলী আৰম্ভ হৈছিল ইউৰোপত, কিন্তু যুদ্ধখন এটা সময়ত কেন্দ্ৰীভূত হ'লগৈ এছিয়াত। পশ্চিমৰ যিবোৰ ৰাজশক্তিয়ে শক্তিৰ গৰ্বৰে এছিয়াৰ জনসাধাৰণৰ ওপৰত এই যুদ্ধখন জাপি দিলে, সেইবোৰ শক্তিক শগুণ আখ্যা দিয়া হৈছে, — যিবোৰে মৰাশ বিচাৰি ফুৰিছে। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে, আমি, সাধাৰণ মানুহবোৰ (কবিও যিসকলৰ মাজৰে এজন) সম্প্ৰতি হাড়-ছালৰ মাজত কোনোমতে লুকাই থকা একোটা মৃতপ্ৰায় মানুহ হৈ পৰিছোঁ। অনাটন, সমস্যাৰ স'তে যুঁজি যুঁজি আমি হৈ পৰিছোঁ নিষ্প্ৰাণ, মৃৎকল্প। কবিয়ে সম্ভৱতঃ সেয়েহে কৈছে — সময়ৰ সাগৰত বা জীৱনৰ সাগৰত পাৰি দিওঁতে কাহানিবাই আমি আচলতে মৃত্যুৰ মুখত পৰিলোঁ। আমাৰ শৰীৰবোৰ সম্প্ৰতি কংকালহে, তাত শগুণে তেজ-মঙহ বিচাৰি নাপায়। এইখিনি কথাকে কবিয়ে এনেদৰে কৈছে—

হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালি পাহিত
দুষ্মন্তৰ চুমাৰ চেকা, কোৰিয়াত জৰাসন্ধৰ কংকাল।
এছিয়াৰ আকাশ আগুৰি শগুণৰ জাক!
আমি জীয়াই আছোঁ যুগৰ সীমান্তত
প্ৰাচীন নাবিকৰ জঁকা। কালিদাস, তুমি কোন
অলকাৰ পলাতক কবি? ডাৱৰ দেখি উন্মাদ?
তোমাৰ কাব্য-বেদীত আমাৰ জীৱন-অৰ্চ্চনা
সৰি পৰা মদাৰৰ ফুল! (... গুৰুতো নেলাগ,
গোসাঁইতো নেলাগ, থাক তলে ভৰি সৰি...।)

শক্তিবানৰ মাজত হোৱা পাৰস্পৰিক খোৱা-কামোৰাই যেন এটা যুগৰ সমাপ্তিহে ঘোষণা কৰিছে — কবিয়ে এনে এটা ধাৰণা ইয়াত দাঙি ধৰিছে। শক্তিবানসকলৰ মাজত হোৱা এনে যুঁজৰ উদ্দেশ্যও কবিতাটোৱে স্পষ্ট কৰি তুলিছে — শক্তিহীনসকলৰ অগোচৰে তেওঁলোকৰ মাজত লুকাই থকা সম্পদ আহৰণৰ উদ্দেশ্য।

কবিতাটোৰ তৃতীয় স্তৱকত ৰাজন্যবৰ্গৰ মাজত অনুষ্ঠিত (!) যুঁজ-বাগৰৰ ভয়াৱহতাৰ প্ৰমাণ দাঙি ধৰি কোৱা হৈছে যে ৰাজনীতি-অৰ্থনীতিৰ অ আ ক খ একো নজনা-নুবুজাকৈ আমি সৰ্বহাৰাবোৰে সদায়ে সেই গোণাম'হৰ যুঁজত বিৰিণা হৈ মৰিছোঁ। আমিও কষ্ট কৰোঁ — প্ৰাণপাত কষ্ট কৰোঁ, পিৰামিড্ সাজোঁ, — যুগ-যুগান্তৰলৈ অক্ষয়-অব্যয় হৈ ৰোৱা পিৰামিড্। তেনে পিৰামিড্ কিন্তু আমাৰ বাবে নহয়,

— আমাৰ প্ৰভুসকলৰ বাবেহে। আমি জীৱন কালততো তেনে পিৰামিড বা অভিজাত আট্টালিকাত থকাৰ সপোন দেখিবই নোৱাৰোঁ, আনকি মৃত্যুৰ পাছতো পিৰামিডত মামী হৈ থকাৰ সপোনো নেদেখোঁ। আমি দেখা সপোনবোৰ হিৰোশ্বিমা-নাগাছাকিৰ দৰে — আনৰ মৃতদেহৰ ৰখীয়া হৈ থাকিবলৈকে আমি মৃত্যুবৰণ কৰিবগৈ লগীয়া হয়। আমি দেখা সুখৰ সপোন বা আমাৰ উত্তৰণশীল চৈতন্য (পিৰামিডৰ মাজত এনে প্ৰতীকী তাৎপৰ্যও বিদ্যমান) সদায় আমাৰ প্ৰভুসকলৰ ৰাজনীতিৰ বোমা-বিস্ফোৰণত বিধ্বস্ত হয়গৈ। এইখিনি চিন্তা কবিৰ ভাষাত এনেকুৱা —

ৰজাই ৰজাই ৰণবিগ্ৰহ, তীখাৰ আস্ফালন। আমি খাণ্ডৱদাহ
অগ্নি-শিখাৰ পুৰি ছাই হোৱা বিৰিণাৰ ফুল ঃ আমাৰ
পিৰামিড্ হিৰোশ্বিমা, নাগাছাকি।

তীখাৰ কঠিনতা ৰাজন্যবৰ্গৰ অনুভৱ শক্তি বিবৰ্জিত মনোজগতৰ বিশেষত্ব। যিকোনো মাৰণাস্ত্ৰ সাধাৰণতে তীখাজাতীয় ধাতুৰে নিৰ্মিত হয় যদিও দৰাচলতে নৃশংস হাতৰ পৰশতহে সেই অস্ত্ৰই কালৰূপ ধাৰণ কৰে। খাণ্ডৱদাহৰ প্ৰসঙ্গটোৱে উপৰিউক্ত আলোচনাক অধিক স্বচ্ছ কৰি দেখুৱাব পাৰে। অৰ্জুনে খাণ্ডৱ-প্ৰস্থ দাহ কৰিছিল পঞ্চপাণ্ডৱৰ বাবে ইন্দ্ৰপ্ৰস্থ নগৰ নিৰ্মাণৰ উদ্দেশ্যে। ব্যাসদেৱৰ মহাভাৰতৰ পাণ্ডৱৰ গুণ-গৰিমা অপাৰ-বিস্তৃত; কিন্তু সেই খাণ্ডৱ-প্ৰস্থ নামৰ অৰণ্যত ভষ্মীভূত হোৱা অগণন জীৱ-জন্তু, তৰু-তৃণৰ বেদনাৰ কিঞ্চিত আভাসো তাত নাই। ইয়াৰ মানে কি? ৰাজ-ৰাজেশ্বৰৰ সুখ-সমৃদ্ধিৰ তুলনাত ক্ষুদ্ৰ লোকৰ (মানুহো হ'ব পাৰে, আন জীৱও হ'ব পাৰে) চকুপানী তেনেই তুচ্ছ! আমেৰিকাৰ বিশ্বজয়ৰ হুতাশৰ তুলনাত আনৱিক বোমাৰ (১৯৪৫ চনৰ ৬ আৰু ৯ আগষ্টত আমেৰিকাই জাপানৰ ক্ৰমে হিৰোশ্বিমা আৰু নাগাছাকি নামৰ চহৰত পাৰমাণৱিক বোমাৰ বিস্ফোৰণ ঘটাই লক্ষাধিক লোকৰ প্ৰাণ কাঢ়ি লৈছিল।) বিস্ফোৰণ-জনিত তেজস্ক্ৰিয়তাত আক্ৰান্ত হৈ মৰণান্তিক জীৱন কটোৱা সাধাৰণ জাপানী লোকসকলৰ দুখৰো কোনো মূল্য নাই!

সেয়েহে কবিৰ প্ৰতিবাদে বিদ্ৰোহৰ ৰূপ ল'ব খুজিছে। কবিয়ে শকুন্তলাক পুনৰ আহ্বান জনাইছে এনেকৈ —

হেৰা শকুন্তলা, তোমাৰ আঙুলিৰ অগ্নি-কণাৰে নুমাই দিয়াঁ
ৰাজকাৰেঙৰ শলিতাৰ জুই। দুষ্মন্তৰ ভাগক স্বপ্ন।
পোহৰতকৈ এন্ধাৰ ভাল।
জীৱনৰ অগ্ৰগতিত ৰামেশ্বৰৰ সেতুৰ বান্ধ।
শঙ্কা কিহৰ?
নতুন পুৱাৰ কেঁচা পোহৰত আশাৰ জুই।
আমাৰ চকুত তীখাৰ শাণ।

নিৰ্যাতিতা হৈও শকুন্তলা দুষ্যন্তৰ পত্নী হ'বলৈ বাধ্য হৈছিল, কাৰণ দুষ্যন্তৰ তুলনাত শকুন্তলা ক্ষমতাহীন সাধাৰণৰ প্ৰতিনিধি। কবিৰ আহ্বান স্পষ্ট ঃ শকুন্তলাই

যেন পূৰ্বৰ  অপমান পাহৰি নাযায়। সেই অপমানৰ বোধ কিঞ্চিতো যদি শকুন্তলাৰ মনত অৱশেষ ৰূপে আছেগৈ তেনেহ'লে তাই এটা কাম কৰা ভাল ঃ ৰাজকাৰেঙত জ্বলি থকা ক্ষমতা-প্ৰদৰ্শনৰ প্ৰতীক স্বৰূপ শলিতাগছি নুমুৱাই দিয়াটো। কাৰণ, সেইগছি শলিতা ওৰে ৰাতি জ্বলি দুষ্যন্তৰ ঐশ্বৰ্য-বৈভৱৰ অহংকাৰ প্ৰমাণ কৰিব খোজে। একে সময়তে সেই শলিতাগছিৰ পোহৰ নাথাকিলে দুষ্যন্ত নিশ্চিন্তমনে শুবও নোৱাৰে, কাৰণ —তেওঁৰ পাপবোধে আন্ধাৰত তেওঁক নিঃসহায় কৰি তোলে। তেওঁৰ পাপবোধৰ কাৰণ, শলিতাগছিৰ ইন্ধন সেইসকল প্ৰজাই আহৰণ কৰা, যিসকলে কাহানিও নিজৰ ঘৰত ৰাতি-বিয়লি শলিতা-জ্বলাবৰ যোত্ৰ অৰ্জন কৰিব পৰা নাই। যি শকুন্তলাৰ আঙুলিৰ মধুৰ পৰশত দুষ্যন্তই নিজকে পাহৰি যায়, সেই আঙুলিতে কিন্তু অস্ত্ৰ ধৰিব পৰা সাহসৰ সম্ভাৱনাও আছে। এতেকে 'আঙুলিৰ অগ্নিকণা'—বিপ্লৱৰ দাবাগ্নিৰ প্ৰাথমিক স্ফুলিংগ। সেয়েহে যি প্ৰজাসাধাৰণৰ কষ্টৰ ফল ইন্ধনেৰে জ্বলোৱা চাকিৰ মধুৰ পোহৰত দুষ্যন্তই সুখস্বপ্ন দেখি শুব পাৰে, সেই নিদ্ৰা ভাগক, তেৰোঁ বুজক আন্ধাৰ কি। তেৰোঁ বুজা উচিত অভাৱ কি, প্ৰবঞ্চনাৰ বলি হোৱাৰ যন্ত্ৰণা কিমান গভীৰ। সেয়েহে কবিয়ে 'পোহৰতকৈ এন্ধাৰ ভাল' বুলি কৈছে। একে সময়তে তেওঁ শকুন্তলাক অভয়-বাণী শুনাবলৈও পাহৰা নাই; তাই যাতে নিজকে অকলশৰীয়া বুলি নাভাবে। লংকালৈ যোৱাৰ বাটত লগ পোৱা সাধাৰণ বান্দৰবোৰেই ৰামক সাগৰত বান্ধ বান্ধি পাৰ কৰাইছিল, লগতো গৈছিল, যুঁজি মৰিছিল আৰু ৰামক জিকাইছিল। এতেকে শকুন্তলায়ো এনে অনেক নগণ্য লোকৰ পৰা সমৰ্থন পাব, সহযোগিতা পাব। এই নগণ্য মানুহৰ দলটোৰ প্ৰত্যেকৰে চকুত আছে বিদ্ৰোহক বিপ্লৱৰ স্তৰলৈ উন্নীত কৰিব পৰা সাহস—তীখাৰ শাণৰ লগতহে যাক তুলনা কৰিব পাৰি। এতেকে অজস্ৰজন যদি অন্যায়-অৱহেলা, উৎপীড়ন-প্ৰতাৰণাৰ বিৰুদ্ধে মাৰ-বান্ধি থিয় হয় (দেশ স্বাধীন কৰিবলৈ বন্দুক লৈ মানুহৰ সমাজ ত্যাগ কৰি হাবিত সোমাব খোজা বিদ্ৰোহীৰ দৰে নহয়), তেনেহ'লে এনে দুখৰ দিন শেষ নোহোৱাৰ কাৰণ নাই। কাৰণ, দুখৰ ৰাতিবোৰ দীঘল হ'লেও এটা সময়ত সি অতীত হ'বলৈ বাধ্য। আগন্তুক প্ৰভাতৰ কোমল ৰ'দৰ পোহৰত সেয়েহে সম্পৃক্ত হৈ আছে অজস্ৰজন নিৰ্যাতিতৰ অকৃত্ৰিম আশা ঃ অত্যাচাৰ শেষ হোৱাৰ আশা, মানুহ হৈ মানুহৰ মৰ্যাদা প্ৰাপ্তিৰ আশা। এনে বলিষ্ঠ আশাবাদী দৃষ্টিভংগীটোৰেই কবিয়ে কবিতাটো সামৰিছে।

কবিতাটোত থকা আটাইতকৈ মূল্যবান সম্পত্তিবিধ হৈছে ইয়াৰ আটিল শৰীৰ আৰু ঘনত্ব-বিশিষ্ট শব্দচয়ন। অনেক প্ৰসঙ্গৰ উল্লেখ থাকিও কবিতাটোৰ শৰীৰৰ বান্ধ সোলোক-ঢোলোক হোৱা নাই। এডাল অদৃশ্য সূতাৰে আটাইবোৰ প্ৰসঙ্গক কবিয়ে বৰ সুন্দৰ কৌশলেৰে জুটি পেলাইছে। ইয়াৰ আন এটা উজ্জ্বল দিশ হৈছে ৰামায়ণ-মহাভাৰত, আন্তৰ্জাতিক ৰাজনীতি, লোকসাহিত্য, ইতিহাস জ্ঞান আদি বিচিত্ৰ বিষয়ৰ প্ৰতি পাঠকক প্ৰলুব্ধ কৰিব পৰাটো। কালিদাসৰ অভিজ্ঞানশাকুন্তলমৰপৰা মেঘদূতলৈ, ইজিপ্তৰ পিৰামিডৰপৰা কোৰিয়াৰ ৰাজনৈতিক বুৰঞ্জীলৈ, অ'পেনহাইমাৰৰ

পাৰমাণৱিক বোমা আৱিষ্কাৰৰপৰা লিটল বয় আৰু ফেটমেনে হিৰোশ্বিমা-নাগাছাকিক শ্মশানত পৰিণত কৰালৈকে বহুতো গুৰুত্বপূৰ্ণ তথ্য উদ্‌ঘাটন কৰিবলৈ এই কবিতাটোৰ পাঠকসকল অনুপ্ৰাণিত হ'ব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

কবিতাটিত 'ফছিল্'ক কিহৰ প্ৰতীক হিচাপে উপস্থাপন কৰিছে? (৬০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৫ সাৰাংশ (Summing Up)

দুখনকৈ মহাযুদ্ধই জোকাৰি যোৱাত মানৱীয় প্ৰমূল্যসমূহ নতুনকৈ বিচাৰ কৰি চোৱাৰ প্ৰৱণতাই গা কৰি উঠিল। হেম বৰুৱাই 'পোহৰতকৈ এন্ধাৰ ভাল'ত এই পৰিৱৰ্তিত মূল্যবোধৰ পটভূমিত ৰোমাণ্টিক প্ৰেমক অভিনৱ দৃষ্টিৰে চাইছে। দুষ্যন্ত আৰু শকুন্তলাৰ প্ৰণয় কাহিনীক মহাযুদ্ধৰ দৰে বৃহত্তৰ প্ৰেক্ষাপটত থৈ কবিয়ে বিষয়বস্তুৰ ক্ষেত্ৰত অভিনৱত্বৰ সূচনা কৰিছে।

মানৱীয় প্ৰমূল্যসমূহ বিপৰ্যস্ত হৈছে যদিও আশাৰ ৰেঙণি কবিয়ে ফুটাই তুলিছে ভাৰতীয় মহাকাব্যৰ পৰোক্ষ উল্লেখৰ জৰিয়তে। গভীৰ নৈৰাজ্যৰ মাজতো এই বলিষ্ঠ আশাবাদ কবিৰ হৃদয়ৰ পৰা উৎসাহিত। আধুনিক কবিতাৰ কেতবোৰ লক্ষণ যেনে কল্পনাৰ শৃংখলতা, মিশ্ৰভাবৰ প্ৰয়োগ, পৰোক্ষ উল্লেখ আদিৰ বিষয়ে আমি জানিব পাৰোহঁক।

ৰোমাণ্টিক কবিতাৰ ধাৰণাৰ শৃংখলা (logic of concept)ৰ বাবে কবিতাৰ ভাবৰ গতি সৰলৰেখাৰ দৰে আগবাঢ়িছিল। কল্পনাৰ শৃংখলা (logic of imagination)ই এলিয়টৰ প্ৰেৰণাত আধুনিক কবিতাৰ স্থান লোৱাত কবিতাৰ পঢুৱৈ বৌদ্ধিকভাৱে বহু পৰিমাণে আগবঢ়া হ'ব লগাত পৰিল আৰু প্ৰকৃতাৰ্থত আধুনিক কবিতা মননধৰ্মী হৈ পৰিল। তেনেদৰে মিশ্ৰভাব (counter point)ৰ ব্যৱহাৰৰ জৰিয়তে আধুনিক কবিতাৰ আংগিকত বিচিত্ৰতা আৰু বৈদগ্ধ্য মূৰ্ত হ'ল। লগে লগে বৃদ্ধি পালে কবিতাৰ আবেদনশীলতা আৰু আকৰ্ষণীয় শক্তি।

'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাত কথা ভাষাৰ ৰূপায়ণ সম্পৰ্কেও আমি অৱহিত হ'ব পাৰো। অৱশ্যে ছাত্ৰ ছাত্ৰীসকলে হেম বৰুৱাৰ প্ৰসিদ্ধ কবিতা 'মমতাৰ চিঠি' একেলগে পঢ়ি চালে এই বিশিষ্টতা অনুধাৱন কৰাত বিশেষ সুবিধা হ'ব। কিয়নো 'মমতাৰ চিঠি' কবিতাত এই বিশিষ্টা অধিকতৰ স্পষ্ট ৰূপত উদ্ভাষিত হৈছে।

## ২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। আধুনিক অসমীয়া কবিতাৰ ধাৰা কোনটো দশকত আৰম্ভ হৈছিল? ইয়াৰ গুৰিত থকা প্ৰভাৱ বা কাৰণসমূহ কেনে ধৰণৰ আছিল?

২। আধুনিক কবিতা বুলিলে আমাৰ কোনবোৰ লক্ষণ বা বৈশিষ্ট্যৰ কথা মনলৈ আহে? সেইবোৰ লক্ষণ আমি 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাত দেখা পাওঁ নে?

৩। হেম বৰুৱাক কিয় আধুনিক কবিতাৰ অগ্ৰদূত বুলি কোৱা হয়? 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিত আধুনিক কবিতাৰ কোনবোৰ বৈশিষ্ট্য ৰূপায়িত হৈছে নিদৰ্শনসহ দেখুৱাওক।

৪। হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাৰ পটভূমি ব্যাখ্যা কৰি কবিতাটিৰ আংগিকগত বিশিষ্টতা প্ৰদৰ্শন কৰক।

৫। আধুনিক অসমীয়া কবিতাৰ ইতিহাসত হেম বৰুৱাৰ স্থান নিৰ্ণয় কৰক।

## ২.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


*হেম বৰুৱাৰ কবিতা* (মন ময়ুৰী, বালিচন্দা আৰু অন্যান্য অপ্ৰকাশিত কবিতা)

ভবেন বৰুৱা : *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*

ইমদাদ উল্লাহ : *সৃজন আৰু মনন*

কৰবী ডেকা হাজৰিকা : *অসমীয়া কবিতা*

চন্দ্ৰ কটকী : *আধুনিক অসমীয়া কবিতা*

নৰকান্ত বৰুৱা : *মোৰ আৰু পৃথিৱীৰ*

প্ৰফুল্ল চন্দ্ৰ বৰা : *জীৱন কবিতা আৰু নৰকান্ত*

লোপা বৰুৱা : *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প*

হোমেন বৰগোহাঞি (সম্পা.) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* (ষষ্ঠ খণ্ড)


*(বিঃদ্ৰঃ- এই আলোচনাটিৰ প্ৰথমছোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰৰ পুৰণি শিক্ষণ-সামগ্ৰীৰ পৰা সংগ্ৰহ কৰা হৈছে।)*

*****

# তৃতীয় বিভাগ
# নৰকান্ত বৰুৱাৰ কবিতা 'সম্ৰাটৰ পৰা'

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ নৰকান্ত বৰুৱাৰ পৰিচয়
৩.৪ নৰকান্ত বৰুৱাৰ কবিতা
৩.৫ নৰকান্ত বৰুৱাৰ কবিতা 'সম্ৰাটৰ পৰা'
৩.৬ সাৰাংশ (Summing Up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত হেম বৰুৱাৰ কবিতা 'পোহৰতকৈ এন্ধাৰ ভাল'ৰ পৰ্যালোচনা আগবঢ়াই অহা হৈছে। এই বিভাগটিত নৰকান্ত বৰুৱাৰ 'সম্ৰাটৰ পৰা' কবিতাটি বিশ্লেষণ কৰা হ'ব।

আধুনিক অসমীয়া কাব্য আন্দোলনৰ অন্যতম পথিকৃৎ কবি নৰকান্ত বৰুৱা। আধুনিক অসমীয়া কবিতা একান্তমনে আলোচনী নিৰ্ভৰ। কুৰি শতিকাৰ চল্লিছৰ দশকৰ পৰা আৰম্ভ কৰি অসমীয়া কবিতাৰ ক্ষেত্ৰত প্ৰৱৰ্তিত হোৱা আধুনিক ধাৰাটোৰ মুখ্য প্ৰতিনিধিমূলক কবি হিচাপে নৰকান্ত বৰুৱাইয়ো আলোচনীৰ পাততে আত্মপ্ৰকাশ কৰিছিল। জোনাকী যুগ আৰু আৱাহন যুগত অসমীয়া সাহিত্যৰ ৰাজধানী আছিল কলিকতা মহানগৰী। ৰামধেনু যুগৰ এদল উজ্জ্বল তৰুণে গুৱাহাটীক অসমীয়া সাহিত্যৰ ৰাজধানী কৰিলে। সেইসকলৰ মধ্যমণি আছিল নৰকান্ত বৰুৱা। তেওঁ আছিল ৰোমাণ্টিক আৰু আধুনিক অসমীয়া কবিতাৰ মাজৰ সেতুস্বৰূপ। এই বিভাগটিত বৰুৱাদেৱৰ 'সম্ৰাটৰ পৰা' কবিতাটিৰ এটা সামগ্ৰিক বিশ্লেষণ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- নৰকান্ত বৰুৱাৰ পৰিচয় লাভ কৰিব পাৰিব,
- নৰকান্ত বৰুৱাৰ কবিতাৰ সামগ্ৰিক বিশ্লেষণ আগবঢ়াব পাৰিব,
- নৰকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাটি পৰ্যালোচনা কৰিব পাৰিব।

## ৩.৩ নৰকান্ত বৰুৱাৰ পৰিচয়

প্ৰসিদ্ধ কবি, ঔপন্যাসিক, ছান্দসিক নৰকান্ত বৰুৱাৰ জন্ম হৈছিল ১৯২৬ চনৰ ২৯ ডিচেম্বৰ তাৰিখে গুৱাহাটীত। তেওঁৰ পিতৃৰ নাম আছিল নীলকান্ত বৰুৱা আৰু

মাতৃৰ নাম স্বৰ্ণলতা বৰুৱা। নগাঁৱত প্ৰাথমিক আৰু হাইস্কুলীয়া শিক্ষা সম্পন্ন কৰে। ১৯৪৭ চনত কলিকতাৰ শান্তি নিকেতন (বিশ্বভাৰতী)ৰ পৰা ইংৰাজী বিষয়ত স্নাতক ডিগ্ৰী অৰ্জন কৰাৰ পাছত ১৯৫৩ চনত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৩ চনত ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৫১ চনত তেওঁৰ প্ৰথম কবিতা সংকলন 'হে অৰণ্য, হে মহানগৰ' প্ৰকাশ পায় আৰু সমসাময়িক অসমীয়া কাব্য সাহিত্যত আলোড়নৰ সৃষ্টি হয়। ১৯৫৪ চনত যোৰহাট জে.বি. কলেজত কেইমাহমান শিক্ষকতা কৰি শেষত কটন কলেজৰ ইংৰাজী বিভাগত স্থায়ীভাৱে শিক্ষকতা আৰম্ভ কৰে। ১৯৮৪ চনত কটন মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে সুদীৰ্ঘ কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

নৱকান্ত বৰুৱাই ১৯৭৪ চনত 'মোৰ আৰু পৃথিৱীৰ' কাব্য-সংকলনটিৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা লাভ কৰিছিল। ১৯৭৫ চনত 'ককাদেউতাৰ হাড়' উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা পায়। ১৯৯৩ চনত মেগৰ শৈক্ষিক ন্যাসে আগবঢ়োৱা অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে। ১৯৯০ চনত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষট্‌পঞ্চাছতম্ অধিৱেশনত সভাপতিত্ব কৰে। ২০০২ চনৰ ১৪ জুলাই তাৰিখে গুৱাহাটীৰ নিজা বাসভৱনত মৃত্যু হয়।

নৱকান্ত বৰুৱাৰ প্ৰকাশিত কবিতা সংকলন ঃ 'হে অৰণ্য হে মহানগৰ', (১৯৫১), 'এটি দুটি এঘাৰটি তৰা', (১৯৫৮), 'যতি আৰু কেইটিমান স্বেচ্ছ', (১৯৬০), 'সম্রাট', (১৯৬২), 'ৰাৱণ', (১৯৬৩), 'মোৰ আৰু পৃথিৱীৰ', (১৯৭৩), 'ৰত্নাকৰ আৰু অন্যান্য কবিতা', (১৯৮৩), 'এখন স্বচ্ছ মুখাৰে', (১৯৯০), 'সূৰ্যমুখীৰ অংগীকাৰ', (১৯৯০), 'নৱকান্ত বৰুৱাৰ কবিতাৱলী', (১৯৯৪), 'ৰাতি জিলমিল তৰা জিলমিল', (১৯৯৯), 'দলঙত তামীঘৰা', (২০০০)। ইয়াৰ উপৰিও ককাদেউতাৰ হাড়, (১৯৭৩)কে ধৰি ৬খন উপন্যাস, ভালেমান শিশু আৰু অনুবাদগ্ৰন্থ প্ৰকাশ পাইছে। নৱকান্ত বৰুৱাৰ আলোচনামূলক দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থ হ'ল 'অসমীয়া ছন্দ শিল্পৰ ভূমিকা', (১৯৫৮) আৰু 'কবিতাৰ দেহবিচাৰ', (১৯৮৮)।

### ৩.৪ নৱকান্ত বৰুৱাৰ কবিতা

যোৱা শতিকাৰ চল্লিশৰ দশকৰপৰা অহা নৱকান্ত বৰুৱা (১৯২৬-২০০২)ৰ বহল পটভূমিত গঢ় লৈ উঠা কবিতাৰ জগতখন নিঃসন্দেহে তেওঁৰ কাব্যিক মহত্ত্বৰ স্বাক্ষৰ। অগ্ৰগণ্য আধুনিক অসমীয়া কবি হিচাপে তেওঁৰ স্বীকৃতি এতিয়া সময়ৰ কষটি শিলত সংশয়াতীত।

আধুনিকতাৰ লক্ষণস্বৰূপ নগৰ-চেতনাই নৱকান্ত বৰুৱাৰ আগছোৱাৰ কবিতাক এটি বিশিষ্টতা প্ৰদান কৰিছে। এটা কথা ঠিক যে বিশ্বৰ এই মহানগৰসমূহে গঢ় দিয়া চেতনাবোধ আমাৰ অসমীয়া কবিতাৰ ক্ষেত্ৰত বিচৰাটো সমীচীন নহয়। কিয়নো নৱকান্ত বৰুৱাই কবিতা লিখিবলৈ লোৱা যোৱা শতিকাৰ চল্লিশৰ দশকটোত অসমত নাগৰিক

আৰু ঔদ্যোগিক জীৱনে বিশ্বৰ উন্নত ৰাষ্ট্ৰসমূহৰ মহানগৰ আৰু ঔদ্যোগিক জীৱনৰ দৰে প্ৰসাৰ আৰু সমৃদ্ধি লাভ কৰাটো দূৰৰে কথা তেনেবোৰ কথা উদ্ভৱেই হোৱা নাছিল। আজিও, অসম কিয় ভাৰতবৰ্ষৰে ৰাজধানীসমূহে উল্লিখিত ৰাজধানীসমূহেৰে ফেৰ মাৰিব পৰাৰ পৰ্যায় পোৱা নাই। খুব বেছি কলিকতাৰ প্ৰবসুৱা জীৱনে নৰকান্ত বৰুৱাৰ নগৰ-চেতনা গঢ় দিছিল।

এইখিনিতে হৰেকৃষ্ণ ডেকাৰ সিদ্ধান্তৰ উল্লেখ প্ৰাসংগিক হ'ব। আধুনিকতা আৰু নগৰ যিহেতু সমাৰ্থক, সেই দৃষ্টিকোণেৰে অৰ্থাৎ নগৰকেন্দ্ৰিক আধুনিকতাৰ প্ৰতি ব্যক্তিমনৰ সচেতন সঁহাৰি তাৎপৰ্যপূৰ্ণ আমি অনুধাৱন প্ৰথমবাৰৰ বাবে কৰোঁ নৰকান্ত বৰুৱাৰ কবিতাত। ইয়াৰ বাবেই তেওঁ আধুনিকতাবাদী অসমীয়া কবিসকলৰ মাজত তেওঁ অগ্ৰহণ্য কবি (ডেকা ঃ ২০৪)। বিষয়ীক এক পৰ্যবেক্ষকধৰ্মী দূৰত্বত ৰখা আৰু তাৰ আধুনিক কৌশলৰ ভাষিক প্ৰয়োগ সম্পৰ্কে সমালোচকগৰাকীয়ে আমাৰ মনোযোগ আকৰ্ষণ কৰে। আত্মসচেতনতা আধুনিকতাবাদী কবিতাৰ এটি বৈশিষ্ট্য। নৰকান্ত বৰুৱাৰ আৰম্ভণি-পৰ্বৰ কবিতাতে এই লক্ষণ দেখা গৈছিল। 'সন্ধ্যাৰ ৰেপ'চদি' কবিতাত জোনৰ বৰ্ণনাক ৰোমাণ্টিক বৰ্ণনাৰ পৰা আঁতৰাই নিয়াৰ প্ৰচেষ্টা যিদৰে পৰিলক্ষিত হয়, তেনেদৰে 'অজ্ঞাতবাসৰ আগনিশা'ত প্ৰাচীন ইতিহাসক আধুনিকতাৰ ৰূপক হিচাপে দেখুৱাইছে (২০৬, ২০৭)।

ভয় আৰু আশ্বাসৰ জটিল উৎকণ্ঠা, বিচ্ছিন্নতাবোধ মূৰ্ত কৰি নৰকান্ত বৰুৱাৰ কবিতাত মহানগৰ এটি ৰূপক হৈ পৰিছিল।

> জীৱন জীয়াই থাকে। তথাপি জীয়াই থাকে
> আৰু থাকে জীৱিকাৰ গলিৰ সোঁতৰ
> অমৃতৰ পুত্ৰ আমি
> মৃত্যুক-স্নাতা হৈ মহানগৰ ('হে অৰণ্য হে মহানগৰ)

জীৱন আৰু মহানগৰ একাকাৰ হৈ গৈছে, ইটোত সিটো আকৰ্ষিত হৈছে। প্ৰসংগক্ৰমে, বুদ্ধদেৱ বসুৰ পৌৰ-বাস্তৱতাৰ কবিতালানিলৈ আমাৰ মনত পৰে। কিন্তু দুয়োৰে নাগৰিক চেতনাৰ মৌলিক পাৰ্থক্য আছে। বুদ্ধদেৱ বসুৰ বাবে কলিকতা সপোনৰ অনুষংগ ঃ

> কর্মের আলোড়ন, দ্বন্দ্বের সংঘাত, স্বপ্নের তীব্রতায়
> তোমার রক্তের সমুদ্ররে ছন্দে জাগিয়া রেখে, জ্বালিয়ে তুলে
> আমাকে সার্বক করেছো তুমি—
> আমার উজ্বয়িনী আমার আমেরিকা কলকাতা। (কলকাতা, সীতের প্রার্থনা ঃ বসন্তের উত্তর)

বিশিষ্ট নৰকান্তীয় নাটক তেওঁৰ বৰ্তমান অস্তিত্বত তীক্ষ্ণতৰ সচেতনতাৰে জাগি উঠিছে। এই মুহূৰ্তত যি সাময়িক অথচ সময়াতীত তাৰ বোধত আশ্ৰয় লৈ ব্যক্তি মুহূৰ্তৰ পৰা মুহূৰ্তান্তৰত প্ৰৱেশ কৰে। কিয়ের্কেগার্ড (১৮১৩-১৮৮৫)ৰ লেখীয়া অস্তিত্ববাদীৰ

বাবে অস্তিত্বত সঁচাসঁচিকৈ জীয়াই থকাৰ অৰ্থ আছিল এয়ে ঃ

প্ৰাণ স্বপ্ন মৃত্যু আৰু বঞ্চনাৰ
হে মহানগৰ
দেশ
কাল
আলোকবৰ্ষৰ পথ লক্ষ কোটি নিৰ্খৱ নিযুত
বিধাতাৰ চিৰ বৰ্তমান
মোৰ চেতনাৰ স'তে এক হৈ যায় (উপলব্ধি, হে অৰণ্য হে মহানগৰ)

'এটি দুটি এঘাৰটি তৰা'ৰ অন্তৰ্গত 'এন্ধাৰ ৰাতিৰ ইলিজী'ত অতীতৰ পৰা প্ৰৱাহিত নিঃসংগ মানুহৰ সোঁত মূৰ্ত হৈছে ঃ

ইয়াত মানুহ নাই
অকলে অকলে মই এন্ধাৰ বাটত
নিজকে নেপাওঁ দেখা।
মই কোন অতীতৰ অশৰীৰী অনুভূতি
ভৱিষ্যতৰ স্বপ্নৰে উতলা

নিজৰ অস্তিত্ব সম্পৰ্কে সন্দেহ গীতিময় উচ্ছল ৰূপত ধ্বনিত হৈছে। 'তুমি আছা, তাকে তুমি খুব বেছি ভাবা/'মোৰ হাঁহি সেইহে দেখিলা'ত কবিৰ অস্তিত্ববাদী চেতনা মূৰ্ত হৈছে। নিঃসংগ একক সত্তা স্বতন্ত্ৰ ঃ

তোমাৰতো আছে বাট জটিল তৰ্কৰ দৰে
সেই বাটে গুচি যোৱা
ভিৰ নকৰিবা।

নৰকান্ত বৰুৱাই 'সম্ৰাট'ত মহাভাৰতক আধুনিক জীৱনৰ এলিয়ট কথিত বস্তুগতসহগ হিচাপে ৰূপায়িত কৰিছে।

মই জানো মই ক্লীৱ
যদিওবা প্ৰাণকীট আশু অংকুৰি মোৰ
ৰমণীৰ ফলদা কুক্ষিত, মই জানো মই ক্লীৱ,
যদ্যপি শক্তিৰ স্ফূৰ্তি অযুত কৰীৰ, তথাপি সি
অন্ধশক্তি, বিলম্বিত ন্যায় দণ্ড পৰে যেন
ভ্ৰান্ত তস্কৰত (সম্ৰাট)

অমিত পৰাক্ৰমী হৈও ধৃতৰাষ্ট্ৰই তাক সদৰ্থক অৰ্থত ব্যৱহাৰ কৰিবলৈ অপাৰগ। আধুনিক মানুহৰ জীৱনৰ নিঃসহায় কৰুণ অৱস্থা প্ৰজনন ৰূপকৰ আধাৰত বাংময় হৈ পৰিছে। 'প্ৰাণকীট' আৰু 'ৰমণীৰ ফলদা'ই এই আৱহ ৰচনা কৰিছে।

ধৃতৰাষ্ট্ৰই কেৱল অভিজ্ঞতাকে মূলধন হিচাপে লোৱাত কল্পনাৰ দীপ্তি অনুজ্জ্বল হৈ পৰিছে। পৌৰুষ অথবা নাৰীত্বৰ স্পন্দন সি জগাব পৰা নাই। ফলস্বৰূপে অন্ধকাৰ নৈৰাজ্যৰ প্ৰসাৰণ ঘটিছে। স্পন্দিত গদ্য আৰু গীতিময়তাৰ সমন্বয়েৰে মূৰ্ত হোৱা নৈৰাজ্য

আধুনিক জীৱনৰ দৰেই সৰ্বব্যাপী ঃ

মই ক্লীৱ কল্পনাবিহীন অভিজ্ঞতা,
আৰু তাৰ
অমোঘ নিবিড় অন্ধকাৰ (সম্ৰাট)

তিনিটা খণ্ডত বিভক্ত দীঘল কবিতা 'ৰাৱণ'ত ৰামায়ণ মহাকাব্যক বস্তুগতসহগ হিচাপে ব্যৱহাৰ কৰিছে। কবিতাটোৰ পটভূমি হিচাপে আছে অশোক বনত বন্দিনী সীতাৰ সন্মুখত ৰাৱণ।

বাল্মিকীৰ ৰাৱণতকৈ নৰকান্ত বৰুৱাৰ ৰাৱণ মানসিকভাৱে সমৃদ্ধতৰ ৰূপত অংকিত হৈছে ঃ

মই যে ৰাৱণ মই কালৰ স্নাতক
মই যে ৰাৱণ মই প্ৰেমাতীত প্ৰেমৰ সাধক
মই যে ৰাৱণ মই, কাব্যাতীত কাব্যৰ পাঠক
মই যে ৰাৱণ মই ক্ৰান্তদৰ্শী বিশ্ব প্ৰবাহৰ।

—ৰাৱণ সময়, প্ৰেম আৰু কালৰ ঊৰ্দ্ধত— তেওঁ নিৰ্দিষ্ট সময় সীমাৰ সীমিত জ্ঞান অতিক্ৰমী গৈছে।

আত্মসচেতনতা আধুনিক কবিতাৰ এটি বৈশিষ্ট্য। আধুনিক মানুহ এগৰাকীৰ দৰেই ৰাৱণেও নিজৰ ব্যক্তিত্বৰ পৰা পলায়ন কৰিব বিচাৰিছে। সীতাৰ প্ৰণৱ আকাংক্ষাৰ কাৰণ নিৰ্ণয় কৰিবলৈ ৰাৱণ অপাৰগ ঃ

মাথোঁ লোভ? মাথো তৃষ্ণা? মাথোঁ এয়া
আত্ম কণ্ডুয়ন?
নিজক বিচাৰোঁ মই তোমাৰ মাজত
সেয়া লোভ, সেয়া তৃষ্ণা, সেয়া মাথোঁ
আত্ম কণ্ডুয়ন?

এনেদৰেই মহাকাব্যৰ ৰাৱণ নৰকান্ত বৰুৱাৰ কবিতাত আধুনিক জীৱনৰ প্ৰতিনিধি হিচাপে চিত্ৰিত হৈছে।

নৰকান্ত বৰুৱাৰ যোৱা শতিকাৰ আশীৰ দশকৰ কবিতাত প্ৰদীপ আচাৰ্যই স্বতঃপ্ৰবৃত্ত ৰূপ, অপ্ৰতিহত অনুসন্ধিৎসা আৰু আত্মজিজ্ঞাসাৰ এটি অনাড়ম্বৰ পৰিপূৰ্ণতা লক্ষ্য কৰিছে (অসমীয়া সাহিত্যৰ বুৰঞ্জী— ৬ষ্ঠ খণ্ড, পৃঃ ৩৯৮)। প্ৰদীপ আচাৰ্যই কৈছে যে, নৰকান্ত বৰুৱাৰ কবিতাত বৌদ্ধিক উত্তেজনা অনুভূতিলৈ ৰূপান্তৰিত হৈছে। নৰকান্ত বৰুৱাৰ স্বকীয় উপলব্ধি প্ৰকাশক শব্দ প্ৰয়োগ-ৰীতিয়ে ভবেন বৰুৱা, অজিৎ বৰুৱা, মহেন্দ্ৰ বৰা আৰু হীৰেন ভট্টাচাৰ্যক প্ৰভাৱান্বিত কৰা কথাটোও আচাৰ্যই উদাহৰণেৰে দেখুৱাইছে।

'নৰকান্ত বৰুৱাৰ কবিতাত মানৱতাবোধ' শীৰ্ষক গুৰুত্বপূৰ্ণ প্ৰবন্ধত কবি-সমালোচক হীৰেন্দ্ৰ নাথ দত্তই নৰকান্ত বৰুৱাক ভাৰতীয় চিন্তাধাৰা তথা ভাৰতীয় ঐতিহ্যৰ

এজন একান্ত অনুৰাগী অন্বেষক বুলি অভিহিত কৰিছে। নৰকান্ত বৰুৱাৰ কবিতাত মানৱতাবোধৰ কথা ক'বলৈ যাওঁতে হীৰেন্দ্ৰ নাথ দত্তই মানুহৰ মহত্ত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা নৱন্যাসৰ যুগৰ প্ৰসংগ উত্থাপন কৰিছে। আৰভিং বেবিটৰ উল্লেখেৰে দত্তই কৈছে যে মানৱতাবাদৰ অধ্যয়ন শিক্ষা ব্যৱস্থাৰ বাবে অপৰিহাৰ্য। নৰকান্ত বৰুৱাৰ ইতিহাস-চেতনা তেওঁৰ মানৱতাবোধৰ লগত সম্পৃক্ত। এই ইতিহাস-চেতনা তেওঁৰ মানৱতাবোধৰ লগত সম্পৃক্ত। এই ইতিহাস-চেতনাত হীৰেন্দ্ৰ আৰ্ণল্ড টয়নবিৰ Cyclic Theory of Historyৰ প্ৰভাৱৰ কথা কৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

নৰকান্ত বৰুৱাৰ কবিতাৰ এটা প্ৰধান বৈশিষ্ট্য 'ইতিহাস চেতনা' —কথাষাৰ গ্ৰহণযোগ্য নে? (৬০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

......................................................................................................

......................................................................................................

......................................................................................................

### ৩.৫ নৰকান্ত বৰুৱাৰ 'সম্ৰাটৰ পৰা'

'সম্ৰাটৰ পৰা' নামৰ কবিতাটো আৰম্ভণিতে 'ধৃতৰাষ্ট্ৰ' নামেৰে প্ৰকাশ পাইছিল। কবিতাটোত আয়তন প্ৰদান কৰিবৰ কাৰণে পিছলৈ 'সম্ৰাটৰ পৰা' নামকৰণ কৰিছিল। 'সম্ৰাট'ৰ পৰা কবিতাটোৰ 'প্ৰতিপাদ্য' শীৰ্ষক আগকথাত 'ৰাজনীতি'ৰ প্ৰসংগ উত্থাপন কৰিছে কবি নৰকান্ত বৰুৱাই ঃ "সম্ৰাট শীৰ্ষক এই কবিতাত জীৱন আৰু ৰাষ্ট্ৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াত কিঞ্চিৎ আলোকপাত কৰিবলৈ প্ৰয়াস পাইছোঁ। মানুহৰ ৰাষ্ট্ৰসত্তাৰ প্ৰতীকৰ সন্ধান কৰোঁতে মোৰ আগত থিয় দিলেহি অন্ধ, স্থবিৰ সম্ৰাট ধৃতৰাষ্ট্ৰৰ ছায়ামূৰ্তি। শুক্ৰনীতিৰ ক্ষেত্ৰত কৌটিল্য, মেকিয়াভেলি আনকি অনুগীতাৰ ভীষ্মও কেৱল মাত্ৰ আংশিক। ৰাৱণৰ ৰাজনীতিও চাণক্যসুৰীয়া। কিন্তু ধৃতৰাষ্ট্ৰ একক সম্পূৰ্ণ। কল্যাণকামী আৰু শক্তিসন্ধৰাষ্ট্ৰৰ এই দুয়োটা ৰূপতেই এই কথা স্পষ্টকৈ প্ৰতীয়মান হয় যে মানুহৰ ৰাষ্ট্ৰবিধি কেৱল মাত্ৰ অতীতৰ অভিজ্ঞতাৰ ভিত্তিতেই গঢ়ি উঠে। ভৱিষ্যতৰ কথা ভাবিলেই কাৰ্লমাৰ্ক্সৰ দৰে ৰাষ্ট্ৰক হেৰুৱাই পেলাবলগীয়া হয়। যি কল্পনা শক্তিয়ে মানুহক দিলে শিল্প-বিজ্ঞান-গ্ৰীক দাৰ্শনিকৰ ৰাষ্ট্ৰচিন্তাত এই কল্পনা নিৰ্বাসিত। প্ৰয়োজনসম্ভূত জান্তৱ ব্যৱহাৰ বিধিয়েই চিৰকাল ৰাষ্ট্ৰচিন্তাৰ সূত্ৰ। সাম্প্ৰতিক পৃথিৱীৰ বিভিন্ন দেশৰ ৰাষ্ট্ৰসংকটে মানৱ সভ্যতাত যি সংপ্লৱৰ সৃষ্টি কৰিছে তাত 'ধৃতিৰ আশ্ৰয় মাথোঁ মানুহৰ পৰম নিৰ্ভৰ।' মানুহৰ ৰাষ্ট্ৰচিন্তা ইমানদিনে কেৱল মাত্ৰ ব্যাকৰণ হৈয়েই থাকিল। কেতিয়াবা জানো সি কবিতা হৈ নুঠিব?

'সম্ৰাটৰ পৰা' কবিতাটো দুটা অনুচ্ছেদত বিভক্ত। আমাৰ পাঠ্য হিচাপে আছে প্ৰথম অনুচ্ছেদটো। এই অনুচ্ছেদত ধৃতৰাষ্ট্ৰই সঞ্জয়ক সম্বোধন কৰিছে। দ্বিতীয় অনুচ্ছেদত

গান্ধাৰীক সম্বোধন কৰিছে। দুয়োটা অনুচ্ছেদৰ আৰহ হিচাপে আছে কুৰুক্ষেত্ৰত যুদ্ধৰ সমাপ্তিৰ অলসতা আৰু অৱসাদৰ ভাৰ। প্ৰকৃতিৰো সেউজময়তাৰ উদ্‌যাপন শেষ হৈছে, যুদ্ধৰ ক্লান্তি-মালিন্যই যেন তাক গ্ৰাস কৰিছে ঃ

বসন্তৰ হ'ল শেষ। জোঁট লগা পলাশ-ডালত
শেষ হ'ল শালিকাৰ চটুল কাকলি।
শালৰ সুৱাস-ৰিক্ত বতাহত স্বেদৰ ইংগিত
দিনৰ ঘৰ্মাক্ত চিন্তা সন্ধিয়াই শীতল কৰেহি।

ডক্টৰ হীৰেন গোহাঁয়ে 'সাহিত্যৰ সত্য' গ্ৰন্থত 'সম্ৰাটৰ পৰা' কবিতাটিৰ এটি বিশ্লেষণ আগবঢ়াইছে (৮০-৮৬)। কবিতাটিত নিহিত ৰাষ্ট্ৰচিন্তাৰ কথা ক'বলৈ যোৱাৰ আগেয়ে ডক্টৰ গোহাঁয়ে নৱজাগৰণৰ প্ৰসঙ্গ উত্থাপন কৰিছে। স্থায়ী ন্যায়নিষ্ঠ সুস্থ ৰাষ্ট্ৰ গঠনৰ চিন্তাই নৱজাগৰণৰ দিনৰে পৰা চিন্তাবিদসকলৰ মগজুত খলকনি তুলি আহিছে। ৰাষ্ট্ৰ নিৰ্মাণৰ আকাংক্ষাৰ সদৰ্থক-নঞৰ্থক দুয়োটা দিশৰে স্ফূৰণ দেখা যায়। সদৰ্থক দৃষ্টিকোণৰ একেবাৰে শীৰ্ষত অৱস্থান কৰিছে ঊনবিংশ শতিকাৰ মাৰ্ক্সবাদে। ইয়াৰ বিপৰীতে কাৰ্ল পপাৰ, আইছয়া বেলিন, মাইকেল ঔক্শ্বট আদি বুদ্ধিজীৱীয়ে নতুন ৰাষ্ট্ৰ নিৰ্মাণৰ কথাটো ইতিবাচক দৃষ্টিকোণেৰে কিন্তু চোৱা নাই। কাৰ্লপপাৰে কল্যাণ প্ৰসবৰ ব্যৰ্থ পৰিশ্ৰম বুলি ইয়াক অভিহিত কৰাৰ দৰে আইছয়া বেৰ্লিনে সাম্য (equality) আৰু স্বাধীনতা (liberty) প্ৰায় পৰস্পৰবিৰোধী লক্ষ্য বুলি কৈছে। মাইকেল ঔকশ্বটে ৰাষ্ট্ৰৰ নৱনিৰ্মাণ অসম্ভৱ বুলি কৈছে।

'সম্ৰাটৰ পৰা' কবিতাত নৱকান্ত বৰুৱাৰ জীৱনবোধ আৰু অভিজ্ঞতা ওতঃপ্ৰোতভাৱে জড়িত আছে বুলি ডক্টৰ হীৰেন গোহাঁইয়ে কৈছে। অভিজ্ঞতাতকৈ কল্পনাক মহত্ব প্ৰদান কৰাত দাৰ্শনিকতাৰ সূচনা হৈছে। ৰাষ্ট্ৰৰ সংকট উপস্থিত হৈছে এই কাৰণেই যে কল্পনাৰ উন্মুক্ত বিচৰণ তাত নাই, পুৰুষ-নাৰী নিৰ্বিশেষে ৰাষ্ট্ৰৰ সকলো নাগৰিকৰে কল্যাণ সাধন হ'ব। ধৃতৰাষ্ট্ৰ আধুনিক ৰাষ্ট্ৰৰ প্ৰতীক ঃ ব্যৰ্থতা আৰু হতাশা যাৰ নিত্য সহচৰ। আধুনিক ৰাষ্ট্ৰ এখন পৰমাণুকে ধৰি বিভিন্ন শক্তিৰে বলীয়ান, কিন্তু অন্ধশক্তিয়ে আধুনিক জীৱনৰ জড়ত্বৰ বাবে শুভপথৰ উন্মোচন কৰিব নোৱাৰে ঃ

মই জানো মই ক্লীৱ।
যদিও বা প্ৰাণকীট আশু অংকুৰিত মোৰ
ৰমণীৰ ফলদা কুক্ষিত। মই জানো মই ক্লীৱ,
যদ্যপি শক্তিৰ স্ফূৰ্তি অযুত কৰীৰ, তথাপি সি
অন্ধ শক্তি, বিলম্বিত ন্যায়-দণ্ড পৰে যেন
ভ্ৰান্ত তস্কৰত।
মই জানো মই ক্লীৱ। কাৰণ ন্যায়ৰ সূত্ৰ প্ৰতিশাখ্যা
অভিজ্ঞতা ভিত্তি মাথোঁ মোৰ; কল্পনাৰ উন্মুক্ত পৱনে।
নোতোলে লহৰ তাত পৌৰুষ অথবা নাৰীত্বৰ।

কল্পনাৰ ওপৰত অগাধ বিশ্বাস যিদৰে কৰিব, তেনেদৰে বুদ্ধিৰ (প্ৰতিশাখা)ৰ প্ৰতি কবিৰ অনাস্থাও প্ৰকট ঃ

পিতাৰ উৎকণ্ঠা আৰু মোহ উদ্বেগেৰে মই
শুক্ৰনীতি ৰচিলোঁ নিৰ্ভয়ে। সাম্ৰাজ্যৰ চক্ৰ জালে
আনহাতে পিতৃত্বক কৰিলে বঞ্চনা।

বুদ্ধিৰ বিকাশে যি শুক্ৰনীতিৰ জন্ম দিলে সেয়াই যেন ৰাষ্ট্ৰৰ কল্যাণৰ পথ ৰুদ্ধ কৰি দিয়ে।

প্ৰথম অনুচ্ছেদৰ নাটকীয়তাৰ মাজতো অনুভূতিসিক্ত কেতবোৰ স্তৱকে আমাৰ হৃদয় সিক্ত কৰি তোলে ঃ

যদিওবা ৰাজ্য মোৰ নিৰ্বিকাৰ মানচিত্ৰ।
বিধৱাৰ সীমান্তৰে অঁকা। মোৰ সৈন্য
প্ৰান্তৰৰ শিলৰ চেদত সৌৰা গজি আছে
দীঘলীয়া ঘাঁহ। মই পিতা,
যদিওবা মোৰ পুত্ৰ হঠাৎ চকুত আহি পৰে
উৰণীয়া চিতাৰ কুকুহা।

ৰাষ্ট্ৰৰ পিতা হিচাপেও বহু সৈন্যৰ মৃত্যুৰ বাবে ধৃতৰাষ্ট্ৰ বেদনাদগ্ধ, অনাচাৰী পুত্ৰৰ ৰাজ্য বিস্তাৰৰ অভিযান্তে নিজ পুত্ৰৰ লগতে বহুজনৰ চিৰবিদায় সংঘটিত হৈছে।

ব্যক্তিগত অনুভূতিৰ মৰ্মস্পৰ্শিতা বলিষ্ঠ ৰূপত মূৰ্ত হৈছে নৱকান্ত বৰুৱাৰ কবিতাত। কন্যাৰ নগ্নতা শস্যহীন পথাৰৰ নগ্নতাৰ সমাৰ্থক বুলি কৈ কবিয়ে আধুনিক ৰাষ্ট্ৰৰ সন্মুখলৈ নামি অহা অনিবাৰ্য ফলহীনতাৰে ইংগিত দিছে ঃ

মানুহৰ গ্লানি যত— ক্লীৱতাৰ তাতেই মৰ্যাদা।
নীতিৰ নামত মই বিশ্বাসেৰে খেলিলোঁ হেতালি
সকলোটি হ'ল খেলি-মেলি
কোন সত্য? নীতিৰ ক্লীৱতা নতু হৃদয়ৰ পৰম নিৰ্ভৰ?

আধুনিক ৰাষ্ট্ৰনীতিত অভিজ্ঞতাইহে বিশেষভাৱে গুৰুত্ব বহন কৰি আহিছে। কল্পনাৰ চৰাইটোৰ পাখি কাটি পেলোৱাৰ কাৰণেই আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাই বৃহত্তৰ মানৱীয় কল্যাণবোধৰ দায়িত্ব সি পালন কৰিব পৰা নাই। কল্পনাই তাৰ দিগন্ত বিস্তাৰত পাৰি দিয়ে কেৱল সপোনত ঃ

আজি মোৰ অন্ধ দুচকুত নামিছে নতুন অভিজ্ঞতা।
হে সঞ্জয়, আজি মই জানো, স্বপ্ন কিনো।
স্বপ্নই সানিলে আহি কল্পনাৰ তুলসী চন্দন
অন্ধ অভিজ্ঞতাশিলা হ'ল শালগ্ৰাম।
স্বপ্নই দিলেহি দৃষ্টি জীৱনত আলোক বঞ্চিত এই
জৰদগৱ অন্ধ সম্ৰাটক....

গীতিময়তাৰে এই কাব্যিক ৰূপায়ণ কবিতাটোৰ জটিলতাৰ মাজতো পঢ়ুৱৈৰ বাবে আকৰ্ষণীয়। ব্যক্তি-স্পৰ্শৰে ৰাষ্ট্ৰ-স্পৰ্শৰ যি প্ৰক্ৰিয়া কবি নৱকান্ত বৰুৱাই সম্ভৱ কৰি তুলিছে, তাৰ বাবে তেওঁ নিশ্চয় কৃতজ্ঞতাৰ পাত্ৰ। সংস্কৃত তৎসম শব্দ (আশু, ফলদা, কুক্ষিত, প্ৰতিশাখ্য)ৰ সচেতন প্ৰয়োগে অৱশ্যে মহাভাৰতৰ আৱহ এটিহে ৰচনা কৰিছে, সমগ্ৰ পৃথিৱীৰ এটি পৰিপ্ৰেক্ষিত প্ৰদানত কিছু পৰিমাণে ব্যৰ্থ হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

কবিতাটিৰ 'ধৃতৰাষ্ট্ৰ' নামটিৰ তাৎপৰ্য আছে নে? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৩.৬ সাৰাংশ (Summing Up)

নৱকান্ত বৰুৱাৰ আধুনিক অসমীয়া কাব্য আন্দোলনৰ অন্যতম গুৰিধৰোঁতা। ইংৰাজী আৰু সমসাময়িক বাংলা সাহিত্যৰ অধ্যয়নৰ মাজেদি এই গৰাকী কবিয়ে অসমীয়া কবিতাৰ জগতলৈ নতুনৰ বতৰা কঢ়িয়াই আনে। কবিগৰাকীৰ 'সম্ৰাটৰ পৰা' কবিতাটি আংগিক বিষয়বস্তু আদি সকলো দিশৰ পৰাই এটি উৎকৃষ্ট আধুনিক কবিতা। 'সম্ৰাট' কবিতাটিত নৱকান্ত বৰুৱাৰ জীৱনবোধ আৰু অভিজ্ঞতা ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। কবিতাটোত নিহিত হৈ আছে ৰাষ্ট্ৰৰ চিন্তাৰ কথা। কবিতাটিত ধৃতৰাষ্ট্ৰক আধুনিক ৰাষ্ট্ৰৰ প্ৰতীক হিচাপত কবিয়ে উপস্থাপন কৰিছে। ব্যৰ্থতা আৰু হতাশা তেওঁৰ নৃত্য সহচৰ। আধুনিক ৰাষ্ট্ৰ এখন পৰমাণুকে ধৰি বিভিন্ন শক্তিৰে বলীয়ান। কিন্তু অন্ধ শক্তিয়ে আধুনিক জীৱনৰ জড়ত্বৰ বাবে শুভ পথৰ উন্মোচন ঘটাব নোৱাৰে।

## ৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। কবি নৱকান্ত বৰুৱাৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰক।

২। নৱকান্ত বৰুৱাৰ কবিতা শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰক।

৩। নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাটিৰ বিষয়বস্তু বিচাৰ কৰক।

৪। 'সম্ৰাট' কবিতাটিৰ জৰিয়তে ধৃতৰাষ্ট্ৰক কেনেদৰে আধুনিক ৰাষ্ট্ৰৰ প্ৰতীক হিচাপে উপস্থাপন কৰিছে? পৰ্যালোচনা কৰক।

## ৩.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

আধুনিক কবিতা, হৰেকৃষ্ণ ডেকা, পেপিৰাছ, গুৱাহাটী, ২০১৩।

নিৰ্বাচিত সমালোচনা, হীৰেন্দ্ৰ নাথ দত্ত, ইক্ৰা, গুৱাহাটী, ২০১১।

সাহিত্যৰ সত্য, হীৰেন গোহাঁই, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯৪ (১৯৭০)।

অনুশীলন, অৰিন্দম বৰকটকী, ক্ৰান্তিকাল প্ৰকাশন, নগাঁও, ২০১০।

আধুনিক অসমীয়া কবিতা, এম. কামালুদ্দিন আহমেদ, বনলতা, গুৱাহাটী, ২০২০ (তৃতীয় সংস্কৰণ)।

কথা বৰেণ্য, শোণিত বিজয় দাস, মুনীন বায়ন (সম্পাঃ), কথা প্ৰকাশন, গুৱাহাটী, ২০০৬।

*****

# চতুৰ্থ বিভাগ
## অজিৎ বৰুৱাৰ 'দুখৰ কবিতা'

**বিভাগৰ গঠনঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ কবি পৰিচয়
৪.৪ 'দুখৰ কবিতা'ৰ মুল পাঠ
৪.৫ কবিতাৰ বিশ্লেষণ
৪.৬ ভাষা, আংগিক ইত্যাদি
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

অসমীয়া কবিতাৰ আধুনিক পৰ্বটোক বিশেষভাৱে সমৃদ্ধ কৰা কবিসকলৰ অন্যতম আছিল অজিৎ বৰুৱা ১৯২৬-২০১৫ । হেম বৰুৱা, নৱকান্ত বৰুৱা, নীলমনি ফুকন, বীৰেশ্বৰ বৰুৱা, ভৱেন বৰুৱা আদি কবিসকলৰ সৈতে অজিৎ বৰুৱাই আধুনিক অসমীয়া কবিতাক বিশাল আয়তন প্ৰদান কৰিলে। সংখ্যাত তাকৰ কিন্তু ভালেমান দিশেৰে উল্লেখযোগ্য কেতবোৰ কবিতা লিখি বৰুৱাই অসমীয়া কবিতাক নতুন মাত্ৰা দিছিল। আধুনিক ইংৰাজী কবি টি.এছ.এলিয়টৰ কাব্যৰীতিৰ অনুৰাগী বৰুৱাই অসমীয়া ভাষাৰ কালিকা ব্যঞ্জনাক্ষম আংগিকেৰে উন্মোচন কৰিছিল নিজৰ কবিতাত। এফালে আধুনিক চেতনা আৰু আনফালে অসমীয়া গ্ৰাম্য জীৱনৰ নিভাঁজ চিত্ৰায়নেৰে বৰুৱাই যিবোৰ অবিস্মৰণীয় কাব্য-পাঠ সৃষ্টি কৰিলে,যিকোনো সাহিত্যৰ ছাত্ৰৰ বাবে সেইসমূহ অৱশ্য-পঠনীয়। 'মন-কুৱঁলী সময়','দুখৰ কবিতা', 'জেংৰাই ১৯৬৩', 'ব্ৰহ্মপুত্ৰ', 'স্কিজোফ্ৰেনিয়াৰ বিষয়ে, 'চেনৰ পাৰত' আদি ক্লাছিক পৰ্যায়ৰ কবিতা ৰচনা কৰি বৰুৱাই অসমীয়া কবিতাত নতুন দিগন্তৰ সূচনা কৰিলে।

### ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- 'দুখৰ কবিতা' শীৰ্ষক পাঠটোৰ অন্তৰ্নিহিত ভাব ব্যাখ্যা কৰিব পাৰিব,

- কবি অজিৎ বৰুৱা তথা তেওঁৰ কবিতাৰ বিষয়ে জানিব পাৰিব,
- অজিৎ বৰুৱাৰ কাব্যচৰ্চাৰ প্ৰেক্ষাপটত আধুনিক অসমীয়া কবিতাৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- 'দুখৰ কবিতা'ৰ কাব্য-ৰীতি, কাব্য- ভাষা আদিৰ বিষয়ে ফঁহিয়াই চাব পাৰিব।

**৪.৩ কবি পৰিচয়**

আধুনিক অসমীয়া কবিতাৰ অন্যতম প্ৰধান কণ্ঠ অজিৎ বৰুৱাৰ জন্ম হৈছিল ১৯২৬ চনত, গুৱাহাটীত। তেওঁৰ পিতৃৰ নাম আছিল চিত্ৰমল্ল বৰুৱা আৰু মাতৃ আছিল পদ্মলতা বৰুৱা। দেউতাক চিত্ৰমল্ল বৰুৱা আছিল স্কুল পৰিদৰ্শক। সেয়েহে দেউতাকৰ চাকৰিসূত্ৰে অজিৎ বৰুৱাই অসমৰ বিভিন্ন ঠাইত প্ৰাথমিক, মজলীয়া আৰু হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল।পৰৱৰ্তী সময়ত কটন কলেজৰ পৰা তেওঁ স্নাতক আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল ১৯৪৭ চনত। ১৮৫২ চনত তেওঁ ভাৰতীয় ৰাজস্ব সেৱাৰ বিষয়া হিচাপে নিযুক্ত হয় আৰু ১৯৭১ চনত ভাৰতীয় প্ৰশাসনিক সেৱালৈ পদোন্নতি হয়। ১৯৮৬ চনত নামনি অসমৰ আয়ুক্ত হিচাপে চাকৰীৰ পৰা তেওঁ অৱসৰ লয়।

চাকৰি জীৱনৰ ব্যস্ততাৰ মাজতে তেওঁ অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই থৈ গৈছে। অজিৎ বৰুৱাই নিজে কোৱা মতে তেওঁ লিখা প্ৰথম কবিতাটো আছিল 'মন মোৰ নাথাকে ইয়াত'। কিন্তু কবিৰ প্ৰথম প্ৰকাশিত কবিতা আছিল 'তাজমহল'। যোৱাটো শতিকাৰ পঞ্চাছৰ দশকৰ পৰা তেওঁ সাহিত্যচৰ্চা কৰি আহিছিল যদিও তেওঁৰ প্ৰথম কবিতা সংকলন 'কিছুমান পদ্য আৰু গান' প্ৰকাশ পাইছিল ১৯৮২ চনতহে।পৰৱৰ্তী সময়ত তেওঁৰ আৰু তিনিখন কবিতা পুথি যথাক্ৰমে 'ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য' (১৯৮৯), 'গছ প্ৰেমৰ পদ্য' (২০০০) , আৰু কিছুমান পদ্য আৰু গান (২০০১) প্ৰকাশ পাইছিল। কবি হোৱাৰ উপৰিও অজিৎ বৰুৱা আছিল একাধাৰে ঔপন্যাসিক, সাহিত্য সমালোচক আৰু অনুবাদক। সাহিত্য অকাডেমি আৰু অন্যান্য ভালেমান বঁটাৰে সন্মানিত বৰুৱাৰ অসমীয়া সাহিত্যলৈ অৱদান লেখতলবলগীয়া। ২০১৫ চনত এইবৰেণ্য কবিজনাই ইহলীলা সম্বৰণ কৰে।

**৪.৪ 'দুখৰ কবিতা'ৰ মুল পাঠ**

(দীনেশ মিশ্ৰক সুঁৱৰি)

"...... As he rose and fell

He passed the stages of his age and youth

Entering the whirlpool"

গুজৰি সুহুৰি মাৰিলে সোঁতাল বাঘে
ভিতৰি বিজুলী বলিলে কঠিন ঘামৰ ছবি
--যেনে খুচী নাম দিবা
ভিজা আন্ধাৰৰ ঘৰ জানাবোৰে
অলপ মাথোন অনাই ৰ'বা।

পুৰণি বছৰ নতুন পলকে আঁজুৰি আঁজুৰি কান্দে
পানীৰ সময়ে ঘন কৰি হায় মৰণে জীৱন যাচে
আমাক ইদৰে ভেঙুচে ৰসিক মৰণে
"জীৱন কালৰ বহুৱা"--মৰণ কাৰ?

শোকসভা ঘঁৰিয়াল
নাৱৰ টিঙত যিবিলাকে বহা দীঘল চকুলো পেলাবা
যুক্তিয়ে লগ নোপোৱা দীঘল কৰি
ওপৰে আকাশ তলে চলে পানী
অকাঠী কাঠৰ নাৱৰপৰা
খেদেৰে দেখোঁ আৰু সেই চকু
যি হ'ল মুকুতা আজি।

**৪.৫ কবিতাৰ বিশ্লেষণ**

'দুখৰ কবিতা' কবিয়ে লিখিছিল ১৯৪৯ চনত, কলিকতাত। কবিয়ে দীনেশ মিশ্ৰক সুঁৱৰি কবিতাটো লিখিছিল। কবিতাটো আৰম্ভ হৈছে এটা ইংৰাজী কবিতাৰ উক্তিৰে। টি.এছ.এলিয়টৰ "দ্য ৱেইষ্ট ল্যাণ্ড"ৰ চতুৰ্থ খণ্ড 'দেথ বাই ৱাটাৰ'ৰ পৰা এই কাব্যাংশ কবিয়ে 'দুখৰ কবিতা'ত প্ৰয়োগ কৰিছে। অভ্যন্তৰীণ সংগীতৰ অনুৰণন থকা (গুঁজৰি সুহুৰি মাৰিলে সোঁতাল বাঘে) কবিতাটো কেইবাটাও বৈশিষ্ট্যৰে সমৃদ্ধ। যি কি নহওক প্ৰথমে আমি কবিতাটোৰ ভাৱ আৰু অন্তৰ্নিহিত অৰ্থ সম্বন্ধে আলোচনা কৰিম।

কবিতাৰ অৰ্থ অথবা ভাব সকলো বিচাৰত একেধৰণৰ নহয়। এটা পৰ্যায়লৈ আমি তাক উন্মোচন কৰিবলৈ প্ৰয়াস কৰিব পাৰোঁ। এই কবিতাটোৰ শিৰোনাম আৰু তাৰ পাছতে উল্লেখ থকা দীনেশ মিশ্ৰৰ সোঁৱৰণে এটা ধাৰণা দিয়ে যে কবিতাটোত দুখবোধ এক প্ৰভাৱী বিষয়, পৰম্পৰাগত ইলিজীৰদৰে নহ'লেও। কবি অজিৎ বৰুৱাই "পদ্যৰ পাছৰ কাব্য" নামৰ এখন পুথি লিখিছিল য'ত তেওঁ নিজৰ বিভিন্ন কাব্য-পাঠৰ অৰ্থ নিজেই উন্মোচন কৰিছে। কবি বৰুৱাই কোৱামতে উক্ত দীনেশ মিশ্ৰ আছিল অত্যন্ত মেধাৱী ছাত্ৰ, যাৰ মৃত্যু হৈছিল পানীত ডুবি।

এই দীনেশ মিশ্ৰৰ কঠোৰ পৰিশ্ৰমীজীৱন আৰু মনোবলক লৈয়েই প্ৰথম স্তৱকত কবিয়ে ইংৰাজী মেটাফিজিকেল কবিতাৰ 'কনছিট' (উপমা)ৰ দৰে নিৰ্মান কৰিছে 'কঠিন ঘামৰ ছবি'। (কঠিন পৰিশ্ৰমত যিহেতু ঘাম ওলাই) 'গুজৰি সুহুৰি মাৰিলে সোঁতাল বাঘে'- এই কনছিটে মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল শক্তিক সূচাইছে। বিজুলী বলিলে কঠিন ঘামৰ ছবি- অৰ্থাৎ পানীত পৰাৰ পাছত দ্ৰুতগতিত মৃত্যুৰ মুখলৈ আগবঢ়া দীনেশ মিশ্ৰই তেওঁৰ জীৱনৰ কঠিন সংগ্ৰামৰ ছবি বিজুলীৰ দৰে বলি যোৱা মুহূৰ্ত দাঙি ধৰা হৈছে। দীনেশ মিশ্ৰ অতি দুখীয়া পৰিয়ালৰ আছিল। ঘৰ আছিল মাটিৰে লেপা, খিৰিকী নথকা। সেয়ে ঘৰৰ ভিতৰত আন্ধাৰ--ভিজা আন্ধাৰ। 'অনোৱা' কামৰূপৰ প্ৰচলিত শব্দ, যাৰ অৰ্থ শুনিবলৈ চেষ্টা কৰা। ভিজা আন্ধাৰৰ ঘৰ কেনেকুৱা তাক জনা সকলে ওনাই ৰ'ব।

কবিৰ মতে পুৰণি বছৰ নতুন পলকে আজুৰি কন্দা, ভিতৰত কঠিন ঘামৰ ছবি বিজুলী বলা আৰু পানীৰে সময়ে ঘন কৰি মৰণে জীৱন যচা একেটা ধাৰণাৰে ত্ৰিমূৰ্তি। সময় বাগৰিল যদিও দীনেশ মিশ্ৰৰ স্মৃতি কবিৰ মনত থাকি গ'ল। কবিক তেওঁৰ নতুন দিনত পুৰণি সময়ৰ সোঁৱৰণীয়ে আঁজুৰি কান্দিছে। জীৱনৰ বিচিত্ৰ গতিত মানুহৰ সীমাবদ্ধতা পৰিস্কাৰ। সেয়ে শ্যেইক্সস্পীয়াৰৰ 'লাইফ ইজ টাইমছ ফুল'ৰ দোত্যনাৰে কবিয়ে লিখিছে জীৱন কালৰ বহুৱা।

শেষৰ স্তৱকত কবিয়ে এক ধৰণৰ নিজা দৰ্শন ব্যক্ত কৰিব খুজিছে বোধহয়। দীনেশ মিশ্ৰৰ মৃত্যুৰ পাছৰ অৱস্থিতিক আৰু যুক্তিৰে ব্যাখ্যা কৰিব পৰা নাযায়। মিছা চকুলো (শোকসভা ঘঁৰিয়াল)ৰ এতিয়া অপ্ৰয়োজনীয়। প্ৰকৃত দুখবোধৰ বাহিৰে (দীঘল চকুলো) মিশ্ৰৰ অৱস্থিতিৰ সম্ভেদ কোনেও দিব নোৱাৰে। এই দুখৰ ছবিক সাৰ্থকভাৱে তুলি ধৰিছে 'ওপৰে আকাশ তলে চলে পানী'য়ে। ইয়েই জাগতিক সত্য। তাৰ পাছত জীৱনৰ ক্ষনভংগুৰতা আৰু মূল্যহীনতাৰ (অকাঠী কাঠৰ নাৱ) বিপৰীতে ব্যক্ত কৰিছে অকালতে হেৰাইযোৱা মিশ্ৰৰ জীৱনটো যেন মুকুতা হ'ল। শ্বেইক্সপীয়াৰৰ 'দ্য টেম্পেষ্ট'ৰ 'those are pearls that were his eyes'ৰ অনুৰণনতএই উপমা কবিয়ে প্ৰয়োগ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

কবিতাটিৰ নামকৰণৰ তাৎপৰ্য কি? (৬০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................................................

........................................................................................................

........................................................................................................

## ৪.৬ ভাষা, আংগিক ইত্যাদি

'দুখৰ কবিতা'ত কবি অজিৎ বৰুৱাই পৰম্পৰাগত অসমীয়া কবিতাত প্ৰচলিত ভাষা-আংগিকৰ পৰিৱৰ্তে চমকপ্ৰদ এক শৈলীৰ সম্পৰীক্ষা কৰিছে। তাৰ ভিতৰত উল্লেখনীয় হৈছে—

ক) অসমীয়া দৈনন্দিন গ্ৰাম্য জীৱনত প্ৰচলিত তেনেই অলংকাৰবৰ্জিত ভাষাৰ প্ৰয়োগ (যেনে খুচি নাম দিবা, ভিজা আন্ধাৰৰ ঘৰ জনাবোৰে, ওপৰে আকাশ তলে চলে পানী আদি)

খ) নতুনকৈ নিৰ্মাণ কৰা কেতবোৰ শব্দ-চিত্ৰকল্প। যেনে কঠিন ঘাম, সোঁতালবাঘ, দীঘল চকুলো ইত্যাদি। কবি অজিৎ বৰুৱাই নিজে এই প্ৰসংগত ইংৰাজী কবি হপকিন্সৰ নাম লৈছিল।

গ) ইংগ-মাৰ্কিন চিত্ৰকল্পবাদী কবিতাৰ প্ৰভাৱত খুব মিত্যবয়ীভাৱে নিজৰ ভাব পাঠত প্ৰকাশ কৰাৰ প্ৰৱণতা।

## ৪.৭ সাৰাংশ (Summing Up)

'দুখৰ কবিতা' হৈছে- প্ৰধানকৈ কবিৰ হৃদয়ত প্ৰোথিত হৈ ৰোৱা এক দুখজনক স্মৃতিৰ ৰোমন্থন। সেই দুখজনক স্মৃতি হৈছে এজন মেধাৱী আৰু কীৰ্তি অসমীয়া ছাত্ৰ দীনেশ মিশ্ৰৰ ব্ৰহ্মপুত্ৰত পৰি হোৱা অকাল মৃত্যু। দুখীয়া ছাত্ৰজনৰ কঠিন জীৱন সংগ্ৰামৰ দ্যোতনা ফুটাই তোলা কবিতাটোত কবিয়ে জীৱনৰ বিচিত্ৰ গতি-প্ৰকৃতি এই সকৰুণ ঘটনাটোৰ জৰিয়তে মুৰ্ত কৰিছে বিভিন্ন উপমাৰ সহায়ত। দুখ, স্মৃতি আৰু জীৱনৰ অনুভৱৰে জীপাল কবিতাটো আধুনিকতাবাদী অসমীয়া কবিতাৰ প্ৰকৃষ্ট উদাহৰণ। ইয়াত কবিয়ে সযতনে ৰোমাণ্টিক চেতনা পৰিহাৰ কৰিছে আৰু নতুন কাব্যভাষা উন্মোচনৰ প্ৰয়াস কৰিছে।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। 'দুখৰ কবিতা'ক আধুনিক কবিতা হিচাপে বিশ্লেষণ কৰা।

২। 'দুখৰ কবিতা'ৰ বিয়যবস্তু সম্পৰ্কে এটা টোকা লিখা।

৩। কবিয়ে কেনে ধৰণৰ ভাষা-আংগিক কবিতাটোত প্ৰয়োগ কৰিছে?

৪। কবিতাটোৰ শিৰোনামৰ তাৎপৰ্য ব্যাখ্যা কৰা

(ছাত্ৰ-ছাত্ৰীসকলৰ বাবে--এই কবিতাটো বা সামগ্ৰিকভাৱে আধুনিক কবিতাৰ অধ্যয়নৰ বাবে প্ৰয়োজন হোৱা কেতবোৰ ধাৰণা আৰু কবি-লেখকৰ সৈতে ছাত্ৰ-ছাত্ৰীসকল পৰিচিত হোৱা দৰকাৰ। যেনে- imagist movement, symbolist movement, conceit, image আদি কি বস্তু ভালদৰে জনাটো আৰু T.S. Eliot, W.B.Yeats, Ezra Pound ইত্যাদিৰ কবিতা পঢ়া নিতান্তই দৰকাৰ।)

## ৪.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

'অজিৎ বৰুৱা কবিতা সমগ্ৰ', সম্পা: কুশল দত্ত, ভৱানী বুকছ, ২০১৫

'অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব', ভবেন বৰুৱা, গ্ৰন্থ, ২০০২

'পদ্যৰ পাছৰ কাব্য', অজিৎ বৰুৱা, ষ্টুডেন্টছ ষ্ট'ৰছ, ১৯৯৪

*****

# পঞ্চম বিভাগ
# নীলমণি ফুকনৰ কবিতা ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’

**বিভাগৰ গঠন ঃ**

৫.১ ভূমিকা (Introduction)

৫.২ উদ্দেশ্য (Objectives)

৫.৩ নীলমণি ফুকনৰ কবিতা

৫.৪ ওলমি থকা গোলাপী জামুৰ লগ্ন

৫.৫ সাৰাংশ (Summing Up)

৫.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

৫.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৫.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত কবি অজিৎ বৰুৱাৰ ‘দুখৰ কবিতা’ কবিতাটিৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে। এই বিভাগটিত নীলমণি ফুকনৰ ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’ কবিতাটিৰ পৰ্যালোচনা আগবঢ়োৱা হ’ব।

বিষয়বস্তুৰ বৈচিত্ৰ্য, গভীৰতা ভাষাৰ, ন-ন প্ৰকাশভংগী আদি ভালেমান দিশৰ বাবে নীলমণি ফুকনৰ কবিতা উল্লেখযোগ্য। প্ৰকৃতি, নাৰী, মৃত্যু, নিঃসঙ্গতা, বিষাদ-যন্ত্ৰণা, মানৱ জীৱন তথা বিশ্ব চৰাচৰৰ সহস্যৰ সন্ধান আদি হ’ল ফুকনৰ কবিতাৰ প্ৰধান ভাৱবস্তু। নীলমণি ফুকনৰ কবিতাৰ সবাতোকৈ বৈশিষ্ট্যপূৰ্ণ দিশটো হ’ল চিত্ৰকল্পৰ সফল প্ৰয়োগ। তেওঁৰ কবিতাৰ সামগ্ৰিক ‘গতি’ আৰু ‘চিত্ৰকল্প’ দুয়োটিয়ে একেলগে পাঠকৰ সঁহাৰি বিচাৰে। এক বিশেষ ধৰণৰ আত্মিক বিষাদ বিষণ্ণতাই কবিজনাৰ কবিতা সিক্ত কৰি ৰাখিছে।

## ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে —

- কবি নীলমণি ফুকনৰ পৰিচয় জ্ঞাপন কৰিব পাৰিব,
- নীলমণি ফুকনৰ কবিতাৰ বৈশিষ্ট্য উপলব্ধি কৰিব পাৰিব,
- ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’ কবিতাটিৰ বিষয়বস্তুৰ লগত পৰিচিত হ’ব পাৰিব,
- কবিতাটিত প্ৰয়োগ হোৱা প্ৰতীক সমূহ ব্যাখ্যা কৰিব পাৰিব।

### ৫.৩ নীলমণি ফুকনৰ কবিতা

অসমীয়া কবিতাৰ সমৃদ্ধি আৰু উত্তৰণত বিশেষভাবে অৰিহনা যোগোৱা কবিসকলৰ ভিতৰত নীলমণি ফুকন অন্যতম কবি। বিষয় বস্তুৰ বৈচিত্ৰ্য, গভীৰতা, ভাষাৰ ন-ন প্ৰকাশভংগী আদি ভালেমান দিশৰ বাবে নীলমণি ফুকনৰ কবিতা পাঠকৰ বাবে আদৰণীয় হৈ পৰিছে। বিংশ শতিকাৰ ষাঠিৰ দশকতে কবিৰূপে আত্মপ্ৰকাশ কৰা কবি নীলমণি ফুকনদেৱে অসমীয়া কবিতাত নতুন আংগিকনতুন প্ৰতীক আৰু চিত্ৰকল্পৰ সমাহাৰ ঘটায়। নীলমণি ফুকনেই আধুনিক অসমীয়া কবিতাৰ প্ৰথমটো পৰ্বৰ ভাৱ আৰু ৰূপ বৈচিত্ৰ্য, নতুন বিষয় সম্ভাৰ ইমেজ, চিত্ৰ-ভাস্কৰ্যৰ সফল ৰূপায়ন সম্ভৱ কৰি তোলে। আধুনিক অসমীয়া কবিতাত চিত্ৰকলাৰ সম্পৰ্ক স্থাপন, উদ্ভিদ জগত, লোক জীৱনৰ কলা কৃষ্টিৰ উপজীব্য সফল ভাৱে ৰূপদান কৰি নীলমণি ফুকনে নিজৰ কবিতা, স্বকীয়তাৰ স্বাক্ষ্যৰ ৰাখি গৈছে। উপলব্ধিৰ গভীৰতা আৰু চিন্তা চেতনাৰ বৌদ্ধিক আলোকেৰে অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত ধাৰণাবোৰৰ নতুন বিন্যাসে নীলমণি ফুকনৰ কবিতাক এক নতুন যাত্ৰা প্ৰদান কৰিছে। ফ্ৰান্সৰ প্ৰতীকবাদীধাৰা, স্পেনীয় ইটালীয় শৈলী, চীনা-জাপানী শৈলী, ইংগ-মাৰ্কিন চিত্ৰকলনবাদী শৈলী আদিৰ প্ৰয়োগ পদ্ধতিৰে নীলমণি ফুকনে অসমীয়া কবিতাক ৰূপ বৰ্ণ-বৈচিত্ৰ্যৰ দিশত ঐশ্বৰ্য প্ৰদান কৰিছে। কবিগৰাকীৰ কবিতাবোৰ অধ্যয়ন কৰিলে দেখা যায় যে তেওঁৰ প্ৰায়বোৰ কবিতাৰ মাজত নিসৰ্গ নিসংগতাবোধ, ৰোমান্টিক বিষাদ, মানবীয় প্ৰেমৰ চিত্ৰ প্ৰকাশে এক মোহনীয় ৰূপ লাভ কৰিছে।

আধুনিক অসমীয়া কবিতাৰ অন্যতম চিত্ৰকল্পবাদী কবি নীলমণিফুকনে তেওঁৰ অনন্য সৃষ্টি ৰাজি 'সূৰ্য হোনো নামি আহে এই নদীয়েদি' (১৯৬৩), 'নিৰ্জনতাৰ শব্দ' (১৯৬৫), 'আৰু কি নৈঃশব্দ্য' (১৯৬৮), 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' (১৯৭২), 'কঁাইট গোলাপ আৰু কঁাইট' (১৯৭৫), 'গোলাপী জামুৰ লগ্ন' (১৯৭৭), 'কবিতা' (১৯৮১), 'নৃত্যৰতা পৃথিৱী' (১৯৮৫) 'আৰু অলপ আগতে আমি কি কথা পাতি আছিলোঁ' (২০০৩), 'শীৰ্ষক মৌলিক কাব্য গ্ৰন্থ আৰু 'জাপানী কবিতা' (১৯৭১), 'গাৰ্থিয়া লৰকাৰ কবিতা' (১৯৮১), 'অৰণ্যৰ গান (১৯৯২), চীনা কবিতা (১৯৯৬) শীৰ্ষক অনুবাদ কাব্য সংকলনৰ উপৰিও 'কুৰি শতিকাৰ অসমীয়া কবিতা' (১৯৭৭) শীৰ্ষক সম্পদনা গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী তথা শ্ৰীবৃদ্ধিত অভূত অৱদান আগবঢ়াই গৈছে। 'সাগৰ তলিৰ শঙ্খ' (১৯৯৪) নামৰ ড° হীৰেণ গোহাঁই সম্পাদিত ফুকনৰ কবিতাৰ সংকলনখনো অসমীয়া সাহিত্যলৈ অন্যতম সংযোজন।

নীলমণি ফুকনৰ কবিতাত বিশেষ কেইটামান ভাৱ প্ৰধান ভাবে লক্ষ্য কৰা যায়। সেইবোৰ হ'ল— প্ৰকৃতি, নাৰী, মৃত্যু নিঃসঙ্গতা, বিষাদ-যন্ত্ৰনা, মানৱ জীৱন তথা বিশ্বচৰাচৰৰ ৰহস্যৰ সন্ধান। কবিৰ প্ৰথমকাব্য সংকলন 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' খনতে এই ভাববোৰ ক্ৰিয়াশীল হৈ আছিল আৰু পৰৱৰ্ত্তী সময়ৰ কবিতাৰ মাজতো সেইবোৰেই এটা বিৱৰ্ত্তনৰ সূত্ৰত দেখা যায়। কবিতা কোনো নিৰ্দিষ্ট ভাৱৰ মাজত আবদ্ধ হৈ নাথাকে। ফুকনৰ কবিতাৰ আলোচনাৰ ক্ষেত্ৰটো এই কথাই প্ৰতীয়মান হয়। কবিৰ বিভিন্ন কবিতাত বিভিন্ন ভাবে ভিন্ন ৰূপত ধৰা দিছে।

নীলমণি ফুকনৰ কাব্যচৰ্চাৰ প্ৰথমৰ ফালে ৰোমান্টিক অভিব্যক্তিবাদৰ প্ৰকাশ পাইছিল যদিও শেষলৈ প্ৰতীকবাদৰ প্ৰতি কবি বিশেষ ভাবে আকৃষ্ট হৈছিল। তেওঁৰ প্ৰথম কাব্য সংকলন 'সূৰ্য হেনো নামি আহে এই নদীয়েদি'ৰ কবিতাবোৰত ৰোমান্টিক অভিব্যক্তিবাদৰ স্ফুৰণ ঘটাৰ লগতে সুন্দৰ প্ৰতীকৰ প্ৰয়োগে কবিতা সমূহৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। কবিতাবোৰৰ মাজত কবিৰ ব্যক্তিগত প্ৰেম, বিষাদ, নিঃসন্দতা আৰু সৌন্দৰ্যবোধ মূখ্যভাৱে প্ৰকাশ পালেও তাৰ মাজতে ভূমুকি মাৰিছে জীৱন আৰু জগত সম্পৰ্কে তেওঁৰ অনুসন্ধিৎসু ভাব আৰু বাহ্যিক জগতৰ প্ৰতি আন্তৰিক সংবেদনশীলতা। নিসৰ্গ প্ৰেমে কবিৰ ভালেমান কবিতাৰ ওৰনি হলেও মানৱীয় মূল্যবোধ বৈশিষ্ট্য পূৰ্ণ ভাৱে তাৰ মাজতেই বিকশিত হৈছে। কবিৰ প্ৰেমমূলক কবিতাবোৰৰ সৌন্দৰ্য প্ৰকাশত কবি দৃষ্টিভংগীয়ে নতুন মাত্ৰা লাভ কৰিছে। তাৰ মাজতেই প্ৰকাশিত হৈ উঠিছে কবিৰ প্ৰেম সম্পৰ্কীয় কবিতাৰ স্বকীয়তা।

এক বিশেষ ধৰণৰ আত্মিক বিষাদ বিষণ্ণতাই নীলমণি ফুকনৰ কবিতা সিক্ত কৰি ৰাখে। এই বিষণ্ণতাবোধক ছবিখন মৃত্যুৰ বিভিন্ন আয়তন লৈ ফুকনৰ কবিতা প্ৰকাশিত হৈছে। মৃত্যু চেতনা কবিৰ ভালেমান কবিতাত ব্যঞ্জিত হৈ আছে। কবিৰ হৃদয়ৰ নিভৃত কোনত জাগ্ৰত হোৱা বিয়োগজনিত মৰ্মান্তিক অনুভূতি প্ৰকাশ ঘটা অতি উচ্চ মণিৰ তেনে এটি সৃষ্টি হল— 'ভুলতে তোমাক বিছনাত ...... তিলফুল হৈ হালি জালি ফুলি আছা' শীৰ্ষক কবিতাটি। 'বাহনিখনে ফুচফুটাই আছিল তুমি শুই আছিলা' কবিতাটিৰ কথাৰ মাজেৰেও কবিয়ে মৃত্যুৰ ছবিকেই আঁকিছে। 'বাহনি' আৰু 'মানুহ'ৰ সম্পৰ্ক অতি নিবড়। কবিতাটিত বতাহে মৰমৰকৈ বা ছিপছিপকৈ কোবাই যোৱা বাহনিডৰাত সৃষ্টি হোৱা ফুচফুচনিয়ে মৃত্যুৰ চেতনাক গভীৰতা প্ৰদান কৰিছে। 'নীলা নীলা শিৰবোৰে' কবিতাত কবিৰ পাৰ্থিব চেতনা প্ৰকাশৰ লগতে সাঙোৰ খাই আছে মৃত্যু চেতনাও। 'নীলা নীলা' শিৰবোৰে' দৰাচলতে বেদনা আৰু মৃত্যু-চেতনাক প্ৰত্যক্ষ কৰাৰ লগতে দীৰ্ঘায়িত সময় আৰু চেতনা জাগ্ৰত কৰিছে য'ত অতীতৰ বুকুত জন্ম হৈছে বৰ্তমানৰ। মৃত্যু ভাৱনা

কবিৰ কবিতা সমূহৰ এক কেন্দ্ৰীয় সম্পদ। মৃত্যুৰ স্মৃতি কথা তথা শূন্যতাবোধৰ হাহাকাৰ কবিৰ ভালেমান কবিতাৰ ঘাই বক্তব্য।

নিসৰ্গ চেতনাৰ প্ৰকাশ নীলমণি ফুকনৰ কবিতাৰ অন্যতম দিশ। নিসৰ্গ ভাবনা কবিৰ মৰ্মগত বৈশিষ্ট্য। কবিৰ সৃষ্টিৰ মাজত নিসৰ্গ অতি গভীৰ ভাবে, সূক্ষ্মভাৱে চিত্ৰিত হৈছে। তেওঁৰ নিসৰ্গ ভাৱনাৰ মাজত কবিৰ বিচিত্ৰ্য অনুভৱ মিশ্ৰিত হৈ আছে। 'আমাৰ সমুখত তেতিয়া এজোপা গছ/এজোপা নতুন গছ/পাতে পাতে যাৰ মহীৰূহ জীৱনৰ/যাচিত এক নতুন হাঁহিৰ অৰ্থ। নতুন নূতিৰ দীপন/ (বৰ্ষা সন্ধ্যাৰ এটি কবিতা ঃ নিৰ্জনতাৰ শব্দ), 'পাহাৰত জুই জ্বলিলেই/তোমাক সাৰটি ল'বৰ মন যায়........................ পাহাৰত জুই/আকাশ হানে জুইৰ শিখাই/ (চতুৰ্থ কবিতা ঃ কাঁইট আৰু গোলাপ আৰু কাঁইট), 'খিৰিকিখনেদি সোমাই আহিল/ঘূৰণীয় এটা হাঁহি/শুই থকা কেঁচুৱাটোৰ মুখত/ পৰি হ'ল এটা পখিলা'/ (তৃতীয় কবিতা ঃ নৃত্যৰতা পৃথিবী) আদি পংক্তিবোৰৰ মাজত নিসৰ্গ ভাৱনাৰ লগতে কবিৰ বিচিত্ৰ্য অনুভূতিয়ে খেলা কৰি আছে।

অহৈতুকী বিষাদ গ্ৰস্ততা নীলমণি ফুকনৰ কাব্যভাৱনাৰ আন এক সুৰ। কবিৰ প্ৰথম পৰ্যায়ৰ কবিতাবোৰত এই নামহীন, কাৰণহীন বিষাদৰ কাৰুণ্য বিশেষ ভাৱে লক্ষ্য কৰা যায়। কবিৰ অত্যাধিক আত্মমগ্নতাই এনে বিষাদ গ্ৰস্ততাৰ কাৰণ হ'ব পাৰে বুলি ভাবিব পৰা যায়। 'সৰি যাব খোজা ফুল মোৰ ভাল লাগে। ততোধিক ভাল লাগে অস্তগামী সূৰ্য। আত্মাৰ নিৰ্জন মালঞ্চ ঘেৰি বিষাদ। মেঘ মেঘ, একান্ত গভীৰ, নিৰচ্চচ্ছন্ন (অন্তৰতম), 'মোৰ এই হৃদয় এটি ক্লান্ত নিৰ্জন ভগ্ন বন্দৰ, কুৰলী/কুৰলীময়। পাৰে পাৰে এদল ঘৰমুৱা সৰ্বহাৰা নাবিকৰ/বেথাৰে উতলা বতাহৰ বুকু ভঙা গান/ (সাবিত্ৰী) আদি স্তৱকবোৰত, প্ৰচ্ছন্ন হৈ থকা দুখবোধৱ ব্যাখ্যাৰা কাৰণ জনাটো পাঠকৰ বাবে কঠিন। এনে দুখবোধৰ মুৰটো কিছুপৰিমানে ৰোমান্টিক আৰু ইয়াতে সম্পৃক্ত হৈ আছে কিছু ব্যৰ্তাৰ অভিঘাট।

অসীম অনন্তৰ ৰহস্যৰ অনুসন্ধান নীলমণি ফুকনৰ কবিতাৰ মাজত নিহিত হৈ থকা আন এক বিশেষত্ব। জগত প্ৰপঞ্চৰ যি অভেদ্য ৰহস্যৰ মায়াজাল তাৰ প্ৰতি দৃষ্টি পাত কৰি কবিয়ে নিজ সত্বাৰ ক্ষুদ্ৰত্ব আবিস্কাৰ কৰি মানুহ তথা জীৱনৰ উত্তৰহীন অনেক প্ৰশ্নৰ অবতাৰণা কৰিছে। জগত ৰহস্যৰ আঁত বিচাৰি গৈয়ে কবিয়ে মানুহ আৰু পৃথিবীৰ সম্পৰ্কৰ ওপৰত আলোকপাত কৰি কৈছে—

'বুজা' আৰু নুবুজাৰ দোমোজাৰে আজিৰ্যন্থ
বুজি পালো
পৃথিৱীৰ বিষাদ;

যাৰ মৰমেৰে আমি ইমান ধুনীয়া হ'লো
আকাশৰ ইমান সুৰভি হ'ল
সেই যশোধৰা পৃথিৱীৰ বাবে
আমি কাহানিও এটুপিও চকুপানী
নুটুকিলো।

পৃথিবীৰ প্ৰেক্ষাপটত মানুহৰ যি স্থিতি, সিয়ে কবিক যি দুখ দিছে, সেই দুখ কবিৰ আত্মলঘিমাহে। পৃথিবীৰ প্ৰতি মানুহৰ মানৱিকতাৰ অভাৱ অনুভৱ কৰি কবিৰ মনত সৃষ্টি হোৱা আত্মলঘিমা আধুনিক কবিতাৰ অমূল্য সম্পদ।

নীলমণি ফুকনৰ কবিতাৰ সবাতোকৈ বৈশিষ্ট্যপূৰ্ণ দিশটো হ'ল চিত্ৰকল্পৰ সফল ব্যৱহাৰ। কবিয়ে পশ্চিমীয়া চিত্ৰকল্পবাদী আন্দোলনৰ দ্বাৰা প্ৰত্যক্ষভাৱে আলোড়িত নহৈ মূলত ঃ অবচেতনৰ অনেক ভাব চিত্ৰকল্পৰ মাজেৰে প্ৰকাশ কৰিছে। ফুকনে প্ৰয়োগ কৰা চিত্ৰকল্প বোৰক গতিশীল চিত্ৰকল্প বুলি আখ্যা দিয়া হয়। ফুকনৰ কবিতাৰ সামগ্ৰিক 'গতি' আৰু 'চিত্ৰকল্প' দুয়োটিয়ে পাঠকক একেলগে সঁহাৰি বিচাৰে। ড° আনন্দ বৰমুদৈৰ ভাষাত ঃ "নীলমণি ফুকন আধুনিক অসমীয়া কবিতাৰ প্ৰধান চিত্ৰকল্পবাদী কবি। চিত্ৰকল্পৰ অৰ্থ, ইংগিত, ব্যঞ্জনাই তেওঁৰ কবিতা বাবে তেওঁ এগৰাকী প্ৰধান প্ৰতীকবাদী কবি।" (নিৰ্জনতাৰ পৰা কোলাহললৈ, পৃ. ৭১) নীলমণি ফুকনে তেওঁৰ কবিতাত চিত্ৰকল্পৰ স্থান সন্দৰ্ভত 'সাগৰ তলিৰ শঙ্খ' কাব্য গ্ৰন্থৰ সাক্ষাৎকাৰত কৈছিল এইদৰে— 'মোৰ কবিতা চিত্ৰকল্প প্ৰধান। অৱশ্যে বিবিধ প্ৰকাৰৰ চিত্ৰকল্প মই ৰচনা কৰা নাই। চিত্ৰকল্পই মোৰ ভাষা, মোৰ ভাবৰ বাহন। চিত্ৰকল্পৰ মাধ্যমতেই মই ভাবোঁ, উপলব্ধি কৰোঁ।"

প্ৰতীকবাদী কবি সকলৰ এটা সৰ্ব প্ৰয়োগ কৌশল হ'ল ইন্দ্ৰিয় সানমিহলি (Symsthesia)। ৰং এটাই ততালিকৈ এটা গোন্ধ বা শব্দ এটাই এটা ৰঙৰ শিহৰণ আনি দিব পাৰে। নীলমণি ফুকনৰ কবিতাত ইন্দ্ৰিয় সানমিহলিৰ কৌশল অতি নিপুন ৰূপত ব্যৱহাৰ কৰা হৈছে। "ৰাতিৰ দূৰত্বলৈ নামি গ'ল/অতীত আৰু বৰ্তমান। ফেউৰাটোৰ চিয়ঁৰত দূৰত্বত। শূন্যতাৰ আৰ্তস্বৰ।", "মাজ ৰাতিখন কোনে ৰিঙিয়ায়। বৰকাঁহত কোবায়/সাৰে আছেনে হঁত।", 'চকুত চাকিটো মুকত তেজ/চিঁয়ৰি দিওঁ। জনজনাই যায় কাঁহৰ বাটিত যোৰ/হালধি বটা ৰাতি।", 'ল'ৰা-ছোৱালীবোৰে কৰবাত কোৰ্হাল কৰিছে/সুমথিৰা টেঙাবোৰ পকিছে।" আদি পংক্তিবোৰত ইন্দ্ৰিয় সানমিহলিৰ উৎকৃষ্ট নিদৰ্শন ৰক্ষিত/ব্যক্তিত হৈছে। ফুকনৰ কবিতাত বিভিন্ন খণ্ডিত চিত্ৰকল্প একত্ৰ গ্ৰন্থিত হৈ এটা ভাব প্ৰকাশেৰে জীৱনৰ সত্য উন্মোচিত হয়। বিভিন্ন খণ্ডিত তথা টুকুৰা-টুকুৰ ছবিৰ জৰিয়তে ফুকনৰ কবিতা হৈ পৰিছে ভাৱনাৰ পূৰ্ণ সংহতি। কবিৰ কবিতাৰ ভাব কেতিয়াবা

মাত্ৰ এটা স্পষ্ট চিত্ৰকল্পৰে নিৰ্মিত হয়। কেতিয়াবা আকৌ কেইবাটাও সুকীয়া চিত্ৰকল্পৰ মাজত এক অন্তনিহিত যোগসূত্ৰ ক্ৰিয়াশীল হৈ থাকে। মাজে মাজে এনে কিছুমান চিত্ৰকল্প কবিয়ে ৰচনা কৰে য'ত কেইবাটাও ভাৱৰ সন্ধান চিত্ৰকল্পটিয়ে দিবলৈ সক্ষম হয়। কবিৰ মগ্ন চৈতন্যত এই চিত্ৰকল্পবোৰ ধৰা দিছেহি দুটা পথেদি এটা হৈছে কবিৰ চৌপাশৰ নিসৰ্গ আৰু আনটো হৈছে দেশী-বিদেশী কলা-সংস্কৃতিৰ প্ৰতি থকা কবিৰ একান্ত আকুলতা।

নীলমণি ফুকন অসমৰ মাটিৰ গোন্ধেৰে সুবাসিত কবি। অসমৰ বোকা-মাটিৰ সজল ৰূপটি কবিৰ কাব্য ভাৱনাত বিভিন্ন ৰূপ আদৃত হৈছে। ফুকনৰ কাব্য ভাৱনাক বাহিৰৰ বিবিধ বিচিত্ৰ বিষয়ে চহকী কৰি তুলিছে যদিও অসমীয়া লোক সাহিত্য, বৈষ্ণৱ সাহিত্য পৰম্পৰা আদিয়ে কবিৰ কবি মানসক আচ্ছন্ন কৰি ৰাখিছে। সেয়েহে দেশ বিদেশৰ বিবিধ প্ৰসংগ বা ঘটনা তেওঁৰ কাব্য চেতনাৰ সহযাত্ৰী হ'লেও সেই বিষয়সমূহৰ তুলনাত অসমৰ মাটি-পানী, মানুহৰ গোন্ধ থকা প্ৰসংগ কিছুমানহে কাব্যৰূপে চমৎকাৰিত্ব লাভ কৰিছে।

**আত্মমুল্যায়ন প্ৰশ্ন**

নীলমণি ফুকনৰ কবিতাত প্ৰয়োগ হোৱা চিত্ৰকল্পক কিয় গতিশীল চিত্ৰকল্প বুলি কোৱা হয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................................................

........................................................................................................

........................................................................................................

## ৫.৪ ওলমি থকা গোলাপী জামুৰ লগ্ন

আধুনিক অসমীয়া কবিতাৰ জগতখনৰ এটা বহলভাৱে পঠিত আৰু চৰ্চিত কবিতা হৈছে নীলমণি ফুকনৰ 'ওলমি থকা গোলাপী জামুৰ লগ্ন' বুলি আৰম্ভ হোৱা কবিতাটো। অগতানুগতিক প্ৰতীক, বৈচিত্ৰ্যপূৰ্ণ চিত্ৰকল্প আৰু অতুলনীয় সংযমী ভষাভঙ্গীৰ বাবেই এই কবিতাটোক 'আইকনিক' সৃষ্টি বুলিব পাৰি। একে কাৰণতে বহু কাব্যৰসিকক কবিতাটোৱে অসুবিধাতো পেলাই আহিছে। এই ৰচনাত কবিতাটোৰ এক নিৰ্বচনৰ প্ৰয়াস কৰা হৈছে। প্ৰাসঙ্গিকভাৱে এইযাৰ কথা কৈ থোৱা উচিত হ'ব যে আধুনিক কবিতা একাৰ্থবাচক নহয় আৰু স্পষ্টতঃ কবিতাৰ কোনো অৰ্থও নাথাকে। মানুহৰ অন্তৰ্জগতত অভিঘাত সৃষ্টি কৰা আন বহু কথা বা ঘটনাৰে প্ৰকৃততে একো অৰ্থ নাথাকে। কবিতাৰ ৰস আহৰণৰ বেলিকা এটা অৰ্থ নহ'লৈই নহয় কাৰণে পঢুৱৈয়ে

শব্দময় কাব্যশৰীৰৰ গাঁঠনিগত ৰূপটোৰ মাজৰপৰাই একো একোটা অৰ্থ উলিয়াই লয়। তেনে কৰিবলৈ প্ৰতিজন পাঠকৰে স্বাধীনতা আছে। কিন্তু টি এছ্ এ'লিয়টে কৈয়ে গৈছে, Genuine poetry can communicate before it is understood— ভাল কবিতা একোটাই তাক বুজি পোৱাৰ পূৰ্বেই পাঠকৰ সৈতে সংযোগ স্থাপন কৰে।

কবিতাৰ অৰ্থ 'উলিওৱা'ৰ প্ৰসঙ্গতো তেওঁ কৈ গৈছে ঃ Between the true artist of any time there is, I believe, an unconscious community. And, as our instincts of tidiness imparatively command us not to leave to the to the haphazard of unconsciousness what we can attempt to do consciously, we are forced to conclude that what happens unconsciously we could bring about, and form into a purpose, if we made a conscious attempt. (মই ভাবোঁ যে যিকোনো সময়ৰে প্ৰকৃত কলাকাৰসকলৰ মাজত একোটা অচেতনতাৰ স্তৰ থাকে। আৰু আমাক অচেতনতাৰ ভিৰত সচেতনভাৱে কৰিব খোজাখিনিক এৰি নিদিবলৈ আমাৰ পাৰিপাট্য সম্পৰ্কীয় প্ৰবৃত্তিয়ে অলঙ্ঘনীয়ভাৱে নিৰ্দেশ দিয়ে, আমি অচেতনভাৱে কৰিব খোজাখিনিক তেতিয়া জোৰকৈ এটা উদ্দেশ্যৰ আওতালৈ আনো আৰু এটা সচেতন পদক্ষেপ আগবঢ়াওঁ।)

কেৱল কলাকাৰসকলৰে মনত যে একোটা অৱচেতনাৰ ক্ৰিয়াশীল স্তৰ থাকে তেনে নহয়। সেই স্তৰটো সকলো সুস্থ মানুহৰে মনৰ এটা অংশ। সেই অংশটোৰ সৈতে বাস্তৱতাৰ আন আন ঘটনা, কাৰ্য বা অস্তিত্বৰ যি আন্তঃসম্পৰ্ক সেই আন্তঃসম্পৰ্কই মানৱীয় জ্ঞান বা দৰ্শনৰো পৰীক্ষা লয়। তেনে পৰীক্ষাত সকলো সময়তে উত্তীৰ্ণ হ'ব পৰাকৈ মানুহ অসীম শক্তি বা ক্ষমতাৰ অধিকাৰী নহয়। ফলস্বৰূপে মানুহৰ বাবে জগতৰ সৰ্বত্ৰ অনেক ৰহস্যৰ উৎস আছে। আকৌ, সেই উৎসবোৰ আৱিষ্কাৰ কৰিব পৰাকৈ সকলো মানুহ সমানে সংবেদনশীলো নহয়। যিসকল লোকৰ সংবেদনা গড় হিচাপৰ লোকসকলতকৈ অধিক তীব্ৰ বা শাণিত, সেইসকলেই ৰহস্যৰ এনে উৎসবোৰৰ সন্ধান পায় আৰু নৈসৰ্গিক ৰহস্যময়তা, লৌকিক বা অতিলৌকিক ৰহস্যময়তাৰে উদ্বেলিত হয়। কবি আৰু চিত্ৰকৰ-ভাস্কৰসকলে প্ৰায়ে এনে ৰহস্যবোধৰ উমান পায় আৰু তেনে আৱিষ্কাৰৰ আনন্দ তেওঁলোকে আনৰ সৈতে ভগাই ল'বলৈ বিচাৰে।

তেনে ৰহস্যবোধৰে ত্ৰিমাত্ৰিক প্ৰকাশ ঘটিছে ফুকনৰ 'ওলমি থকা গোলাপী জামুৰ লগ্ন' শীৰ্ষক কবিতাটোত। কবিতাটো আৰম্ভ হৈছে এনেকৈ —

কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হাতত এটা মুদ্ৰা

এনে ধৰণৰ আকস্মিক আৰম্ভণিৰ আঁৰত ক্ৰিয়া কৰা শক্তিটো লুকাই আছে অনুচ্চাৰিত কিন্তু কাহানিবাই উচ্চাৰণ হ'বলগীয়া শব্দবোৰৰ মাজত। শব্দবোৰ নিনাদিত নোহোৱা বাবেই সিহঁতৰ ছটফটনি বেছি। শব্দৰ হাত আৰু সেই হাতৰ মুদ্ৰা — বাচ্যাৰ্থৰ দিশৰপৰা দুয়োটা প্ৰয়োগেই অশুদ্ধ। কিন্তু শব্দবোৰৰ হাহাকাৰৰ তাৎপৰ্যলৈ চকু দিলে বুজিব পাৰি যে মানুহৰ অনুভৱত এনে কিছু সত্য থাকে, উপলব্ধি থাকে যাক বুজাবলৈ শব্দৰ শক্তিয়ে নাটেগৈ। অৰ্থাৎ শব্দৰ হাতৰ মুদ্ৰাবোৰ আচলতে কবিৰ মনৰ মাজত উদ্ভূত জীৱন-সত্যৰহে মুদ্ৰা। মুদ্ৰা নৃত্যৰ অংগ। শব্দবোৰে জীৱনৰ অপুদ্ঘাত মৰ্মৰ উপলব্ধিৰে নৃত্য কৰিছে কবিতাটোৰ বক্তাজনৰ মনৰ মাজত। সেই উপলব্ধিৰ নৃত্য কিন্তু লাস্য নৃত্য নহয়, তাণ্ডৱহে। কাৰণ সেই উপলব্ধিৰ তাণ্ডৱৰ ফলতেই তেওঁৰ হৃদয়-গছৰ ডাল ভাগিছে আৰু সেই ভগা ডালত ওলমি ৰৈছে গোলাপী জামুৰ লগ্ন। কবিতাটোৰ দ্বিতীয়টো স্তৱকত এই বৰ্ণনা স্পষ্ট —

হে হৃদয়ৰ ভগা ডালত ওলমি থকা
গোলাপী জামুৰ লগ্ন !

গোলাপী জামু ফুলাৰ সময় বসন্ত আৰু ফল-পকাৰ সময় বৰ্ষা ঋতু। দুয়োটা সময়েই প্ৰাচুৰ্যৰ, সম্ভাৱনাৰ। অথচ কবিতাটোৰ প্ৰথম পুৰুষৰ (বক্তাৰ) জীৱনৰ প্ৰাচুৰ্যৰ সময়খিনিৰ স্থায়িত্ব আশংকাগ্ৰস্ত। কাৰণ সেই লগ্ন ওলমি আছে ভগা ডালত। ডালটো ভগা — কিন্তু সৰি পৰা নাই। যিকোনো মুহূৰ্ততে ডালটো ভূপতিত হ'ব পাৰে। এতিয়া, হৃদয়ৰ ভগা ডালৰ প্ৰসঙ্গটোৰ নিহিতাৰ্থলৈ চকু দিলে দৃষ্টিগোচৰ হয় যে দীৰ্ঘদিন ধৰি উপলব্ধি কৰি অহা জীৱনৰ সত্য-ধাৰণাক প্ৰকাশ কৰিব নোৱৰাৰ দুখ-ক্ষোভ কিম্বা প্ৰকাশৰ তাড়না এটা দীৰ্ঘদিনীয়া হোৱাত হৃদয়খনেই ভাগি ছিগি গৈছে। তাতে হৃদয়খন যদি গছ হয় তেনেহ'লে সেই গছৰ ডাল ভগাই স্বাভাৱিক। কাৰণ সেইজোপা গছত বহুদিন ধৰি ধুমুহাৰ অত্যাচাৰ চলিছে। গতিকে ডালটো যিকোনো মুহূৰ্ততে সৰি পৰাৰ আশঙ্কা এটাও অনবৰতে বক্তাৰ মনত ক্ৰিয়াশীল হৈ আছে। এনে আশঙ্কা আমৃত্যু প্ৰতিজন মানুহৰ সঙ্গী— যিকোনো ক্ষেত্ৰতে বা যিকোনো প্ৰসঙ্গতে ই সত্য। হৃদয়ৰ গছজোপা গোলাপী জামুৰ গছো হ'ব পাৰে — যাৰ মাজত আছে সৃষ্টিৰ সম্ভাৱনা, সৌন্দৰ্যৰ খনি। কিন্তু সেই হৃদয় ভাগি গৈছে আৰু সম্প্ৰতি সেই হৃদয়ে উপলব্ধি কৰা সত্যও কোনোমতেহে ওলমি ৰৈছে। 'গোলাপী জামুৰ লগ্ন'ক বক্তাজনে 'হে' বুলি সম্বোধন কৰিছে। এই সম্বোধনৰ মাজত হেঁপাহ আৰু হতাশা দুয়োটাৰে সংশ্লেষণ ঘটিছে। যদিহে হৃদয়খন ইমান সমৃদ্ধ নহ'লহেঁতেন, যদিহে ইমান

সংবেদনশীল নহ'লহেঁতেন — তেনেহ'লে এনেকৈ সুদীৰ্ঘ কাল আমনি কৰি থকা সত্যৰ উপলব্ধিও নহ'লহেঁতেন আৰু তেতিয়াই হৃদয়ৰ প্ৰাচুৰ্যপূৰ্ণ আৰু সম্ভাৱনাময় গছজোপাৰো ডাল নাভাগিলহেঁতেন। জীৱনৰ ৰহস্যৰ সম্ভেদ বিচৰাৰ দৰে যিটো কাৰ্য বক্তাই বহুদিনৰ আগতেই সম্পন্ন কৰি সেই ৰহস্যৰ মৰ্ম উদঘাটন কৰিলে সেই কাৰ্যই এতিয়া তেওঁক দুখী আৰু ক্ষুব্ধ কৰি তুলিছে। এক বিশেষ ধৰণৰ অশান্তিত ভুগিছে তেওঁ। এনে অশান্তিৰ স্বৰূপ ফুটি উঠিছে কবিতাটোৰ তৃতীয়টো স্তৱকত —

জুই জ্বলি থকা নগৰৰ ওপৰত উৰি ফুৰা
এটা সামুদ্ৰিক চৰাই।

সামুদ্ৰিক চৰাইবোৰ বৰ বেছি সময়লৈ একেৰাহে উৰিব নোৱাৰে; ডেউকা তিতি থকালৈকেহে সি উৰে বা পানীৰপৰা আঁতৰি থাকে। ডেউকা তিয়াবলৈ সি সাগৰৰ পানীলৈ নামি আহিবই লাগিব। কিন্তু সাগৰখন কবিতাটোত নাই। চৰাইটো উৰিছে জুই জ্বলি থকা নগৰৰ ওপৰত। প্ৰাণ-প্ৰাচুৰ্য আৰু উন্মাদনাৰে পৰিপূৰ্ণ সাগৰৰ বিশালতাৰ ঠাইত নগৰৰ প্ৰাণহীন, যান্ত্ৰিক সংকীৰ্ণতা উপস্থিত। সেই সংকীৰ্ণতাও সম্প্ৰতি দগ্ধ হৈছে। চৰাইটোৰ প্ৰয়োজন পানীৰ স্পৰ্শৰ, কিন্তু সি তললৈ নামি গ'লেই দগ্ধ হ'ব। এই চৰাইটো সম্ভৱতঃ বক্তাৰ ভিতৰৰ মানুহজন। নগৰখনৰ সংকীৰ্ণতা আৰু জুইৰ উপস্থিতিয়ে তেওঁৰ অশান্তি আৰু অস্থিৰতা বঢ়াই তুলিছে। এই অস্থিৰতাৰ কাৰণ আন একো নহয় — ওলমি থকা গোলাপী জামুৰ লগ্নৰ দৰেই ওলমি থকা মানৱিক প্ৰমূল্যৰ অপমৃত্যুৰ আশংকাই তেওঁৰ অন্তৰত অস্থিৰতা সৃষ্টি কৰিছে। এই অস্থিৰতা আৰু ক্ৰমবিলীয়মাণ ভৱিষ্যতৰ প্ৰকাশ আছে কবিতাটোৰ চতুৰ্থ স্তৱকটোত এনেদৰে —

ক্ৰমশঃ মৰি অহা এটা আঙুলি
বৰফ হৈ অহা এটা জুৰি

'ক্ৰমশঃ' শব্দটোৰ ব্যৱহাৰ তাৎপৰ্যপূৰ্ণ। প্ৰথম স্তৱকৰ 'হাতৰ মুদ্ৰা' ক্ৰমে লোপ পোৱাৰ পথত। যি হৃদয়ত জীৱন ৰহস্যৰ সত্য-মৰ্মৰ উপলব্ধি ঘটিছে সেই হৃদয়ৰ গৰাকীজনেই আশংকাগ্ৰস্ত ভৱিষ্যতৰ বুকুত পতিত হৈছে। তেওঁৰ লগে লগে তেওঁৰ অন্তৰৰ উপলব্ধিও ক্ৰমক্ষীয়মাণ; কাৰণ সেই উপলব্ধিখিনি কোনো শব্দৰ অভিব্যক্তি ফুটাই তুলিব পৰা বিধৰ নহয়। আৰু শব্দেৰে বুজাই ক'ব নোৱাৰিলে সেইখিনি আনৰ অন্তৰত উপলব্ধি কৰাবও নোৱাৰি। এই দুঃসহ বেদনা ইয়াত ক্ৰমে ক্ৰমে বাঢ়ি আহিছে। জুৰি এটাৰ গতিচঞ্চলতা অসহনীয় শীতপ্ৰৱাহৰ ফলত যিদৰে ক্ৰমশঃ স্থবিৰ হৈ বৰফলৈ ৰূপান্তৰিত হয় সেইদৰেই 'হৃদয়ৰ ভগা ডালত ওলমি থকা গোলাপী জামুৰ লগ্ন'ও যেন লাহে লাহে বিনাশৰ পথত। কবিতাটোৰ পঞ্চম স্তৱকটোত আছে—

অন্তৰৰো অন্তৰ খহাই বৈ যোৱা তপত লাভাৰ

আন্ধাৰ পাগ্‌লাদিয়া

জুইৰ তাপ, তাৰ পাছতে বৰফৰ শীতলতা, আৰু এতিয়া অন্তৰৰ পৰা উদ্‌গীৰিত তপত লাভাৰ উন্মাদ সোঁত। পাগ্‌লাদিয়া শব্দ ইয়াত নদীবিশেষৰ নামতে সীমাৱদ্ধ হৈ ৰোৱা নাই। বক্তাজনৰ অন্তৰৰ অশান্তি — জীৱনৰ ৰহস্যৰ মৰ্ম উদঘাটন কৰিও তাক কোনো পথ্যে প্ৰকাশ কৰিবলৈ সক্ষম নোহোৱাৰ যি ব্যৰ্থতা সেই ব্যৰ্থতাই তেওঁৰ জীৱনৰ সকলো মাধুৰ্য মষিমূৰ কৰি পেলাইছে। এই স্তৱকত জীৱনৰ মৰ্ম অনুধাৱন কৰিও সেই মৰ্ম কাকো বুজাব নোৰৱাৰ বেদনাই বিধ্বংসী ৰূপ লৈছে। এই ৰূপে কিন্তু মন কৰিবলগীয়াকৈ আন কাৰো অনিষ্ট কৰা নাই। আন্ধাৰতে উদ্‌গীৰণ হৈছে অন্তৰৰো অন্তৰৰ উপলব্ধি। কাকো বুজাই ক'ব নোৱাৰি অথচ সকলোকে ক'বলগীয়া — এই সংকটকালীন পৰিস্থিতিত নিঃসঙ্গ মুহূৰ্তত, সকলোৰে অজ্ঞাতে বক্তাজনে আত্মনিগ্ৰহ কৰিছে। এই আত্মনিগ্ৰহত নিগৃহীতজন অৰ্থাৎ বক্তাৰ অৱস্থাটো অতি মৰ্মান্তিক —

ডিঙিলৈকে সাগৰত ডুব গৈ থকা

এটা দীঘল গান

মানুহৰ সৌন্দৰ্য চেতনা আৰু সুকুমাৰ অভিব্যক্তিৰ প্ৰতিভূস্বৰূপ গানটো দীঘল। তাৰ এটা ইতিহাস আছে, তেনেকৈ ভৱিষ্যতো আছে। বক্তাজনৰ অন্তৰখন এনে সুকুমাৰ উপলব্ধিৰে পৰিপূৰ্ণ — যি উপলব্ধিয়ে জীৱনক সুন্দৰ কৰি তুলিব পাৰে। অথচ একমাত্ৰ তেওঁৰ উপলব্ধি জীৱন সত্যক কাহানিও নিনাদিত কৰি তুলিব নোৱৰা কাৰণেই জীৱনৰ অনন্ত দুখৰ মাজত তেওঁ আকণ্ঠ ডুব গৈছে। মন কৰিবলগীয়া যে তৃতীয় স্তৱকত সাগৰীয় চৰাইটোৱে বিচাৰি ফুৰা সাগৰখন এইখন সাগৰ নহয়। সেইখন সাগৰে চৰাইটোক নৱজীৱনৰ স্পৰ্শ দিব পাৰে, কিন্তু এইখন সাগৰত গানটোও মৃতপ্ৰায়। অৱশ্যে গানটো এতিয়াও বাজি আছে।

এই সমগ্ৰ দুঃসহ অৱস্থাটোৰ মাজত কবিতাটোৰ সপ্তম স্তৱক হিচাপে কবিয়ে পুনৰাবৃত্তি কৰিছে দ্বিতীয় স্তৱকটোৰ। পুনৰাবৃত্তিৰ ফলত দুখ, নিঃসঙ্গতা, ক্ষোভ, হেঁপাহৰ তীব্ৰতা বাঢ়িছে। অষ্টম স্তৱকত আছে —

বতাহৰ শূন্যতাৰ গভীৰত

নিশাৰ উন্মুক্ত বাঁহী

ষষ্ঠ স্তৱকত গানটোৰ যি মৃতকল্প ভৱিষ্যত, সেই ভৱিষ্যতক এইবাৰ কিছু আশাৰ পোহৰ দেখুওৱা হৈছে। বতাহৰ শূন্যতাত বাঁহীৰ মাত আৱদ্ধ হৈ পৰা নাই, বৰং উন্মুক্তভাৱে বাজিছেহে। এই সুৰ উপৰুৱা নহয়, কাৰণ বতাহৰ শূন্যতাৰ গভীৰত ই

ধ্বনিত হৈছে। ইয়াত সঞ্চাৰ ঘটা আশাই ইতিপূৰ্বে পাই অহা অনাকাংক্ষিত পৰিস্থিতিবোৰৰ অৱসানৰ এটা ইঙ্গিত দিছে। এই ইঙ্গিত ইঙ্গিতৰ পৰ্যায়তে আছে, কাৰণ কবিতাটোৰ শেষ স্তৱকত ---

কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হাতৰ হে প্ৰাচীন শীতলতা

বুলি যি আকুলতা প্ৰকাশ হৈছে সেই আকুলতাই শব্দবোৰ নিনাদিত হোৱাৰ ধাৰণা নিদিয়ে। এই শীতলতাৰ প্ৰাচীনত্বই এক স্পৰ্শেন্দ্ৰিয়ক সংবেদনাৰ সূচনা কৰে। ইয়াত আচলতে ফুটি উঠিছে আত্মচৈতন্যৰে আহৰণ কৰা জীৱন-ৰহস্যৰ আঁৰৰ মৰ্মক আনৰ অন্তৰলৈ সম্প্ৰসাৰিত কৰিব নোৱৰাৰ নিঃশব্দ কৰুণতা।

সামগ্ৰিকভাৱে অনুভৱ কৰি চালে কবিতাটোত ৰহস্যবোধৰ প্ৰকাশ ঘটিছে বুলিয়ে ক'ব পাৰি। জীৱনত অন্তহীন দুখৰ মাজতো সুখৰ সপোন দেখাটো মানুহৰ সুন্দৰ-চেতনাৰ প্ৰমাণ। জীৱন-যন্ত্ৰণাৰপৰা পৰিত্ৰাণ পাবলৈ কোনো ব্যক্তিয়ে যদি কোনো সত্য আৱিষ্কাৰ কৰে অথচ সেই সত্য প্ৰকাশ কৰিব নোৱৰাৰ ফলত পূৰ্বতকৈও অধিক যন্ত্ৰণাৰ চিকাৰ হ'বলগীয়া হয় তেনেহ'লে পুনৰ এটা ৰহস্য উপস্থিত হ'ব। জীৱনৰ অনন্ত ৰহস্য তাতেই লুকাই আছে। T S Eliot-অৰ Journey of the Megi কবিতাটোত প্ৰকাশ ঘটা যন্ত্ৰণাৰ ৰহস্যবোধ যেন এই কবিতাতো ফুটি উঠিছে। কবিতাটোত ব্যৱহাৰ কৰা চিত্ৰকল্পবোৰৰ মাজতো ৰহস্যবোধৰ ভূমিকা ব্যাপক। উদাহৰণ স্বৰূপে— কাহানিও নিনাদিত হৈ নুঠা শব্দবোৰৰ হাতৰ মুদ্ৰা আৰু প্ৰাচীন শীতলতা, সামুদ্ৰিক চৰাইটোৰে বিচৰা সাগৰখনৰ অনুপস্থিতি আৰু দীঘল গানটোক আকণ্ঠ ডুবাই ৰাখিবলৈ সাগৰৰ অনাহুত অৱস্থান, জুই জ্বলি থকা নগৰৰ বিপৰীতে বৰফ হৈ অহা জুৰি, তাৰো বিপৰীতে তপত লাভাৰ আন্ধাৰ পাগ্‌লাদিয়া — এনে পৰস্পৰবিৰোধী চিত্ৰকল্পবোৰে ৰহস্যবোধৰ প্ৰাবল্য বৃদ্ধি কৰিছে। ওলমি থকা 'গোলাপী জামুৰ লগ্ন'ৰ কবিতাটোত কবি ফুকনে যিদৰে জীৱন-যন্ত্ৰণাজনিত ৰহস্যবোধৰ প্ৰকাশ ঘটাইছে, সেইদৰেই মৃত্যুজনিত ৰহস্যবোধকো তেওঁ একাধিক কবিতাৰ ঘাই চেতনা-শক্তি হিচাপে প্ৰয়োগ কৰিছে।

কবিতাটোৰ সকলো অংশতে বক্তাজনক দুখত কাতৰ অৱস্থাতে লগ পোৱা যায়। অৱশ্যে এই দুখবোধ তেওঁৰ ব্যক্তিগত আৱেগিক-অনুভূতিক স্বপ্নভংগৰ দুখবোধৰ পৰিধি ক্ৰমশঃ সম্প্ৰসাৰিত। কাৰণ ইয়াত স্বপ্নভঙ্গৰ ক্ষণটো তেওঁৰ ব্যক্তিগত যেন লাগিলেও পাছলৈ জুই জ্বলি থকা নগৰ আদিৰ প্ৰসঙ্গই ভাবনাৰ বিস্তৃতিৰ উমান দিছে। আকৌ, সম্ভৱতঃ নিৰ্জনতা বক্তাজনৰ প্ৰিয় পৰিস্থিতি, কিন্তু একে নিৰ্জনতাই তেওঁক

পীড়াও দিছে, তেওঁ একে নিৰ্জনতাত কাতৰ সৈও উঠিছে। উদাহৰণ স্বৰূপে প্ৰথমৰ —

কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হাতৰ এটা মুদ্ৰা

আৰু শেষৰ

কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হাতৰ হে প্ৰাচীন শীতলতা !

এই দুয়োটা স্তৱকতে 'কাহানিও নিনাদিত নোহোৱা শব্দ'ৰ প্ৰসঙ্গই এক মৰ্মান্তিক নিৰ্জনতাৰ আভাস দাঙি ধৰে। প্ৰথম স্তৱকত সেই শব্দবোৰৰ হাতৰ 'মুদ্ৰা'ত এক ধৰণৰ আত্মপ্ৰকাশৰ তাড়না আছিল। পৰৱৰ্তী স্তৱকত সেই তাড়না নাই। ইয়াত কবিতাটোৰ বক্তাজনে সেই 'মুদ্ৰা'ৰ ব্যৰ্থতাক স্বীকাৰ কৰি লৈছে। সেয়েহে 'প্ৰাচীন শীতলতা'ক সম্বোধন কৰি এটা দীৰ্ঘস্বাস পেলাইছে। এই আত্মপ্ৰকাশৰ তাড়না আৰু ব্যৰ্থতাৰ হুমুনিয়াহ, সি ব্যক্তিগত নহয়, সামগ্ৰিকভাৱে মানুহৰ মনত জীৱন-যন্ত্ৰণাই সৃষ্টি কৰা দুখবোধহে ইয়াত নিৰ্জনতাৰ অন্তৰ্নিহিত সুৰটোত ফুটি উঠিছে।

সামগ্ৰিকভাৱে এই কবিতাটো ইয়াৰ আটিল বান্ধৰ কাব্যশৰীৰ, অগাতানুগতিক চিত্ৰকল্প আৰু অপৰিচিত প্ৰতীকৰ ব্যৱহাৰৰ বাবেই অসমীয়া আধুনিক কবিতাৰ এশ উল্লেখযোগ্য কৃতি বুলিব লাগিব। কবিতাটোৰ প্ৰতিটো স্তৱকেই দুটাকৈ চৰণবিশিষ্ট আৰু সিহঁত প্ৰত্যেকেই স্বয়ংসম্পূৰ্ণ চিত্ৰকল্প। আকৌ 'শব্দৰ হাতৰ মুদ্ৰা', 'ওলমি থকা গোলাপী জামুৰ লগ্ন', অকল 'গোলাপী জামুৰ লগ্ন', 'জুই জ্বলি থকা নগৰ', 'জুই জ্বলি থকা নগৰৰ ওপৰত উৰি থকা সামুদ্ৰিক চৰাইটো', 'মৰি অহা আঙুলি', 'বৰফলৈ ৰূপান্তৰিত হোৱা জুৰি', 'তপত লাভা', 'তপত লাভাৰ পাগলাদিয়া, 'তপত লাভাৰ আন্ধাৰ পাগলাদিয়া, 'দীঘল গান', 'ডিঙিলৈকে সাগৰত ডুব গৈ থকা দীঘল গান', 'নিশাৰ উন্মুক্ত বাঁহী', 'বতাহৰ শূন্যতাৰ গভীৰত নিশাৰ উন্মুক্ত বাঁহী', 'শব্দৰ হাত', 'শব্দৰ হাতৰ প্ৰাচীন শীতলতা' আদি বিভিন্ন স্তৰত, বিভিন্ন ৰূপত ব্যৱহৃত হোৱা প্ৰতীক। এই প্ৰতীকবোৰ কিন্তু অসমীয়া কবিতাত সাধাৰণতে ব্যৱহাৰ হোৱা প্ৰতীক নহয়। এনে অপৰিচিত প্ৰতীকৰ ব্যৱহাৰে কবিতাটোক কিছু দূৰলৈ ফৰাচী প্ৰতীকবাদৰো কাষ চপাই নিছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটিত চিত্ৰকল্পৰ সঠিক প্ৰয়োগ হৈছে। কথাষাৰ যুক্তিযুক্ত নে? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................

..............................................................................................

## ৫.৫ সাৰাংশ (Summing up)

নীলমণি ফুকনৰ 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটি আশা-নিৰাশা, প্ৰাপ্তি-অপ্ৰাপ্তি, জীৱন-মৃত্যুৰ এক অনবদ্য সমাহাৰ। অন্যান্য প্ৰতীকধৰ্মী কবিতাৰ দৰে নীলমণি ফুকনৰ এই কবিতাটিতো উপৰুৱা ৰূপত এটি কঠিনতা বিৰাজমান হৈ আছে। উদ্ভট চিন্তাৰে এটাৰ পিছত আন এটা চিন্তালৈ ভাৱবোৰ সম্প্ৰসাৰিত হৈছে - গোলাপী জামুৰ পৰা হাতৰ মুদ্ৰালৈ, হাতৰ মুদ্ৰাৰ পৰা আন্ধাৰৰ পাগলাদিয়ালৈ কিন্তু সেই কঠিনতা অতিক্ৰম কৰিলে দেখা যায় যে, তেওঁৰ কবিতাত মানৱ জীৱনৰ ৰূপ, সমাজ-চেতনাৰ ইঙ্গিত আৰু জীৱনৰ অশুভ দিশটোৰো উল্লেখ আছে। সকলোতকৈ মূৰ তুলি উঠিছে তেওঁৰ ব্যক্তিগত দুখ আৰু বেদনাৰ অনুভৱে। আমাৰ আলোচ্য কবিতাটিতো এই কথা সমানেই প্ৰযোজ্য।

## ৫.৬ আৰ্হি প্ৰশ্ন (Sample Question)

১) কবি নীলমণি ফুকনৰ পৰিচয় দাঙি ধৰক।

২) 'নীলমণি ফুকনৰ কবিতা' — শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰক।

৩) নীলমণি ফুকনৰ কবিতাত প্ৰতীকৰ প্ৰয়োগ সম্পৰ্কে পাৰ্যালোচনা কৰক।

৪) 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটিৰ বিষয়বস্তু আলোচনা কৰক।

৫) 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটিৰ প্ৰতীক সম্পৰ্কে বৰ্ণনা কৰক।

## ৫.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


নীলমণি ফুকন ঃ *গোলাপী জামুৰ লগ্ন*

নলিনীধৰ ভট্টাচাৰ্য ঃ *কবিতা আৰু নেপথ্য*

ভবেন বৰুৱা ঃ *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*

কৰবী ডেকা হাজৰিকা ঃ *অসমীয়া কবিতা*

প্ৰবোধ চন্দ্ৰ গোস্বামী ঃ *অসমীয়া কবিতাৰ আলোচনা*

নগেন ঠাকুৰ ঃ *নিৰ্জনতাৰ পৰা কোলাহললৈ*

হীৰেণ গোহাঁই ঃ *সাগৰ তলিৰ শঙ্খ*

এম. কামালুদ্দিন আহমেদ ঃ *আধুনিক অসমীয়া কবিতা*

প্ৰফুল্ল কটকী ঃ *আধুনিক অসমীয়া কবিতা*

চন্দ্ৰ কটকী ঃ *অসমীয়া কবিতাৰ বৰ্ণালী*

অৰিন্দম বৰকটকী ঃ *অনুশীলন*


*****